# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## NO. 13

The 27th March, 1992.

Price— 13.25

## CONTENTS

BUDGET SESSION
No.— 13.
Dated, the 27th March, 1992


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1— 46 |
| 2. | Voting on Demands for Grants | 46— 75 |
| 3. | Adjournment | 75 |
| 4. | Annexure I to II | 76— 91 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 27th March, 1992.

The House met at 8-30 A. M. of the Clock in the Assembly Chamber, DISPUR with Shri Jiba Kanta Gogoi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

বিষয়: **P. H. C. ৰ দ্বাৰা মাটি অধিগ্ৰহণ।**

শ্ৰীভূপেন ৰায়ে সুধিছে ঃ

*২২১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অভয়াপুৰি উত্তৰ সমষ্টিৰ অন্তৰ্গত বালাচৰ, কীৰ্ত্তনপাৰা, ভাণ্ডাৰা আদি ঠাইত নিৰ্মানৰ বাবে বিভাগে মাটি অধিগ্ৰহন কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা হয় উক্ত P. H. C. সমূহ কেতিয়া নিৰ্ম্মান কৰা হব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বালাচৰ আৰু ভাণ্ডাৰাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মানৰ বাবে দান হিচাবে ৰাইজৰ পৰা মাটি পোৱা হৈছে ।

(খ) ভাণ্ডাৰাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্ম্মানৰ প্ৰাক্‌কলন ইতিমধ্যে গড়কাপ্তানী বিভাগে দাখিল কৰিছে । অহা বিত্তীয় বছৰত পুঁজি সাপেক্ষে ইয়াক প্ৰশাসনিক অনুমোদন প্ৰদান কৰি স্বাস্থ্য কেন্দ্ৰটো নিৰ্মান কৰিব পৰা যাব । সেইদৰে বালাচৰ, কীৰ্ত্তনপাৰা আদিৰ প্ৰাক্‌কলন পালে পুঁজি অনুযায়ী প্ৰশাসনিক অনুমোদন প্ৰদান কৰাৰ পাচত নিৰ্ম্মানৰ কাম হাতত লব পৰা যাব ।

*শ্ৰীভূপেন ৰায়: অধ্যক্ষ মহোদয়, বালাচৰ, কীৰ্ত্তনপাৰা আৰু ভাণ্ডাৰা অঞ্চলত চৰ অঞ্চল আৰু বহুতো মানুহৰ বসতি । এই বৃহৎ এটা এলেকা

---

* Speech not corrected.

মোৰ সমষ্টিত থকা স্বত্বেও তাত কোনো স্বাস্থ্য কেন্দ্ৰ নাই। আজিৰ দিনতো এই মানুহ খিনিক চিকিৎসা সেৱা দিব নোৱাৰাতো অতি দুখঃজনক কথা। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই অঞ্চলৰ ৰাইজৰ বাবে চিকিৎসা সেৱা দিয়াৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছো যে, ঘৰৰ কাম আৰম্ভ কৰা হৈছে আৰু প্ৰাক্-কলন পোৱাৰ পিচত গড়কাপ্তানী বিভাগৰ পৰা প্ৰশাসনিক অনুমোদন দিয়া হয় আৰু ঘৰ সজা কাম আৰম্ভ হয়। অহা বিত্তীয় পুঁজি সাপেক্ষে নিশ্চয় আমি ইয়াত অগ্ৰাধিকাৰ দি ৰাইজৰ স্বাস্থ্য সেৱাৰ উন্নতিৰ কাৰণে চেষ্টা কৰিম।

* শ্ৰীভূপেন ৰায় : অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, আমাৰ দেশ স্বাধীন হোৱাৰ চুকুৰি বছৰৰ পিচতো চিকিৎসা সেৱাৰ পৰা এই চৰ অঞ্চলৰ ৰাইজ বঞ্চিত হৈ আছে। এই বিষয়টোৰ ওপৰত মন্ত্ৰী মহোদয়ে বিশেষ ভাবে গুৰুত্ব দিবনে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা হব।

* Shri Kali Ranjan Dev : Sir, I want to know from the Minister that there was a proposal for establishment of a Primary Health Centre at Chandinagar Part II and the proposal was duly considered and forwarded by the Chief Medical & Health Officer, Cachar in the year 1988.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন হলে উত্তৰ দিবলৈ সক্ষম হম।

* শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদার : অধ্যক্ষ মহোদয়, আমার নির্বাচন চক্র হাইলাকান্দিতে কোন পি, এইচ, সি আজ পর্যন্ত হয় নাই। আগামী আর্থিক ৰছরে এই এলাকায় কোন পি, এইচ, সি নেওয়া হবে কি ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এটা সুকীয়া প্ৰশ্ন হলে ভাল আছিল। তথাপি মাননীয় সদস্য জনক জনাব বিচাৰিছো যে,

---

* Speech not corrected.

আমি পি, এইচ, চিৰ কাৰণে নিশ্চয় চেষ্টা হাতত লম কিন্তু পুঁজি সাপেক্ষে। আমাৰ যিবিলাক প্ৰপজেল আছে সেই বিলাক কৰিবৰ কাৰণে পুঁজি পালে কৰাৰ বাবে চেষ্টা কৰিম।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : অধ্যক্ষ মহোদয়, এই পি, এইচ, চি বিলাক চৰকাৰে কি ভিত্তিত লয় ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন। মোৰ হাতত তথ্যপাতি নাই প্ৰশ্নতো বেলেগে আহিলে উত্তৰ দিম।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন নহয়। পি, এইচ, চি বিলাক যে দিয়া হয় কি নীতিত, কি ভিত্তিত দিয়া হয় ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সাধাৰণতে জনসংখ্যাৰ ওপৰত ভিত্তি কৰি এই পি, এইচ, চি বিলাক কৰা হয়। আৰু চিভিল হস্পিতালৰ পৰা ৩০/৩২ কিলোমিটাৰ দুৰত্বত হব লাগে। বিশেষকৈ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি এই পি, এইচ, চি বিলাক কৰা হয়।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : অধ্যক্ষ মহোদয়, কিমান জনসংখ্যা হলে পি, এইচ, চি বিলাক হব পাৰে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ৫০ হাজাৰ জনসংখ্যা লাগিব।

* শ্ৰীসুৰেন স্বৰ্গীয়াৰী : অধ্যক্ষ মহোদয়, যিবিলাক পি, এইচ, চি সম্পূৰ্ণ হৈছে সেইবিলাকত ষ্টাফ্ চেংচন দিয়া হোৱা নাই। মন্ত্ৰী মহোদয়ে ষ্টাফ্ চেংচন দিয়াৰ ব্যৱস্থা কৰিবনে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিবিলাকত নতুন পি, এইচ, চিৰ কাৰণে ষ্টাফ্ চেংচন পাইছো আৰু সেইবিলাকত ষ্টাফ নিযুক্তি দিয়াৰ বাবে ব্যৱস্থা কৰা হৈছে। কিন্তু যিবিলাকৰ বাবে পোৱা নাই বিত্ত বিভাগৰ পৰা অনুমোদন আহিলে নিশ্চয় ব্যৱস্থা লোৱা হব।

বিষয় : ৩০ খন বিচনাযুক্ত চিকিৎসালয়।

শ্ৰীএছাহক আলীয়ে সুধিছে :

* Speech not corrected.

*২২২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰে জানেনে যে জনীয়া সমষ্টিৰ অন্তৰ্গত কলগাছিয়াত ৩০ খন (ত্ৰিশখন) বিচনাযুক্ত চিকিৎসালয় স্থাপনৰ বাবে ১৯৮৪ চনত তৎকালীন স্বাস্থ্য মন্ত্ৰী ডা' ভূমিধৰ বৰ্মণ ডাঙৰীয়াই আধাৰশীলা স্থাপন কৰিছিল আৰু সেইবাবে মাটি অধিগ্ৰহন কৰা হৈছিল ?

(খ) যদি জানে উক্ত চিকিৎসালয়ৰ নিৰ্মানৰ কাম চলিত বিত্তীয় বছৰত আৰম্ভ কৰা হবনে ?

(গ) যদি হয় কেতিয়াৰ পৰা উক্ত কামটো আৰম্ভ কৰা হব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয় জানে ।

(খ) চলিত বিত্তীয় বছৰত নিৰ্মানৰ কাম আৰম্ভ কৰা সম্ভৱ নহয় ।

(গ) পুঁজি সাপেক্ষে প্ৰশাসনিক অনুমোদন পোৱাৰ পাচত কাম আৰম্ভ কৰিব পৰা যাব ।

* শ্ৰীএছাহক আলী : অধ্যক্ষ মহোদয়, মোৰ জনীয় সমষ্টিৰ অন্তৰ্গত কলগাছিয়াত এটা পি এইচ, চি আছে । সেই পি, এইচ চিখন ৩০ খন বিচনা যুক্ত হস্পিতাল কৰাৰ কাৰণে আগৰ স্বাস্থ্য মন্ত্ৰী ভূমিধৰ বৰ্মনে আধাৰশিলা স্থাপন কৰিছিল । তাৰ পিচত এ, জি, পি চৰকাৰৰ দিনত মই নিজে স্বাস্থ্য-মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী দেৱৰ ওচৰত গৈছিলো আৰু তেখেতে সেই হস্পিতাল কৰাৰ আশ্বাস দিছিল কিন্তু শেষত মিয়া অঞ্চল বাবে তাত হস্পিতাল কৰাতো বাদ দিলে । এইটো বৰ দুখৰ কথা । এইবাৰ বিত্তীয় বছৰত যদি হস্পিতাল খন নহয় তেনেহলে ৰাইজৰ অসুবিধা হব ।

মাননীয় অধ্যক্ষ : আপুনি প্ৰশ্নটো কৰক ।

* শ্ৰীএছাহক আলী : অধ্যক্ষ মহোদয়, ২/৩ লাখ জনসংখ্যা যত আছে তাত এখন ৩০ খন বিচনাযুক্ত হস্পিতাল কিয় নহয় ? চিকিৎসাৰ কাৰণে জনসংখ্যাৰ ভিত্তিত সা-সুবিধা নাপায় নেকি ? মন্ত্ৰী মহোদয়ে কৈছে যে, ৫০ হাজাৰ জনসংখ্যা হলেই এখন হস্পিতাল কৰিব পাৰি কিন্তু আমাৰ তাত ২/৩ লাখ জনসংখ্যা থকাৰ পিচতো কিয় এখন হস্পিতাল নাই জনাবনে ?

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কলগাছিয়াত থকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কাৰণে প্ৰায় ২৯ লাখ টকা প্ৰাক্‌কলন গড়কাপ্তানী বিভাগৰ পৰা আহিছে এই পি, এইচ, চিটো উন্নিত কৰাৰ কাৰণে। অহা বিত্তীয় বছৰত যদি পুঁজি পোৱা হয় তেনেহলে এই পি, এইচ, চিটো ৩০ খন বিচনা যুক্ত হস্পিতলে কৰাৰ যত্ন কৰা হব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে যিবোৰ ৩০ খন বিচনাযুক্ত হস্পিটেল সম্পূৰ্ণ হৈছে সেইবোৰ মুকলি কৰিবলৈ কিমান দিন লাগে?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, সকলো দিশৰ পৰা হস্পিটেলখন সম্পূৰ্ণ হোৱাৰ পিচত মুকলি কৰিবলৈ দিন লগাৰ প্ৰশ্ন নুঠে। কিন্তু কেতিয়াবা হস্পিটেল গৃহ সম্পূৰ্ণ হলেও পানী যোগান, বিদ্যুৎ আদিৰ কাম বাকী থাকে। আনহাতে গড়কাপ্তানী বিভাগে আমাক যেতিয়ালৈকে ঘৰটো হেণ্ড অ'ভাৰ নকৰে তেতিয়ালৈকে আমি মুকলি কৰিব নোৱাৰো। তাৰোপৰি হস্পিটেল এখন সম্পূৰ্ণ হৈ উঠিবলৈ ডাক্তৰ, নাৰ্চ, অন্য ষ্টাফ, বিচনা, ঔষধ ইত্যাদি বহুত বস্তুৰ প্ৰয়োজন হয়। যিবোৰ ৩০ খন বিচনাযুক্ত হস্পিটেল সম্পুৰ্ণ হৈছে সেইবোৰ মুকলি কৰাৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছে। মাননীয়া সদস্যা গৰাকীয়ে তেখেতৰ সমষ্টিৰ যিখন ৩০ খন বিচনাযুক্ত হস্পিটেলৰ কথা উনুকিয়াইছে সেই হস্পিটেল খন অহা ২-১ মাহৰ ভিতৰতে মুকলি কৰা হব।

* শ্ৰীমতী ৰেণুপমা ৰাজখোৱা : মাননীয় অধ্যক্ষ মহোদয়, আজি ২ বছৰ হ'ল সম্পুৰ্ণ হোৱা কিন্তু মুকলি কৰা হোৱা নাই।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ এটা তৰাবিহীন প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে ভবিষ্যতে মৰিগাওঁ জিলাৰ সদৰত ২০০ খন বিচনাযুক্ত হস্পিটেলৰ কাম আৰম্ভ কৰিব। মৰিগাওঁত থকা এম্বুলেন্সখন যোৱা ৩ মাহ ধৰি অকামিলা হৈ আছে বুলি মই গম পাইছো— এইখন কেতিয়াকৈ ঠিক কৰা হব জনাবনে? লগতে ওচৰৰ স্বাস্থ্য কেন্দ্ৰ সমূহত এম্বুলেন্স কেতিয়াকৈ যোগান ধৰা হব?

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টো নিৰ্ভৰ কৰিছে পুঁজিৰ ওপৰত। মৰিগাওঁৰ হস্পিটেলখনত থকা এম্বুলেন্স খন ভাল কৰাৰ কাৰণে চেষ্টা কৰা হৈছে।

* শ্ৰীফনীভূষণ চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে ৩০ খন বিচনাযুক্ত হস্পিটেলত কেইখন বিচনা থাকে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, নিয়মমতে ৩০ খন বিচনা থাকিব লাগে আৰু থাকেও। মাননীয় সদস্য গৰাকীয়ে যদি এই ক্ষেত্ৰত কিবা নিৰ্দ্দিষ্ট অভিযোগ দিয়ে তেন্তে তাৰ ওপৰত ব্যৱস্থা লোৱা হব।

* শ্ৰীকালীৰঞ্জন দেব : মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ (কলাইত) এখন ৩০ খন বিচনাযুক্ত হস্পিটেল মুকলি কৰা হৈছে কিন্তু তাত বিচনা দিয়া নাই। Whether Government will consider to provide some bed for treatment of the patient ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হব।

* শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, কলগাছিয়া পি, এইচ, চি খনৰ কাম সোনকালে আৰম্ভ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। প্ৰয়োজন হলে এই ক্ষেত্ৰত আমি মন্ত্ৰী মহোদয়ক চাপ্লিমেণ্টৰী বাজেট পাছ কৰি দিম, যদি মন্ত্ৰীয়ে এতিয়া টকা নাই বুলি কয়।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে চাপ্লিমেণ্টৰী বাজেট পাছ কৰি দিম বুলি কোৱাত তেখেতক মই ধন্যবাদ দিছো। পুঁজি হলেই ইয়াৰ কাম হাতত লোৱা হব। কলগাছিয়ালৈ মই নিজেও গৈছো এই বিষয়ে মই জানো।

* Shri Mission Ranjan Das ; How many P.H.C. s will be sanctioned during 1992-93. May I know from the Minister.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই

* Speech not corrected.

কথাটো নিৰ্ভৰ কৰে পুঁজিৰ ওপৰত। ১৯৯২-৯৩ চনত মুঠ ৫০ খন পি,এইচ; চি স্থাপন কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে।

( Being absent of the Honourable Questioners Starred Question No. 223 and 224 deemed to have being lapsed)

Mr. Speaker : Now Starred Question 225.

Re : **Health Guide.**

Shri Sashakamal Handique asked :

* 225. Will the Minister Health be pleased to state :

(a) The total nos. of Health Guide engaged in the State ?

(b) Whether the monthly allowances are regularly pa d to them ?

(c) Whether the present monthly rate allowance paid to them will be increased.

(d) If so, when and if not why ?

ANSWER

Shri Gautam Bora (Minister of State) replied :

(a) At present there are 11,001 Femal village Health guides in position in the State.

(b) No

(c) At present no such proposal for increasing this monthly honorarium is under consideration.

(d) Does not arise. This is a 100% Centrally sponsored schemes as such it is the Govt. of India who can take decision in the matter of increasing the monthly honorarium.

---

* Speech not corrected.

* Shri Sasha Kamal Handique : Sir, the Minister has said that no monthly allowances are regularly paid to the Health Guide. Now, may I request him to look into the matter so that they are regularly paid the monthly allowances ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই আঁচনিখনৰ শতকৰা শ ভাগেই কেন্দ্ৰীয় চৰকাৰৰ। এই ক্ষেত্ৰত মাহে ৫০ টকীয়া অনাৰেৰিয়ামটো কেন্দ্ৰীয় চৰকাৰৰ পৰাই আহে। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা সদায় মাৰ্চ মাহত টকা পাও তাৰ পিচতে তেওঁলোকক দিয়া হয়। এইবাৰো আমি এই মাহত টকা পাইছো আৰু ইয়াক দিয়াৰ ব্যৱস্থা কৰা হব।

* শ্ৰীশশকমল হান্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, আঁচনিখন কেন্দ্ৰীয় চৰকাৰৰ হয় কিন্তু ইয়াৰ প্ৰতি ৰাজ্য চৰকাৰৰ দায়িত্ব নাই নেকি ? অধ্যক্ষ মহোদয়, আমি দিনে ১০০ টকা পাও কিন্তু তেওঁলোকক মাহে মাত্ৰ ৫০ টকাৰ এলাৱেন্স এটা দিয়া হয়। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক প্ৰেছ দিব লাগে যাতে এই লেডী হেলথ গাইড সকলৰ ৫০ টকীয়া অনাৰেৰিয়ামটো বৃদ্ধি কৰা হয়।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়িত্ব নোহোৱা নহয়, আছে। মাহে ৫০ টকীয়া অনাৰেৰিয়াম কেন্দ্ৰীয় চৰকাৰে দিয়ে এই টকা বৃদ্ধিৰ কাৰণে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছে। এই গোটেই বিষয়টো নিৰ্ভৰ কৰিছে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত। কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক জনাইছে যে তেওঁলোকে বিষয়টো বিবেচনা কৰিছে। মই আশা কৰিছো এই টকা বৃদ্ধি হব।

* শ্ৰীশশকমল হান্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো সম্পূৰ্ণৰূপে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰিলেও ইয়াৰ প্ৰতি ৰাজ্য চৰকাৰৰো দায়িত্ব আছে। এই হেলথ্ গাইড সকলে সপ্তাহত দুদিনকৈ স্বাস্থ্যকেন্দ্ৰ সমূহলৈ যাব লাগে, গাৱে গাৱে গৈ স্লাইড সংগ্ৰহ কৰিব লাগে, তেওঁলোকে টুৰ ডায়েৰী

* Speech not corrected.

দিব লাগে এই ভিল্লোৰেবোল কণ্ডিচনৰ মানুহখিনিৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰেও চিন্তা কৰিব লাগে। মন্ত্ৰী মহোদয়ে জনাবনে যে কিমান টকালৈ বৃদ্ধি কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পঠাইছে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই হেলথ্ গাইড সকলৰ এইটো আচলতে চাকৰি নহয়, এক চচিয়েল চাৰ্ভিচ। তেওঁলোকে ভলণ্টেৰিলী কাম কৰিবলৈ আহে। আমি তেওঁলোকৰ অৱস্থাৰ কথা বুজি কেন্দ্ৰীয় চৰকাৰক কৈছো যে এই ৫০ টকীয়া এলাৱেন্স্‌টো মাহে ২৫০ টকালৈ বৃদ্ধি কৰিব লাগে।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, স্বাস্থ্য সহায়িকা সকলে ৫০ টকাকৈ পাই আছে বুলি কৈছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে তেওঁলোকৰ টকাটো বঢ়োৱাৰ বাবে চেষ্টা কৰা হৈছে। মই জানিব বিচাৰিছো যে, প্ৰশাসনৰ তৰফৰ পৰা তেওঁলোকক পদোন্নতি দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ? যিহেতুকে এই স্বাস্থ্য সহায়িকা সকলৰ মাজত বহুতো মেট্ৰিক পাচ, পি, উ, পাচ ইত্যাদি প্ৰাৰ্থী আছে। তেওঁলোকৰ মাজত এ, এন, এম নাৰ্চ কৰিব পৰাকৈও অৰ্হতা আছে। গতিকে এই স্বাস্থ্য সহায়িকা সকলক পদোন্নতি দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, ভিলেজ হেলথ্ গাইড সকল হৈছে ভলেণ্টাৰী প্ৰাৰ্থী। তেওঁলোকৰ কোনো ধৰা বন্ধা নাথাকে। সকলোৱে নিজৰ ইচ্ছানুযায়ী কাম কৰে। মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে, তেওঁলোকৰ মাজত যদি মেট্ৰিক পাচ প্ৰাৰ্থী আছে তেনেহলে এ, এন, এম নাৰ্চৰ ট্ৰেইনিংৰ কাৰণে যদি আবেদন কৰে তেন্তে নিশ্চয় বিবেচনা কৰি চোৱা হব।

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়ে কৈছে যে স্বাস্থ্য সহায়িকা সকল ভলেণ্টাৰী হিচাবেহে কাম কৰে। তেওঁলোকৰ কোনো ধৰা বন্ধা নাই। কিন্তু তেওঁলোকক চি, এম, এন এইচ, অ, আদিয়ে ধমকি দিবলৈ কি অধিকাৰ আছে যে অমুক দিনা কিয় নাহিল, অমুক দিনা অমুকলৈ কিয় নগল। এইটো মন্ত্ৰী মহোদয়ে বিবেচনা কৰিব নে ?

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই ভিলেজ হেলথ্ ওৰ্কাৰ খিনিৰ কোনো ধৰা বন্ধা সময় নাই। কোনো কথাই ধৰা-বন্ধা নহয়। কোনোৱা ডাক্তৰে যদি গালি শপনি পাৰিছে তেনেহলে ব্যৱস্থা লম।

* শ্ৰীমুনিন মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, এই স্বাস্থ্য সহায়িকা সকলৰ লগত আগতে পুৰুষ মানুহো আছিল। মাজতে বন্ধ কৰিলে যদিও কৰ্ণাটক চৰকাৰে আদালতৰ জৰিয়তে পুৰুষ নিয়োজিত কৰাৰ ব্যৱস্থা কৰা হ'ল। গতিকে আমাৰ ইয়াতো পুৰুষ নিয়োজিত কৰিবনে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও কৈছো এই আঁচনিটো শতকৰা ১০০ ভাগেই কেন্দ্ৰীয় চৰকাৰৰ। এই মেইল হেলথ্ গাইড বন্ধ কৰা পৰিপ্ৰেক্ষিতত ১/৭/৮৬ চনত চিঠি পঠায়। এই পুৰুষ হেলথ্ গাইড সকলক ভলেণ্টাৰিলি বিৰত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। কৰ্ণাটকে হাইকোৰ্ট কৰা পৰিপ্ৰেক্ষিতত পুনৰাই চাৰ্ভিচ দিবলৈ কৈছিল। কিন্তু অসম চৰকাৰলৈ এল, এ ৬৩/১৭৯ চিঠি যোগে সেই সকলক ভলেণ্টাৰী চাৰ্ভিচও যোগদান দিয়াৰ পৰা বিৰত ৰাখিবলৈ কোৱা হৈছে।

( Being absent of the Honourable Questioners starred Question No. 226 deemed to have been lapsed. )

বিষয় : অতিৰিক্ত ডাক্তৰ নিয়োগ।

শ্ৰীনজমূল হকে সুধিছে :

* ২২৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা চিভিল হস্পিতালত Surgical Medicine আৰু চকু চিকিৎসা বিভাগত আৰু ২ জনকৈ অতিৰিক্ত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰা হবনে ?

(খ) উক্ত চিভিল হস্পিতালৰ চকু চিকিৎসক আৰু মানসিক চিকিৎসা বিভাগৰ ডাক্তৰ ২ জন নিজেই মানসিক ভাবে বিকাৰগ্ৰস্ত হোৱা বুলি চৰকাৰে জানেনে ?

(গ) গোৱালপাৰা চিভিল হস্পিতালত নাৰ্চ আৰু এম্বুলেনস্ গাড়ী নথকাৰ কথা চৰকাৰে জানেনে ?

---

* Speech not corrected.

(ঘ) উক্ত হাস্পতালৰ জেনেৰেটৰ আজি বহুত দিনৰ পৰা বিকল হৈ থকাৰ কথা চৰকাৰে জানেনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) পৰিস্থিতি সাপেক্ষে ব্যৱস্থা লোৱা হব ।

(খ) এই বিষয়ে কোনো তথ্য নাই ।

(গ) নাৰ্চ আৰু এম্বুলেনস্ গাড়ী নাই বুলি জনা নাযায় ।

(ঘ) ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা বিকল হৈ আছে ।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে, এই পৰিপ্ৰেক্ষিতত মই মন্ত্ৰী মহোদয়ক কব খোজো যে এই গোৱালপাৰা চিভিল হস্পিতালত চাৰ্জিকেলত মাত্ৰ এজন ডাক্তৰ আছে। তেওঁৰ ওচৰলৈ চাজিকেলৰ ৰেমাৰী গলে আগতে ঘৰত ৫০০/১০০০ হাজাৰ টকা দিলেহে কেচটো লয় । তাৰ ওপৰি মনৰিকাশ অৰ্থাৎ মানষিক ৰিকাৰ গ্ৰস্ত ৰোগীৰ কাৰণে যিজন ডাক্তৰ আছে তেওঁ নিজেই মানসিক বিকাৰ গ্ৰস্ত ৰোগী । চকুৰ যিজন ডাক্তৰ আছে তেওঁ কামৰ পৰা বিৰত হৈ থাকে ৰোগী গৈ লগ ধৰিব নোৱাৰে । সেই হস্পিতাল খনত এই তিনি জনৰ বাহিৰে আৰু ডাক্তৰ দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে ? যদি ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰা হয় তেতিয়া হলে ৰোগী সকলৰ সুবিধা হব নহলে অত্যন্তই অসুবিধা হৈছে । মন্ত্ৰী মহোদয়ে জনাব নে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই গোৱাল-পাৰা চিভিল হস্পিতালখন ৬৫ খন বিচনা যুক্ত। ২০০ খন ৰিচনা যুক্ত কৰাৰ বাবে কাম চলি আছে । শতকৰা ৬০ ভাগ কাম ইতিমধ্যে হৈছে । তেতিয়া আৰু ডাক্তৰ দিব পৰা যাব । ইতিমধ্যে তাত চাৰ্জিকেল, চকু আৰু মানসিক চিকিৎসাৰ ডাক্তৰ আছেই । তাৰোপৰি মানসিক চিকিৎসাৰ ডাক্তৰজন মানসিক ৰিকাৰ গ্ৰস্ত বুলি আমি জনা নাই । আমাৰ হাতত কোনো তথ্য নাই ।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, হস্পিতালখন ২০০ বিচনা যুক্ত কৰিবলৈ লৈছে। কিন্তু এখন হস্পিতালত এতিয়ালৈকে এখন এম্বুলেন্স

* Speech not corrected.

নাই। তাৰোপৰি নাৰ্চৰ পৰিমানো অতি কম। সেয়ে অতি সোনকালে এখন এম্বুলেন্স আৰু নাৰ্চ দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নে?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা চিভিল হস্পিতালত আগতে থকা এম্বুলেন্স খন অচল অৱস্থাত আছিল যদিও ১৯৯১ চনত এ, এম, ওৱায় ৯৮৫৭ দিয়া এম্বুলেন্স খন এতিয়াও সচল অৱস্থাত আছে। তাত ২১ টা নাৰ্চৰ পদ সৃষ্টি কৰা হৈছে তাৰ ভিতৰত ১৪ গৰাকী নাৰ্চ দিয়া হৈছে। আৰু ৭ গৰাকী বাকী আছে। প্ৰশিক্ষণ প্ৰাপ্ত নাৰ্চৰ পৰিমান কম কাৰণে দিব পৰা নাই। প্ৰশিক্ষণ প্ৰাপ্ত নাৰ্চ পোৱাৰ লগে লগে তাত দিয়া হব।

* শ্ৰীআলাউদ্দিন চৰকাৰ: মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰাৰ ওচৰতে ধুবুৰী। সেয়ে এই প্ৰসংগতে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো। সকলোৱে আপত্তি কৰা স্বত্বেও কিয় শ্ৰীমেধিক তালৈ পঠোৱা হৈছে?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা সুকীয়া প্ৰশ্ন। সুকীয়াকৈ দিলে নিশ্চয় উত্তৰ দিম।

* শ্ৰীপানিৰাম ৰাভা: অধ্যক্ষ মহোদয়, এই সন্দৰ্ভতে মইও এটা প্ৰশ্ন সুধিব বিচাৰিছো যে নলবাৰীত যিখন ত্ৰিশখন বিচনাযুক্ত হস্পতালৰ নিৰ্মাণৰ কথা আছিল এইখন অহা বিত্তীয় বছৰত সম্পূৰ্ণ কৰাৰ কথা মন্ত্ৰী মহোদয়ে আশ্বাস দিব নে?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ত মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে যদি গড়কাপ্তানী বিভাগৰ পৰা প্ৰাক্‌কলন পঠাইছে তেন্তে নিশ্চয় পূজি সাপেক্ষে প্ৰশাসনীয় অনুমোদন দিয়াৰ ব্যৱস্থা কৰা হব।

* শ্ৰীনজমুল হক: অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্নৰ উত্তৰ দিয়া নাই চাৰ। গোৱালপাৰা চিভিল হস্পিতালৰ চাৰ্জিকেলৰ ডাক্তৰ জনক ঘৰত দেখা কৰি পা-পইচা আদি দিয়াৰ পিচতহে হস্পিতালত চিকিৎসা পাব পৰা ব্যৱস্থা চলি আছে সেই সম্পৰ্কত ৰোগীৰ পৰা এনেকৈ আগধন লোৱা ব্যৱস্থা সম্পৰ্কে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে?

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে কোনো অভিযোগ পোৱা নাই। এতিয়া মাননীয় সদস্যই উত্থাপন কৰিছে যেতিয়া তদন্ত কৰাৰ ব্যৱস্থা কৰিম।

বিষয় : উলুৱনিৰ ৩০ খন বিছনাযুক্ত হস্পিতাল।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

* ২২৮। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নগাওঁ জিলাৰ উলুৱনিৰ ত্ৰিশখন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত অন্তৰ্বিভাগীয় ৰোগী ১৯৯১ চনৰ মে মাহৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈ কিমান আছিল ?

(ৰোগী সকলৰ সংখ্যা ও তালিকা সদনত দাখিল কৰিব।)

(খ) এই সময়ত ৰোগী সকলক চৰকাৰী বিভাগীয় আহাৰ যোগান ধৰা হৈছিল নে ?

(গ) যদি হৈছিল আহাৰ যোগানৰ বাবদ সৰ্ব্বমুঠ কিমান টকা ব্যয় হৈছে ?

শ্ৰীজি, চি, লাংঠাচা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) ১০১ জন।

(খ) হৈছিল।

(গ) মুঠ ৩৩,৮৯৮'০০ টকা বিল পোৱা হৈছে আৰু ৪,১৪০'০০ টকা আদায় দিয়া হৈছে।

(ৰোগী সকলৰ নামৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হৈছে)

(See the Annexure— I)

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : চাৰ, মই এই প্ৰশ্নৰ এই কাৰণেই অৱতাৰণা কৰিছো যে অসমত বহুত হস্পিটালত এনেকুৱা ঘটনা ঘটি আছে। এতিয়া আমাৰ স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি জনাবনে এই আহাৰ কোনে কেনেকৈ কেতিয়া যোগান ধৰিছিল ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আহাৰ যোগান ধৰাৰ

---

* Speech not corrected.

কাৰণে জিলা স্বাস্থ্য বিষয়াই অনুমোদন জনায়। উলুৱনি ৩০ খন বিছনাযুক্ত হস্পিটালৰ কাৰণে কোনে আহাৰ যোগান ধৰিছিল সেই তথ্য বৰ্ত্তমান মোৰ হাতত নাই কিন্তু মাননীয় সদস্যই জানিব খুজিছে যেতিয়া মই নিশ্চয় তথ্য জনাম।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত: অধ্যক্ষ মহোদয়, আচলতে আহাৰ যোগান ধৰাৰ নামত ৰোগীয়ে এচামুচো আহাৰ পোৱা নাই। অথচ বিল বিলাক এনেয়ে আদায় দিয়া হৈছে। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে জুলাই মাহত ৪৪৬৪ টকা ১৯৯১ চনত আদায় দিছে। তাৰ উপৰিও একেই চনতে আগষ্ট মাহত ৪৬৫০ টকা চেপ্তেম্বৰ মাহত ৪৭৪০ টকা অক্টোবৰত দিয়া নাই নবেম্বৰত ৩৯৬০ টকা আৰু ডিচেম্বৰ মাহত ৪৪৩৪ টকা আদায় দিছে। এতিয়া কথা হৈছে কাগজ পত্ৰে টকা দি থকা হৈছে কিন্তু ৰোগীয়ে এচামুচো আহাৰ পোৱা নাই। এই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা হাতত লব জনাবনে?

* শ্ৰীগৌতম ৰয় (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই যি খন বিল ঠিকাদাৰে দিছে মুঠ ৩৩,৮৯৮ টকাৰ ভিতৰত কেৱল জুন মাহৰ টকাহে আদায় দিয়া হৈছে। বাকী টকা আদায় দিয়া হোৱা নাই। এই সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে জনোৱাৰ দৰে হয় নে নহয় অনুসন্ধান কৰি তদন্তৰ ব্যৱস্থা হাতত লম।

* শ্ৰীজয় নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, অকল উলুৱনীতে নহয় গোটেই অসমতে ৩০ খন বিছনাযুক্ত আৰু পি-এইচ-চি বিলাকত খোৱা খাদ্য যোগান ধৰাৰ ক্ষেত্ৰত খেলি-মেলি আছে। মাননীয় সদস্য মহন্ত ডাঙৰীয়াই কথাটো উল্লেখ কৰিছে গতিকে এই সম্পৰ্কত অহা ৯ তাৰিখৰ ভিতৰত তদন্ত কৰি সদনত প্ৰতিবেদন দাখিল কৰাৰ ব্যৱস্থা লবনে?

শ্ৰীগৌতম ৰয় (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই আকৌ কৈছো যে এই বিষয়ে যিহেতু প্ৰশ্ন আহিছে নিশ্চয় তদন্ত কৰি জনাম।

* ডা: কমলা কলিতা: অধ্যক্ষ মহোদয়, এই ৰোগী সকলৰ কাৰনে প্ৰতি দিনে কিমান টকা ধাৰ্য্য কৰা হৈছে মন্ত্ৰী মহোদয়ে জনাবনে?

---

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বিষয়ে মোৰ হাতত বৰ্তমান তথ্য নাই। কিন্তু মাননীয় সদস্য গৰাকী নিজে স্বাস্থ্য বিভাগৰ মন্ত্ৰী আছিল গতিকে তেখেতে নিশ্চয় এইটো জানে।

* ডা' কমলা কলিতা : অধ্যক্ষ মহোদয়, এইটো জানো কাৰণেই প্ৰশ্নটো উত্থাপন কৰিছো। কিছুদিন আগতে আমচুয়ে দুমাহ ধৰি আন্দোলন কৰিছিল আৰু তাৰ পিচত চুক্তি হৈছিল আৰু সেই মতে ৰোগী সকলৰ খাদ্যৰ হাৰ বৰ্দ্ধিত কৰাৰ কথা নিশ্চয় চৰকাৰে মানি লৈছে নেকি অথচ সেই হাৰত খাদ্য যোগান ধৰাৰ ব্যৱস্থা লোৱা নাই।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা হৈছে কিন্তু আগৰ চুক্তি মতে ১৯৯৩ চনৰ ৩১ মাৰ্চলৈকে যি ব্যৱস্থা আছিল সেইটো শেষ হোৱা নাই। তাৰ পিচত নিশ্চয় কৰিব পৰা হব।

* ডা' কমলা কলিতা : অধ্যক্ষ মহোদয়, বৰ্দ্ধিত কৰণত কিমান টকা কৰিছিল জনাবনে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো এঘাৰ টকা আছিল জনমুৰি।

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, অসমৰ প্ৰায়বোৰ হস্পিটালতে আহাৰ নিদিয়াকৈ বিল দিয়াৰ কথা চলি আছে। সেই কাৰণে গোটেই অসমৰে কথা তদন্ত কৰি সদনৰ মজিয়াত প্ৰতিবেদন দাখিল কৰিব নে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : অধ্যক্ষ মহোদয়, নিদিষ্ট অভিযোগ পালে নিশ্চয় তদন্ত কৰিম আৰু ব্যৱস্থা হাতত লম। অলপ আগতে মাননীয় সদস্য জয়নাথ শৰ্মা ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰতো তদন্ত কৰি ব্যৱস্থা হাতত লম বুলি কৈছো।

**Re : Tenders called to the all Silchar Presses.**

Shri Samarendra Nath Sen asked :

* 229. Will the Minister, Panchayat and Rural Development be pleased to state :

---

* Speech not corrected.

(a) Whether it is a fact that all the Presses of Silchar were asked to submit tenders by the Cachar Panchayat Election cell by its Memo CDC (P) 17/90/41 A dated 30-10-91 for printing of Ballot papers for Panchayat Election ?

(b) Whether it is also a fact that all the presses of Silchar submitted tenders quoting same rate for printing of Ballot papers ?

(c) If so, why Printing of Ballot Papers were alloted to one Printing Press only ?

(d) The rate of the said Press ?

* Shri Afzalur Rahman (Minister) replied :

(a) It is a fact that quotations were invited by Deputy Commissioner Silchar from the local presses for printing of Ballot papers for Panchayat Elections under Memo No. CDO (P) 17/90/41, dated 30-10-91.

(b) It is not a fact that all the Presses submitted tenders quoting the same rate for printing of Ballot Papers. The Presses had quoted different rate for same items. However on a subsequent notice calling quotation vide No. CDC (P) 12/91/1, dated 10-1-92 the Presses submitted tender at same rate.

(c) As the Ballot paper is a confidential document and as such in the interest of security & Secrecy Government decided that the Ballot papers shall be printed in the Assam Government press.

---

* Speech not corrected.

Director Printing has selected M/S Shri Chaitainya Press being and Government approved printing works of ballot papers for Silchar Sub-Division.

(d) Re. 0·96 Paise per ballot paper as fixed by Printing & stationary Department.

* Shri Samarendra Nath Sen : Honourable Minister replied that because of ballot papers are confidential documents and as such it was decided to print the same in the Assam Government Press. If so why tenders were called for all the Presses of Silchar ?

* Shri Afzalur Rahman ( Minister, Panchayat) : Government had not instructed D. C. Silchar to call for tenders but Government asked for D. C's of all the respective Districts to make preparation for Panchayat Election and take preparatory measures for the election. It is a fact that quotations were invited by the D. C. Silchar from the local presses for printing of Ballot papers for Panchayat Elections under Memo Number CDO(P) 17/90/41 dated 30.10.91.

* Shri Samarendra Nath Sen : Whether it is also a fact that all the presses of Silchar submitted tenders quoting same rate for printing of Ballot papers ?

* Shri Afzalur Rahman (Minister, Panchayat) : It is not a fact that all the presses submitted tenders quoting the same rate for printing of Ballot papers. The presses had quoted different rate for same items. However, on a subsequent notice calling quotation vide No. CDC (P) 12/91/1 dated 10-1-92 the presses submitted tender at same rate.

---

* Speech not corrected.

Shri Samarendra Nath Sen: If so, any printing of Ballot papers were allotted to one printing Press only ?

* Shri Afzalur Rahman (Minister, Panchayat): As the Ballot paper is a confidential document and as such in the interest of secrecy and security Government decided that the Ballot papers shall be printed in the Assam Government Press. Director printing and stationery was selected M/s Sri Chaitainya press being an Government approved printing works of ballot papers for Silchar Sub-division.

* Shri Samarendra Nath Sen: What is the rate of the said press ?

* Shri Afzalur Rahman (Minister, Panchayat): Rs 0.96 ps per ballot paper is fixed by P & S Department.

Shri Samarendra Nath Sen: Whether it is a fact that when the said press failed to print all the Ballot papers the Cachar Panchayat Election again alloted the Printing of Ballot papers to different presses ? If so, why ?

* Shri Afzalur Rahman (Minister): The progress of work as entrusted to M/s Shri Chaitainya Press was found to be a bit slow causing apprehension that the task may not be completed within the time schedule and hence the D. C. Cachar in consultation with the representative of Director P & S stationed at Silchar alloted some portion of the work to some local private printing presses on the risk of Deputy Commissioner.

D.C. has printed ballot papers at his own risk.

Shri Samarendra Nath Sen: Is it a fact that the tenders are called from all the presses ?

* Speech not corrected.

* Shri Afzalur Rahman (Minister Panchayat) : Sir, Government decided to print it under strict vigilance and for th s purpose it was given to a approved press.

Shri Jaganath Sinha : Honourable Minister, sir, in addition to Chaitainya Press when other are allowed to print the ballot papers.

* Shri Afzalur Rahman (Minister) : Name of the Presses is not with me. However, I shall let the Member know later on.

বিষয়ঃ জৱাহৰ ৰোজগাৰ আঁচনি

শ্ৰীজয়নাথ শৰ্ম্মায়ে সুধিছে ঃ

* ২৩০। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১-৯২ চনৰ বাবদ জৱাহৰ ৰোজগাৰ আঁচনিত কেন্দ্ৰীয় চৰকাৰৰ পৰা সৰ্ব্বমুঠ কিমান টকাৰ আবণ্টন পোৱা হৈছিল ?

(খ) জিলা ভিত্তিত উক্ত আবণ্টন ধনৰ প্ৰথম কিস্তিত কোন কোন জিলাত কিমান টকা পোৱা হল আৰু ২য় কিস্তিত কিমান টকা পোৱা হ'ল ? (জিলা ভিত্তিত)

(গ) কেন্দ্ৰীয় চৰকাৰে জৱাহৰ ৰোজগাৰ যোজনা আঁচনিৰ টকা ২য় কিস্তিত কৰ্ত্তন কৰা কথাটো সঁচানে ?

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী)য়ে উত্তৰ দিছে ?

(ক) ১৯৯১-৯২ চনৰ বাবে জৱাহৰ ৰোজগাৰ অাঁচনিত কেন্দ্ৰীয় চৰকাৰৰ পৰা মুঠ ৪০৯১,৫৭ লাখ টকাৰ আবণ্টন পোৱা হৈছিল ।

(খ) প্ৰথম আৰু দ্বিতীয় কিস্তিত জিলা অনুযায়ী আৰণ্টন দিয়া তথ্য সদনৰ মজিয়াত ৰখা হৈছে ।

(See the Annexure— II)

* Speech not corrected.

(গ) হয়, সঁচা।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, আচল কথাটো তেখেতে গোপন কৰি ৰাখিছে। চিমেণ্ট, ৰড কিনিবৰ কাৰণে বন্ধ কৰি দিছে তেনেকুৱা হেজাৰ হেজাৰ বহুতো উদাহৰণ আছে। অন্যৰ কথা মই কবলৈ নেযাও মোৰ দৰং জিলাতে বহুতো স্কুল চিমেণ্ট, ৰডৰ অভাৱত বনাব পৰা হোৱা নাই।
Sir, I quote letter No. M/PRD. 12/91/9 dated 3rd July, 1991. It is addressed to Secretary, P & RD. The content of the letter is, quote "It is understood that there will be a meeting of purchase board on 6.7.91 in Director DRDA's office. This may be postponed and I may be informed of the materials proposed to be purchased by the Department, Director, DRDA may be informed accordingly.

Sd/- Minister,
Panchayat and Rural Development.

Sir, again on 12th September, 1991 the Honourable Minister Panchayat & Rural Development vide No. M/PRD. 12/91/40 wrote to Commissioner, Panchayat & Rural Development. I quoto 'Perused the file No. DRD. 10/8/91-92. The matter should have been brought to my notice before action was taken. This may be treated as guideline.

Purchase Board meeting may be called for to dispose of the matter and decion should be communicated to the Government before action is taken in the matter.

Sd/- Minister,
Panchayat & Rural Development."

ফাইলটো বিভাগীয় মন্ত্ৰীয়ে নিজৰ লগতে ৰাখিছে। এইটো এটা ৰফচ কেলেংকাৰীৰ নিচিনা ঘটনা।

* Speech not corrected.

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) মাননীয় অধ্যক্ষ মহোদয় যিটো অৰ্ডাৰৰ কথা মাননীয় বিধায়ক জনে কৈছে সেইটো মই চাইছো। ইয়াৰ লগত বৰ্ক চ্‌ৰ কথা নাহে। এই বিভাগত দেখা গৈছে যে ৪/৫ বাৰ কটেচন দি পেলাই লাখ লাখ টকাৰ বস্তু কিনা হৈছে যিবিলাক বস্তুৰ দ্বাৰা কোনো কামত নাহে। কটেচন দি পেলাই এম, এচ ৰড কিনা ধৰা পৰিছে। এম, এচ ৰড যিখন ট্ৰাকে লৈ আহে সেই ট্ৰাকৰ বিক্ৰী হৈ গৈছে। গতিকে এই বিভাগটো ভালকৈ জানি লোৱা অত্যন্ত প্ৰয়োজন তথা সময়ৰ প্ৰয়োজন হৈছে। আমাৰ চৰকাৰ শাসনৰ গাদীলৈ অহাৰ লগে লগে মই এই বিভাগটো জানি লবলৈ সময় লব লগীয়া হৈছে। এইটো নিয়াৰিকৈ বুজিবৰ কাৰণে তিনিমাহ সময় লাগিব পাৰে। সেই কাৰণেই আজি পঞ্চায়ত বিভাগটো চৰকাৰীকৰণ কৰিব পাৰিছো আৰু বিভাগটো নিয়াৰিকৈ চলিছে। মই ডি চি সকলৰ কনফাৰেন্সত কৈছো যে এষ্টিমেটৰ বিপৰীতে এম এচ ৰড আৰু চিমেণ্ট কিনি লব পাৰে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, এইটো ইমপৰটেণ্ট কথা। মোৰ প্ৰশ্নটো হৈছে যে তিনিমাহ সময় তেখেতে ফাইলটো কিয় ৰাখি থৈছিল।

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰত কৈছোৱেই তথাপিটো মাননীয় সদস্য জনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে ল'ৱাৰ আসাম কমিচনাৰ ৰিপোৰ্টৰ মতে ৮৫ লাখ টকা খেলি মেলি দেখা গৈছে। সেই সময়ত ফলচ্‌ বিল দিছিল। সেই কাৰণে সেই টকা খিনি দিয়াৰ বাবে বন্ধ কৰি দিয়া হৈছিল আৰু মোক ষ্টাডি কৰাৰ যথেষ্ট সময়ৰ প্ৰয়োজন হৈছিল। সেই ৮৫ লাখ টকা সেই চৰকাৰৰ দিনৰ কোনোবা ৰাজনৈতিক নেতাৰ প্ৰৰোচনাত কাম নকৰাকৈ টকাটো আদায় দিয়া হৈছিল। মই বাৰে বাৰে কৈছো যে স্কীমৰ বিপৰীতে এই ফাইলটো বন্ধ কৰি ৰখা নাই।

(...... ভইচ ......)

মাননীয় অধ্যক্ষ : এইটো আগতে বি, এ ডিটো সিদ্ধান্ত লোৱা হৈছে যে প্ৰতিটো প্ৰশ্নৰ বিপৰীতে ৬ টাকৈ চাপলিমেনটৰী দিয়া হব। ইমপৰটেণ্ট কথা থাকিলে সেইটো বেলেগ কথা।

* Speech not corrected.

I can not allow any more supplementries. Now Question No. 231 Honourable Minister Shri Borgo Ram Deuri is th reply. ( at this moment Shri R. N. Kalita Shri Nagen Sarma, Shri Hiten Deka, Shri Alauddin Sarkar stood on this legs to ask supplementaries for seeking clarification from the Honourable Minister, Panchyat and Rural Development which Mr. Speaker disallowd )

বিষয়: **জনজাতীয় অনুষ্ঠানলৈ অনুদান।**

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে :

* ২৩১। মাননীয় ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) নং আই, টি, দি, পি/এন এল চি/পি, টি থাৰ্ড/৯১-৯২ ইং দিনাংক নলবাৰী ২০ আগষ্ট ১৯৯১ ইং তাৰিখে জনজাতীয় অনুষ্ঠান বেচৰকাৰী বিদ্যালয় সাংস্কৃতিক অনুষ্ঠান আদিৰ অনুদানৰ বাবে জাননী দিয়াটো চৰকাৰ অবগত নে ?

(খ) যদি অবগত হয় কোনবোৰ অনুষ্ঠানে কিমান টকাকৈ পালে ?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) আই টি দি পি/এন এল চি/পি টি-থাৰ্ড/৯১ ৯২ দিনাংক নলবাৰী ২০ আগষ্ট ১৯৯১ ইং তাৰিখৰ চিঠি সম্পৰ্কে চৰকাৰ অৱগত নহয়। কিন্তু বৰ্ত্তমানে থকা তথ্য অনুসাৰে নং আই টি দি পি/এন এল বি/পি টি- থাৰ্ড/৯১-৯২ দিনাংক নলবাৰী ২০ আগষ্ট ১৯৯১ ইং জাননীৰ জৰিয়তে নলবাৰী জিলাৰ সমষ্টিত জনজাতি প্ৰকল্প কাৰ্য্যালয়ৰ পৰা বেচৰকাৰী শিক্ষা অনুষ্ঠান, শিক্ষামুলক কামকৰা বেচৰকাৰী অনুষ্ঠান সমুহৰ পৰা অনুদান প্ৰাৰ্থনা কৰা দৰ্খাস্ত দিবলৈ জাননী দিয়া হৈছিল, অনুদান নিবলৈ অহাৰ কাৰণে এই চিঠিৰ যোগেদি কোৱা হোৱা নাছিল।

(খ) ওপৰত উল্লেখকৰা চিঠিৰ ভিত্তিত নিম্নোক্ত অনুষ্ঠান প্ৰতিষ্ঠান সমুহক সিপিঠিত উল্লেখ কৰা অনুসাৰে অনুদান দিয়া হয় :

---

* Speech not corrected.

| সাংস্কৃতিক | ধনৰ পৰিমান | গ্ৰহণৰ তাৰিখ |
|---|---|---|
| ১। শ্ৰীনবীন চন্দ্ৰ দাস সম্পাদক ডা' ভূপেন হাজৰিকা সাংস্কৃতিক সংঙ্ঘ, কচুৰাৰী। | টকা— ২,০০০/- | ৫/১০/৯১ |
| ২। অশোক কুমাৰ ৰাভা, সঃ আলাক জাৰ ৰাভা কৃষ্টি আফাত। | টকা— ২,০০০/- | ঐ |
| ৩। মাধব চন্দ্ৰ ৰড়ো সঃ খোৱালা খাবৈ অঞ্জলী আছাত গৰুৱা। | টকা— ২,০০০/- | ঐ |
| ৪। অনিমা দাস, সঃ, নং ৩ ৰবটলা লোহিতপৰীয়া মহিলা সমিতি। | টকা— ২,৫০০/- | ঐ |
| ৫। বসমী বালা দাস, সঃ, ৰূপজ্যোতি মহিলা সমিতি, ৰৰন্তোলা। | টকা— ২,৫০০/- | ঐ |
| ৬। কমলা ৰাজবংশী, সঃ নদীবপাৰ নক্তিপাৰা জনপ্ৰীয় সমিটি | টকা— ২,০০০/- | |
| | টকা— ১৩,০০০/- | |

বেচৰকাৰী শিক্ষা অনুষ্ঠান :

| | | |
|---|---|---|
| ১। মুনাপ্ৰীয়া দাস, প্ৰধান শিক্ষক, জ্ঞানদয়া প্ৰাথমিক বিদ্যালয়। | টকা— ২০,০০০/- | ১৪-১০-৯১ |
| ২। এম, দাস, সঃ, পূব তামুলপুৰ মধ্য এম, ই, স্কুল, তামুলপুৰ। | টকা— ২৫.০০০/- | ঐ |
| ৩। ৰি, ৰসুমতাৰী, প্ৰঃ শিঃ, ভটগুৰী প্ৰাইমেৰী স্কুল, কালীপুৰ। | টকা— ২৩,০০০/- | ঐ |
| ৪। এচ, ব্ৰহ্ম, প্ৰধান শিক্ষক, টুপলীয়া এম, ই, স্কুল। | টকা— ২০,০০০/- | ঐ |
| | টকা— ৮৮,০০০/- | |

ৱেচৰকাৰী প্ৰতিষ্ঠান :

| | | |
|---|---|---|
| ১। দময়ন্তী ব্ৰহ্ম, সভাপতি ১ খোৱালা চৰোৱা আজোআফাত গৰোৱা। | টকা— ১০,০০০/- | ঐ |
| ২। এচ, ৰাভা, সং, চৰনপাৰা ৰাভা সন্থা। | টকা— ১০,০০০/- | ঐ |
| ৩। অতুল দাস। সং, নং ২ কচুবাৰী | টকা— ৫,০০০/- | ঐ |
| | টকা— ২৫,০০০/- | |

(**N**o Supplimentories were asked as the Question Hour was over.)

(Starred Question Nos 232 to 240 were not taken up as the Question Hour was over. However the replies of the said Questions deemed to have been disposed of)

বিষয় : বাজাৰ ঘাটে **Handloom Production Centre** স্থাপন।

শ্ৰীপ্ৰনৱ কুমাৰ নাথে সুধিছে :

* ২৩২। মাননীয় হস্ততাত আৰু বস্ত্ৰশিল্প ৰিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ?

(ক) সমগ্ৰ আসামের কোন কোন জিলার কোন কোন স্থানে কয়টি করে হেণ্ডলোম উৎপাদন কেন্দ্ৰ আছে এবং বৰাক উপত্যকায় কোন হেণ্ডলোম উৎপাদন কেন্দ্ৰ আছে কি ?

(খ) গ্ৰামীন তাঁত শিল্প ও প্ৰস্তুত কারকদের বহুমুখী উন্নয়নের জন্য করিমগঞ্জ জিলার বাজার ঘাটে একটি হেণ্ডলোম উৎপাদন কেন্দ্ৰ স্থাপন করার জন্য বৰ্ত্তমান অৰ্থবছরে সরকার কাৰ্য্য করি সিদ্ধান্ত নেবেন কি ?

শ্ৰীৰৰ্গৰাম দেউৰী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসমৰ বিভিন্ন জিলাৰ ৰিভিন্ন স্থানত থকা হস্ততাত বস্ত্ৰ উৎপাদন কেন্দ্ৰ সমূহ এনে ধৰণৰ :

| জিলা | | ঠাইৰ নাম |
|---|---|---|
| ১। গোৱালপাৰা | — | ডুধনৈ। |
| ২। কোকৰাঝাৰ | — | দতমা, ভাতিপাৰা আৰু গোসাইগাওঁ। |
| ৩। বৰপেটা | — | পাটৰাউসী। |
| ৪। নলবাৰী | — | নলবাৰী, শোলমাৰা মছলপুৰ, ৰৰমা, বৰ্নিবাৰী আৰু ধমধমা। |
| ৫। কামৰূপ | — | চাংসাৰী। |
| ৬। নগাও | — | জাজৰী। |
| ৭। দৰং | — | ওদালগুৰি, খৈৰাবাৰী। |
| ৮। ধেমাজী | — | ধেমাজী। |
| ৯। গোলাঘাট | — | ৰঙাগড়া। |
| ১০। যোৰহাট | — | যোৰহাট। |
| ১১। কাৰ্বি আংলং | — | লাংহিং আৰু ডেনগাওঁ। |

বৰাক উপত্যকাত কোনো হস্ততাঁত বস্ত্ৰ উৎপাদন কেন্দ্ৰ বৰ্ত্তমানলৈ স্থাপিত হোৱা নাই।

(খ) বৰ্ত্তমান বিত্তীয় বছৰত কৰিমগঞ্জ জিলাৰ ৰাজাৰ ঘাটত হস্ততাঁত বস্ত্ৰ উৎপাদন কেন্দ্ৰ স্থাপন কৰাৰ কাৰ্য্যকৰী সিদ্ধান্ত লৰ পৰাটো সম্ভৱ নহব।

বিষয়: চৰকাৰী চিকিৎসালয়।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে:

* ২৩৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গুৱাহাটী মহানগৰীত মুঠতে কিমানখন চৰকাৰী চিকিৎসালয় আছে?

(খ) প্ৰতিদিনে গড়ে কিমান ৰোগীক চৰকাৰী চিকিৎসালয়ত চিকিৎসা কৰা হয়?

(গ) চৰকাৰী চিকিৎসালয়ত চিকিৎসা লোৱা একোজন ৰোগীৰ বাবে গড়ে কিমান ধন আবণ্টন দিয়া হয়?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) ১৩ খন।

---

* Speech not corrected.

(খ) প্ৰতি দিনে গড়ে ৩৭৪৭৮ জন ৰোগীক অসমৰ চৰকাৰী চিকিৎসালয়ত চিকিৎসা কৰা হয়।

(গ) ৬.৮০ টকা।

ৰিষয়: শোলমাৰা আৰু ডেৰগাওঁত ৩০ খন ৰিচনাযুক্ত চিকিৎসালয়।

শ্ৰীহেমপ্ৰকাশ নাৰায়ণে সুধিছে:

*২৩৪। মাননীয় স্বাস্থ্য ৰিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) ডেৰগাওঁ বিধান সভা সমষ্টিৰ অন্তৰ্গত শোলমাৰা আৰু ডেৰগাওঁত ৩০ খন বিচনাযুক্ত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ১৯৮৪-৮৫ চনতে নিৰ্ম্মাণ হোৱা বিষয়ে চৰকাৰে জানেনে?

(খ) যদি জানে বৰ্ত্তমান উক্ত দুখন স্বাস্থ্য কেন্দ্ৰত কেইখনকৈ বিচনা যোগান ধৰা হৈছে?

(গ) উক্ত স্বাস্থ্য কেন্দ্ৰ দুটাত নিয়মীয়াকৈ ডাক্তৰ নাৰ্চ নথকাৰ কথা আৰু দৰৱ আদি নথকাৰ কথা জানেনে?

(ঘ) যদি জানে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) জানে। ডেৰগাওঁত ৩০ খন ৰিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় আৰু শোলমৰাত ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হৈছে।

(খ) ডেৰগাওঁ গ্ৰাম্য চিকিৎসালয়ত ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয় আৰু শোলমাৰাত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ৬ খন বিছনা আছে।

(গ) এই স্বাস্থ্য কেন্দ্ৰ কেইটাত প্ৰয়োজনীয় ডাক্তৰ, নাৰ্চ আৰু দৰৱৰ যোগান ধৰা হৈছে।

(ঘ) প্ৰশ্ন নুঠে।

ৰিষয়: উন্নয়ন খণ্ড স্থাপন।

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে.

*২৩৫। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দক্ষিণ অভয়াপুৰী ৰিধান সভা সমষ্টিৰ মাবেৰ আনলা চৰ ৫ নং চৰ

* Speech not corrected.

যোগীঘোপা অঞ্চলৰ ৰাইজৰ সুবিধাৰ কাৰণে পালিৰতল ৰালাপাৰাত নতুনকৈ উন্নয়নখণ্ড খোলাৰ প্ৰস্তাৱ চৰকাৰৰ আছে নেকি ?

(খ) যদি আছে, কেতিয়া উক্ত উন্নয়ন খন্দ স্থাপন কৰা হব ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এতিয়ালৈ একো সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## Re : 'X' Ray Facility.

Shri Parameswar Brahma asked :

* 236. Will the Minister, Health & F. W. Assam be pleased to State ?

(a) Whether Government is aware that X-Ray facilities are not functioning in hospitals of Kokrajhar Dist. viz- R. N. B. Civil Hospital, /Gossaigaon, Kachugaon and Bijni Hospital ?

(b) If ao, why ?

Shri Gautam Bora, (Minister of State) : Replied :

(a) 'Yes'

(b) In R. N: B. Civil Hospital, Kokrajhar —Due to non installation of the procured X-Ray Plant by the Company.

In Gossaigaon Civil Hospital— X-Ray plant has not been purchased as yet.

In Kachugaon Hospital— Due to non existance of high power electricity line.

In Bijni Hospital— Due to non supply of accessories by the supplier.

---

* Speech not corrected.

বিষয়: ধেমাজী নগৰ মহিলা শিল্প সমিতি।

শ্ৰীদিলীপ কুমাৰ শইকীয়ায়ে সুধিছে:

* ২৩৭। মাননীয় হস্তত াঁত বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধেমাজী নগৰ মহিলা শিল্প ব্যৱসায় সমবায় সমিতিখন ভঙ্গ কৰি দি এখন তদৰ্থ সমিতি গঠন কৰা কথাটোৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত তেতিয়াহলে কি কি কাৰণত উক্ত সমিতিখন ভঙ্গ কৰি দিয়া হ'ল?

(গ) বৰ্ত্তমান কিমান গৰাকী সদস্যাক লৈ তদৰ্থ সমিতিখন গঠন কৰি দিয়া হৈছে?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) ধেমাজী নগৰ মহিলা শিল্প ব্যৱসায় সমবায় সমিতিখন ভঙ্গ কৰা হোৱা নাই। সমিতিখনৰ কাৰ্য্য পৰিচালনা সমিতিখন আপোনা-আপুনি ভঙ্গ হোৱাত সমিতিখন কাৰ্য্যনিৰ্বাহ চলায় যোৱাৰ কাৰণে তদৰ্থ সমিতি এখন গঠন কৰা বিষয়টোৰ সম্পৰ্কত চৰকাৰ অৱগত।

(খ) ১৯৯১-৯২ চনৰ সমবায় বৰ্ষত এই সমিতিখনৰ বাৰ্ষিক সাধাৰণ সভা বৈধভাৱে সুকলমে সমাপন কৰিব নোৱাৰাত পূৰ্ব বছৰৰ কাৰ্য্য পৰিচালনা সমিতিখন আপোনা-আপুনি ভঙ্গ হৈ যায়।

(গ) সমিতিখনৰ কাৰ্য্যনিৰ্বাহ চলায় যাবলৈ ৭ গৰাকী সদস্যাৰে এখন তদৰ্থ সমিতি গঠন কৰি দিয়া হৈছে।

বিষয়: ৩০ খন শয্যা বিশিষ্ট গ্ৰাম্য চিকিৎসালয়।

শ্ৰীআলাউদ্দিন চৰকাৰে সুধিছে:

* ২৩৮। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোলোকগঞ্জ সমষ্টিৰ হালাকুৰাত স্থাপিত ৩০ খন শয্যা বিশিষ্ট গ্ৰাম্য হস্পিতাল কেতিয়ালৈ মুকলি কৰা হব?

(খ) উক্ত সমষ্টিৰ আগমনিত ৩০ শয্যা বিশিষ্ট হস্পিতালখন পতাৰ বাবে চৰকাৰে ৰাইজৰ পৰা কিমান বিঘা মাটি অধিগ্ৰহণ কৰিছে?

* Speech not corrected.

(গ) হস্পিতেলখন উক্ত ঠাইত পতাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) গৃহ নিৰ্ম্মানৰ কাম সম্পূৰ্ণ হলে এই চিকিৎসালয়খন ৰোগীৰ বাবে মুকলি কৰিব পৰা হব ।

(খ) ৮ বিঘা ১ কঠা ৫ লেচা ।

(গ) গোলোকগঞ্জ সমষ্টিৰ আগমনিত বৰ্ত্তমানে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বাবে গৃহ নিৰ্ম্মান কৰা হৈছে যদিও ভবিষ্যতে ইয়াক ৩০ খন বিচনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰাৰ ব্যৱস্থা ৰখা হৈছে ।

### Re : **Transport Bus Stopped**

Shri Suren Sargiari asked :

* 239. Will the Minister of Transport be pleased to state :

(a) Whether the Government is aware that the Assam State Transport Corporation Bus running from Machkhowa via Jalah to Simla has been stopped ?

(b) If so, the reasons thereof ?

(c) Will the Government take necessary steps io run this Bus again on that route for the interest of the public.

Shri S. S. Ojah (Minister) replied :

(a) Yes.

(b) As enough passengers required for financial viability were not available, the service was discontinued.

(c) Will be considered and if viability is absered, it will be restorted.

---

* Speech not corrected.

Re : **Over loaded Truck**

Shri Derhagra Mushahary asked :

*240. Will the Minister Transport be pleased to State.

(a) Whether Government is aware of the fact that most of the trucks carrying goods of inter-states are over loaded ?

(b) If so, whether there is any Government machinery to check over loading cases of the trucks ?

(c) Whether Government proposes to enforce strictly the prohibitcy provisions of the Motor Vehicles Act. of 1988 in this behalf ?

Shri S. S. Ojha (Minister) replied :

(a) Yes, some Vehicles plying on inter-state route are over loaded.

(b) Yes, there is an enforcement wing under the control of Commissioner of Transport for regular checking of Vehicles. The Enforcement staff are posted in the district Offices as well as in the inter state check Gate viz. Srirampur & Boxirhat Check Gates for detection of various offences including cases of over loading.

(c) As per provision of the M.V. Act. 1988, Enforcement Inspectors have already been empowered to detect and compound the offences under Section 200, of M.V. Act. 1988 and over loaded cases are compounded under section 94 of M.V. 1988.

---

* Speech not corrected.

## UNSTARRED QUESTIONS & ANSWERS

বিষয়: হস্ততাঁত উৎপাদন কেন্দ্ৰ স্থাপন।

শ্ৰীজীউৰাম বড়োৱে সুধিছে:

৩২৭। মাননীয় হস্ততাঁত আৰু বোৱা-কটা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কালাইগাওঁ সমষ্টিৰ অন্তৰ্গত নিজ চিনাকোনা গাওঁত এটা উৎপাদন কেন্দ্ৰ খুলিব বিচৰাটো সঁচানে?

(খ) যদি সঁচা হয় উক্ত কেন্দ্ৰৰ বাবে কিমান টকাৰ আঁচনি গ্ৰহণ কৰিছে আৰু আঁচনিৰ কাম কেতিয়ালৈ আৰম্ভ হব?

শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) য়ে উত্তৰ দিছে:

(ক) সচা নহয়।

(খ) প্ৰশ্ন নুঠে।

বিষয়: ভোট গ্ৰহণ কেন্দ্ৰ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে:

৩২৮। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ২১ ফেব্ৰুৱাৰীত অনুষ্ঠিত পঞ্চায়ত নিৰ্বাচনত বৰপেটা জিলাত নিৰ্দ্ধাৰিত ১৩৬৮ নং অটা প্ৰাথমিক বিদ্যালয়ত ভোট গ্ৰহণ কেন্দ্ৰৰ পৰিবৰ্ত্তে প্ৰিজাইদিং বিষয়াই ১৪২৯ নং খৰমা প্ৰাথমিক বিদ্যালয়ত ভোট লোৱা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে ইয়াৰ কাৰণ কি আৰু ইয়াৰ সংশ্লিষ্ট প্ৰিজাইদিং বিষয়াৰ বিৰুদ্ধে এই বিষয়ত কিবা ব্যৱস্থা লৈছেনে?

(গ) উক্ত ভোট গ্ৰহণ কেন্দ্ৰত পুনৰ ভোট লোৱাৰ বাবে অধিকাংশ প্ৰাৰ্থীয়ে জনোৱা দাবী মতে পুনৰ ভোট গ্ৰহণ কৰা হৈছেনে?

(ঘ) যদি হোৱা নাই তাৰ কাৰণ কি?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) হয়। প্রিজাইদিং বিষয়াই ২১/২/৯৫ ইং তাৰিখে ১৪২৯ খবমা প্ৰাথমিক বিদ্যালয় ভোট গ্ৰহণ কেন্দ্ৰত ভোট লয়।

(খ) ১৪২৯ নং অটা প্ৰাথমিক বিদ্যালয় ১০৯ নং উত্তৰ পূৰ্ব বেতবাৰী গাওঁ পঞ্চায়ত সমষ্টিৰ জাননী মতে ভোট গ্ৰহণ কেন্দ্ৰ আছিল আৰু প্ৰিজাইদিং বিষয়াই উক্ত প্ৰাথমিক বিদ্যালয়ৰ নম্বৰ (১৪২৯) মতে ভোট গ্ৰহণ কৰে। সেয়েহে প্ৰিজাইদিং বিষয়াৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

(গ) নাই।

(ঘ) যিহেতু ভোট জাননী থকা ভোট গ্ৰহণ কেন্দ্ৰত লোৱা হৈছে। গতিকে পুনৰ ভোট গ্ৰহণৰ প্ৰশ্ন নুঠে।

Re: **Community Health Guide staffs.**

Shri Mission Ranjan Das, asked:

329. Will the Minister of Health be pleased to state:

(a) Whether the services of community health guide will be made permanent under P. H. C.?

(b) If so, when?

(c) The remuneration given to a C. H. Guide at present?

(d) Will the present remuneration be increased?

(c) If so, when & how much?

Shri Gautam Bora (Minister of State) replied:

(a) The village health guides are voluntary workers. As such the question of their services being made permanent does not arise.

(b) Does not arise.

(c) Rs. 50.00 as honorarium per month.

(d) At present there is no such indication from Government of India to increase the monthly,

(e) Does not arise.

বিষয়ঃ ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয়।

শ্ৰীমুনীন মহন্তয়ে সুধিছে :

৩৩০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে ?

(ক) জিলাৰ সদৰত ২০০ খন বিছনাযুক্ত অসামৰিক চিকিৎসালয় নিৰ্মানৰ বাবে চৰকাৰী নীতি আছে নে ?

(খ) যদি আছে মৰিগাওঁ নগৰত উক্ত চিকিৎসালয় কেতিয়া নিৰ্মান কৰা হ'ব ?

(গ) বৰ্ত্তমানে মৰিগাওঁ অসামৰিক চিকিৎসালয়ত ৰোগী সকলৰ বাবে থকা একমাত্ৰ এম্বুলেন্সখন কিমান দিন ধৰি অকামিলা হৈ পৰি আছে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) বৰ্ত্তমানে চৰকাৰৰ হাতত এনে প্ৰস্তাব নাই যদিও ভৱিষ্যতে পুঁজি সাপেক্ষে মৰিগাওঁত ২০০ খন বিচনাযুক্ত চিকিৎসালয় স্থাপনৰ বাবে ব্যৱস্থা লোৱা হ'ব।

(গ) এম্বুলেন্সখন প্ৰায় ৩ মাহ ধৰি অকামিলা হৈ পৰি আছে।

বিষয়ঃ মহকুমা পৰিষদৰ পাকাগৃহ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদারে জিজ্ঞাসা করছেন :

৩৩১। মাননীয় পঞ্চায়েত বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) ইহা সত্য কি যে গত ২৩।৩।৯০ ইং তারিখে হাইলাকান্দি জেলার উপায়ুক্তের নির্দ্দেশে মহকুমা পরিষদের পাকা গৃহ ভাঙ্গা হয় ?

(খ) এইগুলো পাকাগৃহ অবৈধভাবে নির্ম্মাণ করা হয়েছেন কি ?

(গ) যদি অবৈধ ভাবে নির্ম্মান করা নাহয় তবে সরকারী টাকায় নির্মিত পরিষদের গৃহ ভাঙ্গার জন্য তখন কার উপায়ুক্তের বিরুদ্ধে কোন ব্যৱস্থা সরকার নিয়েছেন বা নিবেন কি ?

শ্ৰীআফজালুর রহমান (মন্ত্ৰী) য়ে উত্তর দিছেন :

(ক) হ্যা। নির্ম্মান কার্য্য চলিতে থাকা অবস্থায় পাকা গৃহের প্রবেশ পথের অংশ ভাঙ্গা হয়।

(খ) তদন্ত চলিতেছে।

(গ) এই বিষয়ে বরাক উপত্যকার আয়ুক্তকে তদন্তের ভার দেওয়া হইয়াছে।

বিষয় : চিকিৎসা মহাবিদ্যালয় ।

শ্ৰীবুবুল দাসে সুধিছে :

৩৩২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

বৰ্ত্তমান অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয় আৰু চিভিল হস্পিটেল সমূহত নিয়মীয়াকৈ X Ray প্লেট আৰু জীৱন দায়িনী (Life Saving) ঔষধ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীগৌতম বৰা, (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয় আৰু চিভিল হস্পিতেল সমূহত X Ray প্লেট আৰু জীৱন দায়ীনী ঔষধ (Life Saving) নিয়মীয়াকৈ যোগান ধৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

বিষয় : A.C.D.P.G. ৰ প্ৰমোচন ।

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে :

৩৩৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সমাজ কল্যাণ বিভাগৰ বিভিন্ন I.C.D.S. ৰ অফিচত কাম কৰি থকা A.C.D.P.O. সকলে জেষ্ঠতাৰ ভিত্তিত Promotion ৰ বাবে কৰা আবেদনৰ বিষয়ে চৰকাৰ অবগতনে ?

(খ) যদি অৱগত হয় A.C.D.P.O. সকলোৰ Promotion ব্যৱস্থা কেতিয়া লব ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, অৱগত ।

(খ) বিবেচনাধীন হৈ আছে ।

বিষয় : বৰমাত পৰিবহন বাছ আস্থান ।

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে :

৩৩৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমাত ৰাজ্যিক পৰিবহন নিগমৰ বাছ আস্থান নিৰ্ম্মাণৰ আঁচনি চৰকাৰৰ হাতত আছেনে ?

(খ) যদি আছে ১৯৯২ চনৰ মাৰ্চ মাহৰ ভিতৰত নিৰ্ম্মানৰ কাম সম্পূৰ্ণ হবনে ?

শ্ৰীশিৱশম্ভূ ওজা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আস্থান নিৰ্ম্মানৰ আঁচনি নিগমৰ হাতত আছে।

(খ) নিৰ্ম্মানৰ কাম আৰম্ভ কৰাত বিলম্ব হোৱাৰ বাবে ১৯৯২ চনৰ মাৰ্চ মাহত এই কাম শেষ নহব কিন্তু চলিত বছৰৰ মাজ ভাগত কাম শেষ হোৱাৰ সম্ভাবনা আছে।

বিষয় : ব্লক স্থাপন।

শ্ৰীপ্রনব কুমার নাথে জিজ্ঞাসা করছেন :

৩৩৫। মাননীয় পঞ্চায়ত বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) প্রতিটি নির্ব্বাচন এলাকায় কয়টি করে ব্লক স্থাপন করার সিদ্ধান্ত সরকার নিয়েছেন ?

(খ) দক্ষিন করিমগঞ্জ বিধান সভা নির্ব্বাচন এলাকায় প্রকৃতপক্ষে কোন ব্লক নাই, এ ব্যাপারে সরকার অবহিত আছেন কি ?

(গ) যদি অবহিত আছেন, কি কি কার্য্যকরী ৰ্যৱস্থা নিয়েছেন ?

শ্ৰীআফজালুর রহমান (মন্ত্রী) য়ে উত্তর দিছেন :

(ক) দুইটি করে।

(খ) সরকারের ৬।৪।৯০ তারিখের নং পি, ডি, বি ৭০/৮৫/২৩৫, অধিসূচনা মারফৎ দক্ষিন করিমগঞ্জ বিধানসভা সমষ্টি এলাকার বাজারঘাটে একটি নুতন উন্নয়ন খণ্ড স্থাপনের সিদ্ধান্ত নিয়েছেন।

(গ) অর্থ সাপেক্ষে এই সিদ্ধান্ত কার্য্যকরি করার ব্যবস্থা নেওয়া হবে।

বিষয় : কয়াকুছি প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণ।

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৩৩৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৬১৫ নং নতুন কয়াকুছি প্ৰাথমিক বিদ্যালয়ৰ খৃহ নিৰ্ম্মানৰ কাম কোন চনত আৰম্ভ কৰা হৈছ

(খ) গৃহ নিৰ্ম্মানৰ কাম সম্পূৰ্ণ হৈছেনে ?

(গ) যদি হোৱা নাই তাৰ কাৰণ কি ?

(ঘ) গৃহ নিৰ্ম্মানৰ মঞ্জুৰীৰ ধন আদায় দিয়া হৈছেনে ?

শ্ৰীআফজালুৰ ৰহমান মন্ত্ৰীয়ে উত্তৰ দিছে :

(ক) ১৯৮৭ চনৰ মাৰ্চ মাহত আৰম্ভ কৰা হৈছিল।

(খ) সম্পূৰ্ণ হোৱা নাই।

(গ) স্কুল ঘৰ নিৰ্ম্মাণৰ বাবে প্ৰয়োজনীয় টিনপাত খিনি সেই সময়ৰ স্থানীয় কাউন্সিলাৰ তথা খণ্ড পৰ্য্যায়ৰ সমিতিৰ সদস্য শ্ৰীৰাছেৰ চৌধুৰীৰ দায়িত্বত তেখেতৰ ঘৰত ৰখা হৈছিল। কিন্তু তেখেতসকলে টিনপাত নিদিয়া বাবে স্কুলঘৰটোৰ বাৰান্দাৰ টিনপাত লগাব পৰা নাই। বাৰান্দাৰ টিনপাত লগোৱাৰ বাহিৰে বাকী কাম সম্পূৰ্ণ কৰা হৈছে।

(ঘ) গৃহ নিৰ্ম্মানৰ বাবে মঞ্জুৰী হোৱা ৪৫,০০০/- টকাৰ ভিতৰত ৪৩,১২৫/- টকা ইতিমধ্যে ব্যয় কৰা হৈছে আৰু ১,৮৭৫/- টকা বেংকত জমা আছে।

বিষয় : চিকিৎসালয় নিৰ্ম্মান।

শ্ৰীভূপেন ৰায়ে সুধিছে :

৩৩৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অভয়াপুৰি উত্তৰ সমষ্টিৰ অন্তৰ্গত জলেয়া কীৰ্ত্তনপাৰা বালাচৰ কাছাৰী-পেট, গোৱালপাৰা, দক্ষিণ বিজনী, হাপাছাৰা আদি গাওঁ পঞ্চায়তৰ বাইজৰ বাবে চৰকাৰে চিকিৎসালয় নিৰ্ম্মানৰ প্ৰস্তাৱ হাতত লৈছে নেকি ?

(খ) যদি লোৱা নাই সেই সকল ৰাইজৰ বৰ্ত্তমান চৰকাৰৰ সময়ছোৱাত চিকিৎসালয় নিৰ্ম্মান কৰি দিয়াৰ ব্যৱস্থা হাতত লবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰস্তাৱ আছে।

(খ) প্ৰশ্ন নুঠে।

বিষয় : পৰিবহন নিগমৰ বাছৰ সংখ্যা।

শ্ৰীএছাহাক আলীয়ে সুধিছে :

৩৩৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যিক পৰিবহন নিগমৰ মুঠ বাছৰ সংখ্যা কিমান ?
(খ) তাৰে ভিতৰত কিমানখন কামত ব্যৱহাৰ হৈ আছে ?

শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ২৯।২।৯২ তাৰিখলৈকে মুঠ বাছৰ সংখ্যা হ'ল ৮৭১ খন।
(খ) ২৯।২।৯২ তাৰিখলৈকে দৈনিক গড়ে ৫৪৬ খন বাছ চলি আছে।

বিষয় : প্ৰাইমেৰী স্কুলৰ গৃহনিৰ্ম্মাণ।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

৩৩৯। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ গোবৰ্দ্ধনা উন্নয়ন খণ্ডৰ অন্তৰ্গত নিম্নলিখিত প্ৰাইমেৰী স্কুল সমূহৰ গৃহ নিৰ্ম্মানৰ কাম কেতিয়া আৰম্ভ কৰা হৈছিল ?

১। ৪০৮ নং মৈৰাজান পথাৰ প্ৰাইমেৰী স্কুল।

২। ১১৩৯ নং অটা প্ৰাইমেৰী স্কুল।

(খ) কি কাৰনত নিৰ্ম্মান কাৰ্য্য আজিও সম্পুৰ্ণ হোৱা নাই ?
(গ) কেতিয়া নিৰ্ম্মান কাৰ্য্য সম্পূৰ্ণ হব ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১। ১৯৯১ চনৰ ২০ মাৰ্চত।
২। ১৯৮৮ চনৰ ১২ এপ্ৰিলত।

(খ) নিৰ্ম্মান সামগ্ৰী একে সময়তে যোগান ধৰিব নোৱাৰাৰ বাবে আৰু স্কুল-ঘৰটোৰ নিৰ্ম্মান সমিতিৰ মাজত দেখা দিয়া কিছুমান মতানৈক্যৰ বাবে কিছুদিন কাম বন্ধ কৰিব লগা হৈছিল।

(গ) উক্ত কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

**Re: Posting of O. S. D.**

Shri Sashakamal Handique asked :

340. Will the Minister of Health be pleased to state ?

(a) When the post of officer on Spl. Duty of the Department of Health has been created ?

(b) The reasons for creation of the said post ?

(c) The right and duties of this officer ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)
(খ) অ, এছ, দি পদ সৃষ্টি আৰু নিযুক্তিৰ বাবে লোৱা চৰকাৰৰ সিদ্ধান্ত
(গ) বৰ্ত্তমানে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে।

বিষয় : বৰপেটা জিলাৰ প্ৰাইমেৰী স্কুলৰ গৃহ নিৰ্মাণ।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

৩৪১। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰপেটা জিলাৰ ৰূপহী উন্নয়ন খণ্ডৰ পূব চাহপুৰ প্ৰাইমেৰী স্কুলৰ গৃহ নিৰ্মানৰ কাম কেতিয়া আৰম্ভ কৰা হৈছিল ?

(খ) এই গৃহ নিৰ্মানৰ বাবে কিমান (চি আই চিট্) দিয়া হৈছিল ?

(গ) উন্নয়ন খণ্ডই যোগান ধৰা (চি আই চিট্) এই ঘৰটোত ব্যৱহাৰ হৈছেনে ?

(ঘ) স্কুলত লগোৱা (চি আই চিট্) আৰু উন্নয়ন খণ্ডই যোগান ধৰা (চি আই চিট্) যে একে নহয় এই বিষয়টো চৰজমিন তদন্ত কৰি চোৱাৰ ব্যৱস্থা কৰিবনে ?

(ঙ) গৃহ নিৰ্মানৰ কাম আজিও সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী)য়ে উত্তৰ দিছে .

(ক) ১৯৮৭ চনৰ ১ মাৰ্চত আৰম্ভ কৰা হৈছিল।

(খ) ২৭ খিলা ১০ ফুট দৈৰ্ঘ্যৰ টিনপাত আৰু ১২১ খিলা ৮ ফুট দৈৰ্ঘ্যৰ টিনপাত দিয়া হৈছিল।

(গ) আটাইখিনি হোৱা নাই।

(ঘ) কৰা হব।

(ঙ) নিৰ্মানৰ দায়িত্বত দিয়া গ্ৰুপ লিডাৰজন কৰ্ম দক্ষতাৰ অভাৱ আৰু কিছু কাৰিকৰী অসুবিধাৰ বাবে নিৰ্মান কাৰ্য্য সম্পূৰ্ণ হোৱা নাই।

বিষয় : অসম গাওঁ পঞ্চায়তৰ সংখ্যা।

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে :

৩৪২। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমান গাওঁ পঞ্চায়তৰ সংখ্যা কিমান ?

(খ) প্ৰত্যেক গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় আছেনে ?

(গ) যদি নাই, গাওঁ পঞ্চায়তৰ কাৰ্য্যালয়ৰ নিৰ্মাণৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছেনে ?

(ঘ) নৱ-নিৰ্বাচিত পঞ্চায়তৰ সদস্য/সভাপতি সকলক কেতিয়াৰ পৰা দৰমহা দিয়া হ'ব ।

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান অসমত গাওঁ পঞ্চায়তৰ সংখ্যা হৈছে ২৪৮৫ খন ।

(খ) নাই। যিহেতু ভালে সংখ্যক গাওঁ পঞ্চায়ত নতুনকৈ গঠন কৰা হৈছে।

(গ) প্ৰতিখন গাওঁ পঞ্চায়তৰ কাৰ্য্যালয় নিৰ্মাণৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে।

(ঘ) পঞ্চায়তৰ সদস্য/সভাপতি/উপ-সভাপতি সকলক তেওঁলোকে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰে পৰা মহকুমা পৰিষদ/আঞ্চলিক পঞ্চায়ত/গাওঁ পঞ্চায়তৰ নিজৰ পুঁজিৰ পৰা পাৰিতোষিক দিয়াৰ ব্যৱস্থা অসম পঞ্চায়তী ৰাজ (প্ৰশাসনীয়) নিয়মাৱলীত আছে ।

বিষয় : **পৰিবহন বিভাগৰ ক্ষতি ।**

শ্ৰীনজমুল হকে সুধিছে ঃ

৩৪৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনৰ ৩০ জুনৰ পৰা ২৯ ফেব্ৰুৱাৰী ১৯৯২ চনলৈকে ৰাজ্যিক পৰিবহন নিগমৰ মুঠ ক্ষতিৰ পৰিমান কিমান টকা ?

(খ) চলিত বিত্তীয় বছৰত ৰাজ্যিক পৰিবহন নিগমে মুঠ কিমানখন নতুন বাছ কিনিছে আৰু সেইবোৰ বাছ কোন জিলাত কিমানখন দিয়া হৈছে ?

(গ) যাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত অবিভক্ত গোৱালপাৰা জিলাৰ চনাৰী, ফকিৰগঞ্জ আৰু মানকাচৰত ৰাজ্যিক পৰিবহন নিগমৰ বাছ বঢ়াই দিয়া হ'বনে ?

শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ ৩০ জুনৰ পৰা ২৯ ফেব্ৰুৱাৰী ১৯৯২ চনলৈকে পৰিবহন নিগমৰ

cash lessৰ পৰিমান প্ৰায় ৫৫২ লাখ টকা আৰু Net lossৰ পৰিমাণ প্ৰায় ৮৫০ লাখ টকা।

(খ) চলিত বিত্তীয় বছৰত ৰাজ্যিক পৰিবহন নিগমে ৮৫ খন নতুন চেচিচ (chassises) কিনিছে। তাৰে সম্পূৰ্ণ হোৱা ১১ খন বাছ অসমৰ পৰিবহন নিগমৰ বিভিন্ন সংমণ্ডলক (Division) আৱণ্টন কৰা হৈছে। কোনো জিলা ভিত্তিত আৱণ্টন কৰা নহয়।

| সংমণ্ডল | ষ্টেচন | বাছৰ সংখ্যা |
|---|---|---|
| ১। যোৰহাট | (যোৰহাট, শিৱসাগৰ) | ৩ খন |
| ২। শিলচৰ | (শিলচৰ) | ১ খন |
| ৩। বঙাইগাওঁ | (কোকৰাঝাৰ) | ১ খন |
| ৪। তেজপুৰ | তেজপুৰ | ১ খন |
| ৫। গুৱাহাটী | (গুৱাহাটী, গোৱালপাৰা) | ৩ খন |
| ৬। তিনিচুকীয়া | (তিনিচুকীয়া, ডিব্ৰুগড়) | ২ খন |
| | | মুঠ ১১ খন |

(গ) বিবেচনা হৈ আছে।

বিষয়: যাত্ৰীবাহী ফেৰী চাৰ্ভিচ।

শ্ৰীনজমুল হকে, সুধিছে :

৩৪৪/ মাননীয় পৰিবহন মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) আভ্যন্তৰীণ জল পৰিবহন বিভাগে চুনাৰীৰ পৰা বিলাসীপাৰা আৰু জলেশ্বৰৰ পৰা ধুবুৰীলৈকে যাত্ৰী বাহী ফেৰী চাৰ্ভিচ প্ৰৱৰ্ত্তন কৰাৰ ব্যৱস্থা কৰিবনে ?

(খ) অসম চৰকাৰে জলপৰিবহন নিগমৰ জৰিয়তে গুৱাহাটীৰ পৰা আৰু কৰিমগঞ্জৰ পৰা কলিকতালৈকে (Commercial Service) বানিজ্যিক সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিবনে ?

(গ) অসম চৰকাৰৰ আভ্যন্তৰীণ জলপৰিবহন নিগমৰ মুঠ কিমানখন নাওঁ আৰু জাহাজ আছে ?

শ্ৰীশিৱশন্তু ওজা (মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) এই প্ৰস্তাৱটো পৰীক্ষা কৰি থকা হৈছে।

(খ) গুৱাহাটী, কলিকতা ৰাণিজ্যিক সেৱা চলি আছে আৰু কৰিমগঞ্জ কলিকতা সেৱাৰ কাৰণে পৰীক্ষা কৰি থকা হৈছে।

(গ) ১৯০ খন।

বিষয়: আন্তঃজিলা বাছৰ পাৰমিত।

শ্ৰীনজমুল হকে সুধিছে:

৩৪৫/ মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাৰ দক্ষিণপাৰৰ একমাত্ৰ যোগাযোগ ৰক্ষাকাৰী ৰাস্তাত অৰ্থাৎ গোৱালপাৰাৰ পৰা কাৰাইখোৱা হৈ তালতোলা চুনাৰিলৈ যোৱা পথটোত কিমান সংখক আন্তঃজিলা বাছৰ পাৰমিত দিয়া হৈছে ?

(খ) উক্ত ৰাস্তাইদি বাছবোৰ নিয়মীয়াকৈ চলাচল কৰিছেনে ?

(গ) যদি কৰা নাই তেন্তে উক্ত বাছ সমুহৰ পাৰমিট ৰ'দ কৰা হৈছেনে ?

(খ) যদি উক্ত ৰাস্তাত বাছৰ সংখ্যা কম তেন্তে নতুনকৈ বাছৰ পাৰমিত দিয়াৰ কোনো ব্যৱস্থা আছে নেকি ?

শ্ৰীশিৱশম্ভু ওজা (মন্ত্ৰী)য়ে উত্তৰ দিছে:

(ক) গোৱালপাৰা পৰা কাৰাইখোৱা হৈ তালতোলা চুনাৰীলৈ যোৱা পথত মুঠ ৯ খন আন্তঃজিলা বাছৰ পাৰমিত দিয়া হৈছে।

(খ) নাই কৰা। আন্তঃজিলা বাছ মালিক সন্থাই উক্ত ৰাস্তাত দিনে মাত্ৰ দুখনকৈ বাছ চলাই আছে।

(গ) পাৰমিট ৰ'দ কৰা হোৱা নাই। কিন্তু পাৰমিতত সন্নিবিষ্ট কৰা নিয়ম নীতি উলঙ্ঘা কৰা গাড়ীৰ মালিক সকলক ইতিমধ্যে জৰিমনা কৰা হৈছে। নিয়ম নীতি উলঙ্ঘা কৰা গড়ী সমূহৰ পাৰমিট ৰ'দ কৰা নকৰা বিষয়টো আঞ্চলিক পৰিবহন প্ৰাধিকাৰীৰ পৰবৰ্ত্তি সভাত সিদ্ধান্ত লোৱা হব।

(ঘ) সেই অঞ্চলৰ ৰাইজৰ ওজৰ আপত্তি হলে যাত্ৰীৰ চাহিদালৈ লক্ষ্য ৰাখি বাছৰ সংখ্যা বৃদ্ধি কৰিব পৰা যাব।

বিষয়: চৰকাৰী নিৰ্দেশ।

শ্ৰীজয়নাথ শৰ্ম্মায়ে সুধিছে:

৩৪৬/ মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পি, ডি, এ ৯৯/৮৬/৩৭ তাং ৪।৮ ৮৬ নম্বৰ নিৰ্দেশত কি আছে আৰু চৰকাৰৰ এই দিৰ্দ্দেশত কাৰ্য্যকৰী হৈছেনে ?

(খ) ওপৰোক্ত প্ৰসঙ্গত মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ে চিভিল ৰুল নং ৫০২/৮৬ আৰু ৬৮৫/৮৮ মৰ্মে কি নিৰ্দেশ দিছে ?

(গ) এই দুয়োটা নিৰ্দেশ কাৰ্য্যকৰী হল নে ?

(ঘ) বালিকুছি বজাৰৰ নামত কিমান মাটি আছে ?

(ঙ) এই বজাৰখন শুক্ৰবাৰে বহিব লাগেনে ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) চৰকাৰৰ পি, ডি, এ ৯৯/৮৬/৩৭ তাং ৪/৮/৮৬ ইং নম্বৰ নিৰ্দেশত বালিকুছি সাপ্তাহিক পশু বজাৰখন শুক্ৰবাৰে বহাৰ নিৰ্দেশ আছিল, যদিহে ৰাজহ বিভাগৰ পৰা মাটি আবণ্টন পায় আৰু উপায়ুক্তয়ে অনুমোদন দিয়ে। হোৱা নাই।

(খ) মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ চিভিল ৰুল নং ৫০২/৮৬ নিৰ্দেশত আবেদনকাৰীৰ পিটিচন বাতিল কৰে। কিন্তু ইচ্ছা কৰিলে পিটিচনাৰ চৰকাৰৰ ওচৰ চাপিব পাৰে।

চিভিল ৰুল নং ৬৮৫/৮৮ মৰ্মে ২।৫।৮৮ তাৰিখে বালিকুছি সাপ্তাহিক পশু বজাৰখন শুক্ৰবাৰে বহিবলৈ নিৰ্দেশ দিছিল, কিন্তু মাননীয় উচ্চ ন্যায়ালয়ৰ ৬।১১।৯১ তাৰিখৰ হুকুমযোগে বজাৰখন শনিবাৰে বহিবলৈ দিয়া হৈছে।

(গ) দুয়োটা নিৰ্দেশ কাৰ্য্যকৰীকৰণৰ বাবে সংশ্লিষ্ট গাওঁ পঞ্চায়ত তথা মহলদাৰক নিৰ্দেশ দিয়া হৈছিল। কিন্তু ৰাইজে আগৰদৰে বজাৰ চলাই আছে। সেয়েহে কাৰ্য্যকৰী নহল।

(ঘ) নাই, বজাৰখন চৰকাৰী মাটিত চলি আছে।

(ঙ) নহয়। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মিচিলিনিয়াছ কেছ ৭১১।৮৮ চিভিল ৰুল ৬৮৫/৮৮ ৰ ৬।১১।৯১ ইং তাৰিখৰ নিৰ্দেশ মৰ্মে শনিবাৰে বহিব লাগে।

বিষয় : বাগানপাৰা **P.H.C.** ত ডাক্তৰৰ অভাৱ।

শ্ৰীপানী ৰাম ৰাভায়ে সুধিছে :

৩৪৭। মাননীয় স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিৰ বাগানপাৰা P.H.C. নিমাটি P.H.C. আঙ্গাৰধোৱা P.H.C. ত ১/২ বছৰে ডাক্তৰ নোহোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা, কেতিয়াকৈ ডাক্তৰ দিয়াৰ ব্যৱস্থা লব ?

(গ) বৰমাত এখন ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় স্থাপন কৰাটো সঁচানে ?

(ঘ) যদি সঁচা হয় কেতিয়াকৈ ইয়াৰ কাম সম্পূৰ্ণ হব ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) যে উত্তৰ দিছে :

(ক) বাগানপাৰা PHC আৰু নমাটি PHC ত ডাক্তৰ নোহোৱা কথাটো সঁচা, কিন্তু আঙ্গাৰধোৱা PHC ত ডাক্তৰ আছে ।

(খ) যিবোৰ ঠাইত বৰ্তমান ডাক্তৰ নাই তাত ডাক্তৰ দিয়াৰ ব্যৱস্থা লোৱা হৈছে ।

(গ) সঁচা ।

(ঘ অহা বিত্তীয় বছৰত গড়কাপ্তানী বিভাগৰ জৰিয়তে বাকী থকা কাম সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা লোৱা হব ।

বিষয় : অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ চালু ।

শ্ৰীপ্ৰণব কুমাৰ নাথে জিজ্ঞাসা করছেন :

৩৪৮। মাননীয় পরিবহন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ?

(ক) সকাল বেলা নয়ঘটিকার সময় কালীবাড়ী হতে রামকৃষ্ণ নগরে বাজার ঘাট কানাইবাজার হয়ে করিমগঞ্জ একটি নতুন এ, এছ, টি, চি বাছ চালু করার জন্য সরকার কি ব্যবস্থা নিয়েছেন ?

(খ) রেল যোগাযোগ নাথাকা কালীবাড়ী দরগারবন্দ, গানারিযা আনন্দপুর নেতাজী নগরে, চামালা প্রভৃতি অনুন্নত এলাকার ছাত্র-ছাত্রী অফিচ যাত্রী ও জনসাধারণের সুবিধার্থে একটি নতুন বাস সার্ভিচ চালু করার কি ব্যবস্থা নিয়েছেন ?

শ্ৰীশিরসম্ভু ওজা (মন্ত্রী) দেরে উত্তর দিছেন :

(ক) বর্তমানে এই রকম কোনো প্রস্তাব নেই ।

(খ) উল্লেখিত এলাকার পরিবহনের বিশেষ সমস্যার প্রতি লক্ষ্য রেখে অসম রাজ্যিক পরিবহন নিগম কর্তৃপক্ষ ভবিষ্যতে বাছ সেবা প্রবর্তনের প্রতি বিচার করিবে ।

বিষয় : খৰমুজা খণ্ড উন্নয়ন কাৰ্য্যালয়।

শ্ৰীনজমুল হকে সুধিছে :

৩৪৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত নতুন কৈ গঠন কৰা খৰমুজা খণ্ড উন্নয়ন কাৰ্য্যালয়ৰ স্থায়ী কাৰ্য্যালয়ৰ ঠাই নিৰ্ণয়ৰ বাবে স্থানীয় বিধায়কে মুখ্য-মন্ত্ৰীৰ ওচৰত দাখিল কৰা আবেদন মৰ্মে পঞ্চায়ত কমিচনাৰক দিয়া তদন্তৰ নিৰ্দ্দেশ কাৰ্য্যকৰী হৈছেনে ?

(খ) যদি হোৱা নাই ইয়াৰ কাৰণ কি আৰু অতি সোনকালে ইয়াক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিবনে ?

(গ) উক্ত খণ্ড উন্নয়ন কাৰ্য্যালয় বৰ্ত্তমান কোন ঠাইত কাৰ ঘৰত চলি আছে ?

শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) তদন্তৰ নিৰ্দেশ গোৱালপাৰা জিলাৰ উপায়ুক্তক দিয়া হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) উক্ত উন্নয়ন খণ্ডৰ কাৰ্য্যালয় খৰমুজাত জনস্বাস্থ্য আৰু পৰিয়াল কল্যান বিভাগৰ ঘৰ এটা মেৰামতি কৰি চলাই থকা হৈছে।

বিষয় : অঙ্গনবাদী কৰ্মী আৰু সহায়িকা নিয়োগ।

শ্ৰীমুনিন মহন্তয়ে সুধিছে :

৩৫০। মাননীয়, সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) সমাজ কল্যান বিভাগত অসমত কাম কৰি থকা অঙ্গনবাদী কৰ্মী আৰু সহায়িকা সকলক পূৰ্ণপৰ্য্যায়ৰ চৰকাৰী চাকৰিয়াল হয়নে ?

(খ) যদি নহয় কিয় পূৰ্ণপৰ্য্যায়ৰ কৰা হোৱা নাই ?

(গ) চৰকাৰে অঙ্গনবাদী কৰ্মী আৰু সহায়িকা সকলৰ চাকৰী স্থায়ীকৰণ কৰি চৰকাৰী হাৰত মাহিলী দৰ্মহা আৰু বানচ আদায় দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিবনে ?

(ঘ) যদি কৰে কেতিয়াৰ পৰা প্ৰযোজ্য হৰ ?

শ্ৰীকুল বাহাদুৰ ছেত্ৰী (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নহয়।

(খ) সংহত শিশু উন্নয়ন সেৱা আঁচনিখন সৰ্বভাৰতীয় আচনি আৰু কেন্দ্ৰীয় চৰকাৰেহে অঙ্গনাবাদী কৰ্মী আৰু সহায়িকাসকলৰ Honorarium ৰ সকলো খৰছ বহন কৰে। গতিকে ৰাজ্য চৰকাৰে তেওঁলোকৰ চাকৰি পূৰ্ণপৰ্য্যায়ৰ কৰিব নোৱাৰে।

(গ) যেহেতু উক্ত আঁচনিখন সৰ্বভাৰতীয়, সেয়েহে কেন্দ্ৰীয় চৰকাৰেহে এই বিষয়ে সিদ্ধান্ত লব পাৰে।

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় : ৩০ খন বিচনাযুক্ত হস্পিতালৰ আঁচনি।**

শ্ৰীনিজামুদ্দিন খানে সুধিছে :

৩৫১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নতুনকৈ ৩০ খন বিছনাযুক্ত হস্পিতাল স্থাপনৰ আঁচনি চৰকাৰৰ হাতত আছেনে ?

(খ) যদি আছে কিমানখন হস্পিতাল স্থাপন কৰা হব ?

(গ) বৰপেটা জিলাত কিমানখন খোলা হব ?

(ঘ) বৰপেটা জিলাৰ কয়াকুছিত স্থাপনৰ কিবা আঁচনি আছে নে ?

(ঙ) যদি নাই লোৱা হবনে ?

শ্ৰীগৌতম বৰা (বাজিক্য মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, আছে।

(খ) ইংৰাজী ২০০০ চনৰ ভিতৰত ২১৪ খন ৩০ খন বিছনাযুক্ত হস্পিতাল স্থাপনৰ লক্ষ্য আছে।

(গ) পুজি সাপেক্ষে বৰপেটা জিলাত ৫ খন নতুন হস্পিতাল স্থাপনৰ আঁচনি আছে।

(ঘ) কয়াকুচিত এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ আঁচনি আছে।

(ঙ) প্ৰশ্ন নুঠে।

**বিষয় : নাজিকেছা আৰু মন্দিয়া নাহৰণীত প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ স্থাপন।**

শ্ৰীহেম প্ৰকাশ নাৰায়নে সুধিছে :

৩৫২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) দেবগাওঁ বিধানসভা সমষ্টিৰ অন্তৰ্গত কাকদোঙা মৌজাৰ মাজিকছা আৰু মন্দিয়া নাহৰণীত দুখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সেৱাৰ বাবে কেইজন ডাক্তৰ নাৰ্চ নিয়োগ কৰা হ'ল আৰু কাক কাক নিয়োগ কৰা হ'ল ?

(খ) তেখেত সকলে নিয়মীয়াকৈ স্বাস্থ্য সেৱা আগবঢ়াই নে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) প্ৰশ্ন কৰা মতে মন্দিয়া নাহৰণী নামে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নাই। কিন্তু নাহৰণীৰ ওচৰত খাটগাওঁ নামে এখন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আছে। যোৱা ৬-৩-৯১ তাৰিখত খাটগাওঁ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এজন ডাক্তৰ নিযুক্তি দিয়া হৈছে। কিন্তু মাজিকুছিত দিয়া হোৱা নাই। নাৰ্চৰ পদ এতিয়ালৈকে মঞ্জুৰ হোৱা নাই।

(খ) এই বিষয়ে যাৱতীয় তথ্য বৰ্ত্তমানলৈকে পোৱা হোৱা নাই।

Shri Ramendra Narayan Kalita : Sir, a point of order.

(.... .... .... ভইচ .... .... ....)

(সদনত গণ্ডগোল)

মাননীয় অধ্যক্ষ : এতিয়া পইন্ট অৱ অৰ্ডাৰ নাহে। আপোনালোকে নিয়মটো শুনি লওঁক। তাৰ আগতে নকব। এই সম্পৰ্কত বি, এ, চিত আলোচনা কৰা হৈছে আৰু তাত ইম্পৰটেণ্ট বিষয়বোৰতহে আলোচনা কৰিব বুলি সিদ্ধান্ত লোৱা হৈছে।

The Question Hour is over. Now I go to Grant No. 6 for discussion. Shri Rameswar Dhanowar will please on the Grant.

## VOTING ON DEMANDS FOR GRANTS

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ : মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ শিতানত যি দাবী মঞ্জুৰী বিচৰা হৈছে সেই ক্ষেত্ৰত মই দুষাৰ মান কব বিচাৰিছো। আমাৰ যি চিলিং উদ্বৃত্ত মাটি চৰকাৰে অধিগ্ৰহণ কৰি কিছুমান মানুহক হস্তান্তৰ কৰাৰ ব্যৱস্থা কৰিছিল সেইটো প্ৰকৃতপক্ষে তথ্য ভিত্তিত চমজি লব নোৱাৰাৰ

* Speech not corrected.

কাৰণে এই ক্ষেত্ৰত নানা খেলি-মেলিৰ সৃষ্টি হোৱা দেখা গৈছে। উদাহৰণ স্বৰূপে মই এটা কথা কব খোজো যে চিলিং আইনত যিমানখিনি মাটি গল সেই মাটি এতিয়া কম ওলোৱা দেখা গৈছে। বহুতো চাহ বাগিচাৰ মানুহে ভোগ দখল কৰি থকা মাটি চিলিং আইনত গৈছে আৰু এনে ধৰণৰ মাটি চিলিংত যোৱাৰ ফলত সেই ভোগ দখল কৰি থকা লোক সকলে এই আইনৰ প্ৰভিজন মতে চৰকাৰৰ ওচৰত আপিল কৰাত চৰকাৰে তেনে মাটি কিছুমান মানুহক ঘুৰাই দিব লগা হৈছে। এনে এটা ঘটনা ডুমডুমাৰ পাৱৈ চাহ বাগিচাত ঘটিছে। এই চাহ বাগিচাৰ ১৯৭ বিঘা মাটি চৰকাৰে স্কুলঘৰৰ নামত আৰু ভোগ দখল কৰি থকা মানুহৰ মাজত আৱণ্টন দিয়াৰ পিচত চাহ বাগিচাৰ মালিক পক্ষৰ পৰা সেই মাটিখিনি পুনৰ দখল কৰাৰ বাবে হেঁচা প্ৰয়োগ কৰা দেখা গৈছে আৰু এচ ডি, চি য়ে সেই মাটি খিনি দেখুৱাই দিছে। এতিয়া একালে মালিক পক্ষৰ হেঁচা আৰু আনফালে চৰকাৰে স্কুল ঘৰৰ নামত আৰু ভোগ দখল কৰি থকা মানুহৰ মাজত মাটিখিনি আৱণ্টন দিয়াৰ ফলত এখন কন্দনৰ সৃষ্টি হৈছে। ইয়াৰ বাহিৰেও কিছুমান চিলিং উদ্বৃত্ত মাটিত মালিক পক্ষই ইটাৰ ভেটা খুলিছে। কিন্তু ডাঙৰ কথা হল আমাৰ স্থানীয় এচ, ডি, চি আৰু মণ্ডলে চিলিংৰ মাটি কোন খিনিৰ পৰা হব তাৰ সীমাটো নাজানে। এইটো হে বৰ ডাঙৰ কথা। এনেকৈ চাহ বাগিচাৰ মালিক সকলে চিলিংত যোৱা কিছু মাটি দখল কৰিবলৈ আৰম্ভ কৰিছে। পাৱৈ চাহ বাগিচাৰো এনে চিলিং উদ্বৃত্ত মাটিত ইটাৰ ভেটা খোলা দেখা গৈছে। সেইদৰে শুকান-গুৰি চাহ বাগিচাৰ ২৪৭ বিঘা মাটি মানুহৰ মাজত আৱণ্টন দিয়াৰ পিচত তাৰ আধা মাটিহে অৰ্থাৎ ৫৪ একৰ মাটিহে মেপত দেখা গৈছে। বাকী মাটি-খিনি শুকানগুৰি চাহ বাগিচাৰ নামত দিয়া দেখা গৈছে। এতিয়া সেইমাটি চাহ বাগিচাৰ মালিকে দখল কৰিবৰ কাৰণে ব্যৱস্থা কৰিছে। সেই কাৰণে কাগজে পত্ৰই চিলিং উদ্বৃত্ত মাটি বুলি বুলি অধিগ্ৰহন কৰা হল যদিও প্ৰকৃততে চিলিং আইনৰ অধীনত মাটি লোৱা নহব। সেই কাৰণে চৰকাৰে এনে বিষয়-বোৰত দৃষ্টি দিব লাগে।

দ্বিতীয়তে আৰু এটা কথা হল চিলিং উদ্বৃত্ত মাটি কিছুমান উদ্যোগী ডেকাক উদ্যোগ কৰিবলৈ দিয়া হৈছিল। উদাহৰণ স্বৰূপে শুকানগুৰি চাহ বাগিচাৰ এনে মাটি ১০ জন উদ্যোগীক উদ্যোগ কৰিবলৈ দিয়া হৈছিল। এই

মাটিত তেওঁলোকে পৰিয়াল পৰিকল্পনাৰ বাবে আলু জাতীয় এবিধ গছৰ খেতি কৰিব আৰু তাত স্বত্ব আছিল তেওঁলোকৰ উৎপাদিত বস্তুখিনি চৰকাৰক বেচিব। কিন্তু দেখা গৈছে এই মাটি দিয়া আজি চাৰি পাচ বছৰ হৈ যোৱাৰ পিচত তাত তেওঁলোকে স্বত্ব মতে সেই খেতি নকৰি কোনোবাই ফিচাৰী কৰিছে বা কোনোবাই চাহ বাগিচা খুলিবলৈ ধৰিছে বা কোনোবাই গৰু পুহিছে। চৰকাৰে যি উদ্দেশ্যৰে এই মাটিবোৰ দিছিল সেই উদেশ্য পূৰণ নহল। তেওঁলোকক মাটি দিওতে চৰ্ত্ত এটা কথা আছিল যে তেওঁলোকে চৰ্ত্ত মতে কাম নকৰিলে সেইমাটি ঘুৰাই লোৱা হব। কিন্তু আজিলৈকে চৰকাৰে সেই ঘুৰাই আনিব পৰা নাই। সেই কাৰণে এনে মাটি কাৰোবাক দিবলৈ হলে কেনে ধৰণৰ উদ্যোগ কৰিলে উদ্যোগী সকলো লাভবান হয় আৰু চৰকাৰো লাভ হয় তেনে উদ্যোগ কৰিবলৈ দিলেহে সুফল পোৱা যাব আৰু যদিহে তেওঁলোকক দিয়া চৰ্ত্ত ভঙ্গ কৰে তেনেহলে সেই মাটি সোনকালে ঘুৰাই অনাৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আন এটা কথা হৈছে চিলিংৰ মাটি কিছুমান চাহ বাগিচাৰ মালিককো আবণ্টন দিয়া হৈছে। কিন্তু এই মাটি কাগজে কলমেহে দিয়া হৈছে। মাটিখিনিৰ সীমা চমজি দিয়া হোৱা নাই। তাৰ ফলত তেওঁলোকৰ মাটি কোন খিনিলৈ আছে সেইকথা তেওঁলোকেই নাজানে। গতিকে এই মাটিখিনিৰ সীমা চমজাই দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, এই মাটিখিনি ম্যাদি কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দ্বিতীয় বেমাৰটো হ'ল চিলিঙৰ মাটি যি দিছে প্ৰমাণ পত্ৰৰ তলৰ বা পিচত লিখা থাকে যে মাটি হস্তান্তৰ কৰিব নোৱাৰিব, বিক্ৰী কৰিব নোৱাৰি আদি। এনেকুৱা ধৰণৰ কিছুমান চৰ্ত্ত থাকে। কিন্তু দেখা যায় এই চৰ্ত্তবিলাক প্ৰযোজ্য নহয়। ডুমডুমাৰ ফিলোবাৰীৰ ওচৰত এচ, ডি, চি, আৰু লাট মণ্ডলে প্ৰায় ৪৪ বিঘা মাটি এজন মাৰোৱাৰীৰ নামত পট্টা দিছে। পিচত তিনিচুকীয়াৰ ডি, চি, য়ে এইটো অনুসন্ধান কৰাত কথাটো ওলাই পৰিল। তেতিয়া এচ, ডি, চি,ক চাচপেন কৰা হল। মই চৰকাৰক পৰামৰ্শ দিব খুজিছো যে আমি এনে ক্ষেত্ৰত কঠোৰ হোৱাটো বাঞ্চনীয়। মাটি হস্তান্তৰ বা কাৰো নামত যাতে নামজাৰি কৰিব নোৱাৰে। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ উদ্যোগ কিছুমান আছে। অইল ইণ্ডিয়া

এ, ও, চি, কোল ইণ্ডিয়া আদি উদ্যোগ আছে। মই কোল ইণ্ডিয়াৰ কথা কৰ খুজিছো। অসমে এ, আৰ, জি, চি,ক এক শ বছৰৰ কাৰণে মাটি লিজত দিছিল। সেই এক শ বছৰৰ লিজ কেতিয়াবাই শেষ হৈছে। এতিয়া সেই মাটি কোল ইণ্ডিয়াৰ হাতলৈ গৈছে। তাত স্পষ্ট লিখা আছে। এ, আৰ, টি, চি য়ে কোল ইণ্ডিয়াক মাইনিং পাৰপাছত মাটিখিনি দিছে। কিন্তু দেখা যায় মাইনিঙৰ কাৰণে যিখিনি মাটি ব্যৱহাৰ কৰিব লাগে সেইটো নকৰে। বহুত মাটি পৰি আছে। কিছুমান কোল ইণ্ডিয়াৰ ৰিটেয়াৰ্ড মানুহে তাত ঘৰ দুৱাৰ সাজি আছে। সেই মাটি কেতিয়াবা লিজত দিয়ে। তেওঁলোকে ৬২ পইচা কৰ দিব লাগে। মাটি কেতিয়াও দিব নোৱাৰে, সেই কনডিশ্বনটো ভায়োলেট কৰিছে। মাইনিঙৰ মাটি চৰকাৰক ঘূৰাই দিব লাগে, চৰকাৰে লোৱা নাই। এ, আৰ, টি, কোম্পানীক দিয়া হৈছিল, পিচত কোল ইণ্ডিয়াক দিয়া হৈছে। যিখিনি ৰাহি মাটি আছে সেইখিনি এনেয়ে পৰি আছে। কোল ইণ্ডিয়াৰ কিছুমান মানুহ আগতে বাহিৰৰ পৰা আহিছিল। তেওঁলোকৰ পাৰ-মেনেণ্ট এড্ৰেছ দিয়া হৈছে। তেওঁলোকৰ ঘৰলৈ গলে চেকেণ্ডক্লাচ টি, এ, পায়। সেই মানুহখিনি আৰু ঘূৰি নেযায়। ইয়াৰোপৰি আই, ও, চি ৰ বিল্ডিং হাউচিং এৰিয়া আছে। তাত যিবিলাক মাটি আছে জি, এম, প্লট বুলি কোৱা হৈছে। তাত তেওঁলোকে ৬/৭ শ টকা প্ৰতি বিঘা মাটিত বছৰি লয়। সেইটো মাটি লিজ হিচাবে দিব নোৱাৰে। চৰকাৰে নিজৰ হাতলৈ সেই মাটিখিনি আনি তাত যি মানুহ ৰহি আছে তেওঁলোকক পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয়, আৰু এটা বেমাৰ আছে। সেইটো হ'ল আজি লাহে লাহে খেতিৰ মাটি কমি আহিছে। যিবিলাক ইণ্ডাষ্ট্ৰি গঢ়ি উঠিছে তাৰ ওচৰত খেতিৰ মাটি আছে। সেই খেতিৰ মাটিত এতিয়া ধুমধামেৰে ঘৰ সজা কামত ব্যৱহাৰ হৈছে। চৰকাৰে সেইটো বন্ধ কৰিব লাগে যাতে আমাৰ খেতিৰ উৎপাদন কোনোমতে কমি নেযায়। যত ওখ মাটি আছে সেইবিলাকত ঘৰ সজা কাম কৰিব লাগে। আজিকালি টাউন এৰিয়াত এক কোঠা মাটিৰ দাম ২৫ হেজাৰ পৰ্য্যন্ত উঠিছে। কিছুমান মাটি ১৯৫০ চনতে কিছুমান মাটি চৰকাৰে আবণ্টন দিছিল। সেই আবণ্টন মৌখিক ভাবে দিয়া হৈছিল আৰু সেই মতে মানুহখিনি বহিছিল। সেই মাটিবিলাকত টোজিবাহী খাজনা হিচাবে চৰকাৰে কৰ ধাৰ্য্য কৰিছিল। সেই মাটিবিলাক চৰকাৰে আবণ্টন দিয়াৰ

ব্যৱস্থা কৰিব লাগে। যিবিলাক চৰকাৰী মাটি ক্রমান্বয়ে বেদখল হৈছে তাত চৰকাৰে এটা ওপৰঞ্চি জৰিমনা কৰ লগাব লাগে। মেৰাইন প্লডত একশ বিঘা মাটি বেদখল কৰিছে। এই একশ বিঘা মাটিৰ বিঘাই প্রতি ১ টকাকৈ খাজনাৰ নামত একশ টকাহে দিছে। চৰকাৰী মাটি জোৰ জবৰ্দস্তি দখল কৰিছে। সেই কাৰণে তেওঁলোকৰ ওপৰত এটা জৰিমণা কৰ লগোৱাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই আৰু এটা চৰকাৰক পৰামৰ্শ দিব বিচাৰো। স্কুল ঘৰ বিলাকৰ নামত যিবিলাক মাটি আবণ্টন দিছে সেইবোৰ নামতহে দিছে। কিন্তু এতিয়া লাহে লাহে দেখিবলৈ পাইছো, স্কুলৰ নামত দিয়া মাটি বিলাক স্কুলৰ শিক্ষক জনে বা ওচৰৰ মানুহে নিজৰ নামত লৈছে। এই মাটি বিলাক স্কুল বিলাকৰ নামত আবণ্টন নিদি সংৰক্ষণ কৰক। চৰকাৰৰ নামত বা অনুষ্ঠানৰ নামত সংৰক্ষণ কৰিলে অন্য মানুহে সুবিধা নাপাব। ইয়াৰ পিচত মই টেনেচি এক্টৰ কথা কওঁ। এই এক্ত মানুহৰ নামত ২০/২৫ বিঘালৈকে মাটি আছে। এই মানুহ বিলাক দুখীয়া পৰিয়ালৰ। তেওঁলোকে ৫ বছৰ বা ১০ বছৰ এটা ম্যাদ শেষ হৈ গলে সেই মানুহখিনিক ৰায়তী স্বত্ব দিব লাগে। ধনী মানুহ বিলাকে টেনেঞ্চি ৰাখি থাকে বছৰৰ পিছত বছৰ ধৰি খাই আছে। কোনো দায়িত্ব নাই। এই ৰায়তী মানুহখিনিক মাটি দিলে সেই পৰিয়াল মাটি গিৰিহতৰ হিচাবত আহিব। শেষত চৰকাৰৰ মই এটা অনুৰোধ কৰিব খুজিছো। আমাৰ অসমত চাহ-বাগিচাৰ বা প্রাক্তন চাহবাগিচাৰ লৰা মণ্ডল-কাননগুৰ নামত এটাও পিটিকাত দিবলৈ বিচাৰি পাবলৈ নাই। মই ৰাজহ মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো চাহবাগিচাৰ লৰা বা প্রাক্তন চাহ বাগিচাৰ লৰা মণ্ডল কাননগুত ঠাই দিয়ে যেন? এই চাহ বাগিচাৰ লৰা বিলাকক মণ্ডল পঢ়াৰ কাৰণে সুবিধা দিলে সুবিচাৰ কৰা হব। মাননীয় অধ্যক্ষ মহোদয়, মই ফৰেষ্ট ভিলেইজৰ কথা কওঁ। ফৰেষ্ট ভিলেইজৰ গাওঁবুঢ়া সকলৰ ব্যৱস্থা লোৱা হব বুলি কৈছিল। মোৰ সমষ্টিত ৭ জন মান গাওঁবুঢ়া আছে। এই গাওঁবুঢ়া সকলক চনক দিয়াৰ ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত বহু বছৰ ধৰি কাম কৰি থকা গাওঁবুঢ়াক চনক দিয়াৰ ব্যৱস্থা সোনকালে কৰিব লাগে। ইয়াকে কৈ মই কৰ্তন প্রস্তাৱটোৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিলো।

Mr. Speaker : Now Honourable Member Shri Bharat Chandra Narah.

*শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো, উত্তৰ লক্ষীমপুৰৰ ধেমাজী, জোনাই, ঢকুৱাখানা যি ৫ টা আমাৰ মহকুমাত মাটি পট্টন দিব লাগিছিল এতিয়ালৈকে মাটি পট্টন দিব পৰা নাই। ধেমাজি মহকুমাত কিছু হৈছে। উত্তৰ লক্ষীমপুৰ, ধেমাজীত চাৰ্ভে হব লাগে। এচ ডি চি অফিচত চাৰ্ভেৰ কথা কলে তেওঁলোকৰ ষ্টাফ নাই বুলি কয়। এডিশ্যনেল ষ্টাফ লাগে বুলি কয়। এডিশ্যনেল ষ্টাফ নহলে চাৰ্ভে নকৰে আৰু মাটিৰ পট্টনো দিব নোৱাৰে। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তাত এডি-শ্যনেল ষ্টাফ দি সোনকালে মাটি পট্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মই সময় নষ্ট কৰিব নিবিচাৰো ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি সামৰিলো।

মাননীয় অধ্যক্ষ : এতিয়া মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ।

*শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই কবলৈ ওলাইছো। এখন ৰাজ্যত যদি ৰাজহ ঠিকমতে আদায় হয় ৰাজহ বিভাগ যদি ঠিক থাকে তেতিয়াহলে ৰাজ্যখনে কাম কাজত ঠিকমতে আগ-বাঢ়ি যাব পাৰে। যদি ৰাজহ বিভাগত আসোৱাহ থাকে ৰাজ্যখনলৈ সীমিত ৰাজহ আহে তেতিয়াহলে অশান্তি হয় আৰু আন্দোলন গঢ়ি উঠে। অসমৰ ক্ষেত্ৰতো এইটো প্ৰযোজ্য হয়। ইয়াৰ আগতে মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ডাঙৰীয়াই কৈছে যে চিলিং চাৰপ্লাচ লেণ্ড চৰকাৰে পুনৰ ৰিভিউ কৰি চাহ বাগিছাৰ মালিকসকলক ঘুৰাই দিয়া চৰকাৰে সিদ্ধান্ত লৈছে বুলি আমি জানিব পাৰিছো। ইতিমধ্যে কিছু কিছু বাগানক ঘুৰাই দিছে। এইবিলাক বন্ধ কৰিব লাগে। অসমৰ জনমুৰি মাটি অতি কম। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈ সমুহৰ খহনীয়া ফৰেষ্ট ৰিজাৰ্ভৰ নামত আৰু চাহ বাগিছাৰ নামত বহুত মাটি আছে। খেতিয়কে বসবাস কৰিবৰ কাৰণে কম মাটি আছে। চিলিং আইনৰ জৰিয়তে যিবিলাক মাটি অধিগ্ৰহণ কৰিছিল এই মাটি বিলাক যদি বিতৰণ নকৰে তেতিয়া অশান্তি বাঢ়িব। কিন্তু চৰকাৰে ৰিভিও কৰি মাটিৰ মালিকক ঘুৰাই দিয়াৰ চক্ৰান্ত কৰিছে। এইটো চৰকাৰে বন্ধ কৰিব লাগে। ১৯৫৬ চনত

* Speech not corrected.

(ভুল হ'ব পাৰে) অসম চৰকাৰে বোধহয় গাওঁ সভা কৰিছিল। ৰাইজক পট্টন দিয়ে। গাওঁ সভাৰ কাৰ্য্যকাৰিতাত দেখা গৈছে যিসকলৰ মাটিৰ ওপৰত অধিকাৰ আছে তেওঁলোকে মাটিৰ পট্টন নাপায়। ধনী টেঙৰ খেতিয়কসকলে নিজৰ নামত কৰি লব পাৰে। দুখীয়া খেতিয়ক সকলে নিজৰ কৰি লব নোৱাৰে। যি সকল দুখীয়া খেতিয়কে মাটিত খেতি কৰি আছে বা বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টন দিব লাগে।

অইল ইণ্ডিয়া, কল ইণ্ডিয়া, আদি অন্যান্য শিল্পক চৰকাৰী মাটি লিজত দিছে। প্ৰকৃততে এই লিজত দিয়া মাটিবোৰ বিক্ৰী কৰিব নোৱাৰে। কিন্তু চাহ বাগিচাৰ মালিক সকলে বা অইল ইণ্ডিয়া, কল ইণ্ডিয়াৰ পৃষ্ঠপোষক সকলে বহুতো মাটি লিজত লোৱাৰ পাচত বিক্ৰী কৰিছে। তাকো অসমৰ বাহিৰৰ পৰা অহা মানুহে এই সুবিধা গ্ৰহণ কৰিছে। মাননীয় সদস্য ৰামেশ্বৰ ধানোৱাৰ দেৱেও এই বিষয়ে কৈছে আৰু মই তেখেতৰ লগত একমত যে চাহ বাগিচাৰ মালিক সকলে খাজনা দিওঁতে এটকাকৈহে দিয়ে কিন্তু তেওঁলোকে বিক্ৰী কৰা মাটিৰ অন্য মানুহৰ পৰা ৬ টকাকৈ লয়। চৰকাৰে যিবিলাক মাটি শিল্প উদ্যোগৰ বাবে দিছে সেই বিলাক মাটি সেই শিল্পৰ কাৰণেই প্ৰয়োগ কৰিবলৈ নিৰ্দেশ দিব লাগে। কিন্তু দেখা গৈছে যে শিল্প উদ্যোগৰ কাৰণে প্ৰয়োগ কৰিবলৈ দিয়া মাটি আনে অধিগ্ৰহণ কৰিছে। অইল ইণ্ডিয়া কল ইণ্ডিয়া আৰু চাহ শিল্পৰ লগত জৰিত মাটি বিলাকত চৰকাৰে ৰাজহ বঢ়াব লাগে কাৰণ আজি ১০০ বছৰ ধৰি সেই ৰাজহৰ সংশোধন হোৱা নাই গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক কব খোজো যে ৰাজহৰ পৰিমাণ বাঢ়িলে চৰকাৰৰ ভৰাল টনকিয়াল হব। অসমত চাৰিশ্ৰেণীৰ মাটি আছে। তাক একশ্ৰেণীত কৰিলে ভাল হয়। তেতিয়া ৰাজহৰ পৰিমাণ ধাৰ্য্য কৰাত চৰকাৰৰ সুবিধা হয়। লেণ্ড ৰেভিনিউৰ ক্ষেত্ৰত যি নীতি বা প্ৰক্ৰিয়া সেইটো সৰলিকৰণ কৰিলে চৰকাৰৰ ক্ষেত্ৰত বহুতো সুবিধা হব। কাৰণ এই ক্ষেত্ৰত মণ্ডল আৰু কাননগো সকলেই বেচি জামেলা কৰা দেখা যায়। তেওঁলোকে সাধাৰণ মানুহক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত তেওঁলোকে ইজনৰ নামৰ মাটি সিজনৰ নামত পট্টা দিয়া দেখা যায়। অসম আন্দোলনৰ সময়ত অৰ্থাৎ ১৯৮০ চনত মই নগাওঁত এখন পোষ্টাৰ দেখিছিলো আৰু সেই পোষ্টাৰখনত লিখা আছিল যে মণ্ডল সকল সাৱধান আৰু মই সেই পোষ্টাৰখন দেখি অনুমান হৈছিল যে মণ্ডল সকলেই মাটি বাৰীৰ

পট্টা দিয়াৰ ক্ষেত্ৰত সাধাৰণ মানুহক হাৰাশাস্তি কৰা দেখা যায় আৰু বিদেশী বিলাকক অহাত তেওঁলোকেই ইন্ধন যোগায়। ফলত ৰাইজৰ দুৰ্গতি হয়। অসম চৰকাৰে এই প্ৰক্ৰিয়া সলনি কৰক। আজি ২০ বছৰ ধৰি বহুতো লোকে মাটিত ৰহি আছে কিন্তু তেওঁলোকক মাটিৰ পট্টা দিয়া হোৱা নাই। মই অনুৰোধ কৰো অতি সোনকালে এই প্ৰক্ৰিয়া সলনি কৰক। কাৰণ কিছুমানৰ ক্ষেত্ৰত অৰ্থাৎ ধনী সকলৰ ক্ষেত্ৰত চৰকাৰে আইন খন শিথিল কৰি দিয়ে আৰু সাধাৰণ মানুহ খিনিৰ ক্ষেত্ৰত কিছু কঠোৰ হোৱা দেখা যায়। কিছুমান মানুহ আজি ৮০, ৯০, ১০০ বছৰ পৰ্য্যন্ত ধৰি বসবাস কৰি আছে। তেওঁলোকৰ তামোল গছ কাকিনী হ'ল ককাদেউতাকহঁত ঢুকাই গ'ল নাতিপুতি গাভৰু হ'ল অথচ সেই মাটিত আজিও পট্টন দিয়া নাই। মাননীয় অধ্যক্ষ মহোদয় মই মাটিৰ চাৰ্ভে সম্পৰ্কে অলপ কব খুজিছো যে এই বিষয়ে চৰকাৰে চোকা দৃষ্টি দিব লাগে কাৰণ উত্তৰ লক্ষীমপুৰৰ কিছু ঠাইত দেখা গৈছে যে মাটিবোৰ ভালদৰে চাৰ্ভে কৰা হোৱা নাই যাৰ ফলত অৰুনাচলৰ মানুহে অসমৰ মাটি অধিগ্ৰহণ কৰা দেখা গৈছে আৰু ফলত অসমৰ মাটি অৰুনাচলৰ ভিতৰত সোমাই যোৱাৰ আশংকা দেখা গৈছে। এনেয়ে অসমৰ মাটি কম গতিকে মই বিভাগীয় মন্ত্ৰীক অনুৰোধ কৰো যে অতিৰিক্ত ষ্টাফ দি চাৰ্ভে কৰি নিজৰ মাটিখিনি নিজৰ ফালে আনিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মই বেদখলৰ ক্ষেত্ৰত কেইটামান কথা কব খুজিছো। আজি সাধাৰণ মানুহে বেদখল কৰিলে তেওঁলোকক উচ্ছেদ কৰা হয় কিন্তু ধনী গণ্যমান্য লোকে বেদখল কৰিলে তেওঁ আইনৰ চকুত দুখী সাব্যাস্ত কৰা নহয় এই ক্ষেত্ৰত অলপতে এজন সাধাৰণ গৰীব খেতিয়কক মাটি বেদখল কৰাৰ বাবদ গুলিয়াই হত্যা কৰা হৈছে। পুলিচে ইয়াৰ কোনো ব্যৱস্থা আজিলৈকে নললে। আমাৰ চৰকাৰৰ নীতি-নিয়ম ঠিক নহয়। চৰকাৰী বিষয়াই বা পুলিচ বিষয়াই এই ক্ষেত্ৰত লিপ্ত হোৱা দেখা যায়। যোৱা ২১-৩-৯২ তাৰিখৰ সান্ধ্য বাতৰিত প্ৰকাশ পাইছে যে দিশপুৰৰ থানা কোনোবা ডাৰোগাই আৰু পুলিচ বিষয়াই তথা সচিবালয়ৰ কৰ্মচাৰীয়েও আনকি মুখ্য মন্ত্ৰীৰ সচিবালয়ৰ কৰ্ম্মচাৰিয়েও মাটি বেদখল কৰি আছে। সাধাৰণ ধুতি পিন্ধা খেতিয়কে মাটী বেদখল কৰিলে তেওঁক গুলিয়াই হত্যা কৰা হয় কিন্তু চৰকাৰী প্ৰশাসনৰ লগত জৰিত থকা চৰকাৰী কৰ্ম্মচাৰী, পুলিচ বিষয়া আৰু উচ্চ চৰকাৰী বিষয়া যেতিয়া এই কামত লিপ্ত থাকে তেতিয়া

তেওঁলোকক আইনে জগৰীয়া নকৰে। তেওঁলোকক মাটিৰ পট্টা দিয়াত সহায়হে কৰে। এনে ক্ষেত্ৰত প্ৰশাসনে কি কৰিব এইটো হব নোৱাৰে। এই সকলৰ ক্ষেত্ৰত চৰকাৰৰ নীতি কিয় শিথিল হয় আৰু দুখীয়া গৰীবৰ কাৰণে কিয় কঠোৰ হয়। গতিকে মাননীয় অধ্যক্ষ মহোদয় চৰকাৰে এই ক্ষেত্ৰত আইন কানুন সলনি কৰিব লাগে। ইয়াকে অনুৰোধ জনাই মই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Speaker : Now Honourable Member Shri H. N. Goswami.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মাত্ৰ দুটা বিষয়ত কেইটামান কথা কব বিচাৰিছো। এই ক্ষেত্ৰত মই দুটা পৰামৰ্শ আগবঢ়াব বিচাৰিছো। প্ৰথমটো হৈছে যে ১৯৮৬ চনৰ ৰাজহ এক্তখন অতি পুৰণি। ই বৃটিছৰ দিনৰ পৰাই চলি আহিছে। গতিকে ইয়াক সংস্কাৰ কৰিব লাগে। মই ভাবো তিনিজন অবসৰপ্ৰাপ্ত জজৰ দ্বাৰা লেণ্ড-ৰেভিনিউ এক্তখন বিচাৰ কৰিবলৈ দি ইয়াৰ আমূল পৰিবৰ্ত্তন সাধিব লাগে।

* শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইটো ইতিমধ্যে কৰা হৈছে।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী : মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয়টো পৰামৰ্শ হৈছে, যে চিলিং আইনৰ ক্ষেত্ৰত যেতিয়া মাটি পট্টন দিয়া হয়, কেচ মীমাংসাৰ বাবে সাধাৰণ মানুহ কৰ্টলৈ আহি বিশেষ অসুবিধা ভোগ কৰে। কাৰণ বহুতো ফাইল আগৰে পৰাই পেন্দিং হৈ পৰি থাকে আৰু কি ফাইলত কি থাকে বিচাৰি উলিওৱাতে অসুবিধা হয় আৰু সাধাৰণ মানুহে উকিল আদি ধৰি এইবোৰ বিচাৰি উলিয়াবলৈ গৈ বিশেষ অসুবিধাত পৰে। গতিকে এজন টী ডেপুটী চেক্ৰেটৰী চৰকাৰৰ ফালৰ পৰা সম্পূৰ্ণ দায়িত্ব দি নিয়োগ কৰিব লাগে। তেতিয়া কেচবোৰ ডিচপজ কৰি জাজমেণ্ট দিয়াত সুবিধা হয়।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীৰামেশ্বৰ ধানোৱাৰ দেৱে কৈছে যে চিলিং উদ্বৃত্ত মাটি বাগানক পুনৰ ঘুৰাই দিয়াৰ যি আঁচনি লৈছে সেইটো বন্ধ হব লাগে। মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ক মাননীয় অধ্যক্ষ

* Speech not corrected.

মহোদয়ৰ জৰিয়তে দৃষ্টি গোচৰ কৰিব বিচাৰিছো। বোকাখাট ৰাজহ চক্ৰৰ অধীনত লক্ষীজুৰী গ্ৰাণ্টৰ ১ (ক) নং দাগৰ ১৩৫ বিঘা নাহৰজান বাগিচাৰ চিলিঙত যোৱা মাটি পুনৰ উক্ত বাগিচাৰ মালিকক যোৱা ৬-১-৯২ তাৰিখে ঘুৰাই দিবলৈ নিৰ্দেশ দিছে টি এল চি ৪৭/৭১-৭২/ পাৰ্ট ৪১ মতে। সেই নিৰ্দেশ বাতিল হব লাগে। যিটো নিৰ্দেশ দিয়া হৈছে সেইটো অতি গুৰুতৰ। এই ১৩৫ বিঘা মাটি ১১ জন থলুৱা নিবনুৱা যুৱকৰ মাজত বিতৰণ কৰি দিয়া হৈছিল আৰু চাহ পুলি ৰুবৰ বাবে নিৰ্দেশ দিয়া হৈছিল। অসমত ৰাষ্ট্ৰপতিৰ শাসন চলি থকা সময়ত ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহত তেতিয়াৰ ৰাজ্যপাল দেবীদাস ঠাকুৰৰ নিৰ্দেশত চাহ গছৰ পুলি ৰুবৰ কাৰণে প্ৰতিজন যুৱকক ২ হেক্টৰকৈ মাটি দিয়া হৈছিল। বোকাখাটৰ নাহৰজান চাহ বাগিচাৰ চিলিং মাটিত ( লুইত ফাৰ্মিং চচাইটি আৰু গ্ৰীণ ভেলি এণ্টাৰপ্ৰাইজ) নাম দি খেতি কৰিবলৈ লৈছিল যদিও গোলাঘাট জিলাৰ উপায়ুক্তৰ মৌখিক আদেশত ভূমি উপদেষ্টাৰ নিৰ্দেশমতে আৰু বোকাখাটৰ এচ, ডি, চি ৰ চিঠিৰ নং বিকেচি ৮১/৯১-১০১০ আৰু বিকেচি ৮১/৯১-১০০৯ চিঠিৰ জৰিয়তে জিলাৰ উপায়ুক্তক লৈ ভূমি উপদেষ্টা পৰিষদৰ মিটিং হোৱা নাই। কিন্তু ৩-৭-৯১ তাৰিখে মাটিখিনি বিভক্ত কৰি আবণ্টন কৰি দিবৰ বাবে প্ৰস্তাৱহে পঠোৱাৰ ব্যৱস্থা কৰিছিল। এইবিলাক কৰা স্বত্বেও এই বছৰ জানুৱাৰী মাহত নাহৰজান বাগিচাৰ চিলিং উদ্বৃত্ত মাটি পুনৰ বাগিচাক ঘুৰাই দিবলৈ কৈছে। নাহৰজান বাগানৰ মালিক হল সিংহানীয়া গোষ্ঠী আৰু গোলাঘাট জিলাত থকা বিভিন্ন বাগানৰ মুঠ ১২০০ বিঘা চিলিং মাটি ঘুৰাই দিবলৈ কৈছে। ১৭ মাৰ্চত আজিৰ বাতৰিত ওলাইছে। ৩০ তাৰিখে দৈনিক অসমত ওলাইছে। ১০ মাৰ্চত আৰু শেহতীয়াকৈ ২৮ জানুৱাৰীত দৈনিক কাকতত ওলাই গৈছে। ইতিমধ্যে উক্ত মাটিখিনিত ৫০,০০০ হেজাৰ চাহ গছৰ পুলি লগালে। ইমানখিনি গছৰ পুলি ৰোৱা সত্বেও উচ্ছেদৰ নিৰ্দেশ হৈছে। মাটিখিনি উচ্ছেদৰ পৰা বচাবৰ কাৰণে যুৱক কেইজনৰ শক্তি নাই। আসাম টি কৰপোৰেশনৰ অধীনত ঘুৰমুতীয়া আৰু চিনামৰা কোম্পনী আছে। বাগানৰ মাটিত চিলিং কেচ লাগিলে যেতিয়ালৈকে কেচ নিষ্পত্তি নহয় তেতিয়ালৈকে কাকো দখল দিব নোৱাৰে। গ্ৰাণ্টপাৰা অঞ্চলত আছে আৰু নতুনকৈ ২০০ টা পৰিয়াল বাগানৰ মাটিত আছে। মহমহ বাগিচাতো দখল কৰিব নোৱাৰাকৈ জিলাৰ উপায়ুক্তৰ দ্বাৰা বন্ধ কৰি থোৱা হৈছে। এই মাটিবিলাক চাহ বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, শেষত মই আৰু এটা কথা কব বিচাৰিছো— উ চ্ছেদৰ ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই আগতে উল্লেখ কৰিছে। যোৰহাটত মিচন কৰ্তৃপক্ষৰ দ্বাৰা এখন লিপ্ৰচি হস্পিতেল খুলিবৰ কাৰণে লিপ্ৰচি বোৰ্ডক ১৯৩৩ চনত অসম চৰকাৰে প্ৰায় ৩৪ বিঘা মাটি দিছিল। ১৯৩৬ চনত ৩০ বিঘা আৰু ১৯৪০ চনত ৬২ বিঘা মুঠ প্ৰায় ১২৬ বিঘা মাটি দিছিল। এই হস্পিতেলখনত কুষ্ঠৰোগী সকলক চিকিৎসা কৰোৱা হয়। তেওঁলোকৰ সতি-সন্ততি সকলও তাতে থাকিবলৈ লৈছে। যিহেতু সমাজৰ এটা সংস্কাৰ আছে কাৰণে সমাজে তেওঁলোকক আকোৱালি লব পৰা নাই। তাত ৰেভিনিউ ফ্ৰি কোষ্ঠ ৰোগী সকল আছে মাক-দেউতাক আছে। এইবিলাক থকা স্বত্বেও হঠাতে লেপ কলচি চেটেলমেণ্ট থকা ঠাইত এভিকচন কৰিবৰ বাবে জিলাৰ উপায়ুক্তই ২৫-৭-৯২ তাৰিখে নিৰ্দেশ দিছে। মানবীয়তাৰ ফালৰ পৰা এই লোক সকল থকা মাটিখিনি উচ্ছেদকাৰ্য্য বন্ধ কৰা উচিত হব। এই বিষয়টো জিৰোআৱাৰতও নাই আৰু কুৱেচ্চন আৱাৰতো নাই। সেই কাৰণে সংশোধন কৰিব পৰা নহল। এই কেচবিলাক দিচপোজ কৰিবৰ কাৰণে নিৰ্দিষ্ট ব্যক্তিক দায়িত্ব দিব লাগে। চিলিঙৰ মাটি বন্ধ কৰিব লাগে যাতে মাটিহীন দুখীয়া জনসাধাৰণ দুৰ্দশাগ্ৰস্ত নহয়। কোষ্ঠৰোগী সকলে বসবাস কৰি থকা মাটিখিনি উৰ্চ্ছেদ কৰা নহয় মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি সকলোলৈকে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় সদস্য শ্ৰীমুজিবুৰ ৰহমান।

* শ্ৰীমুজিবুৰ ৰহমান ঃ মাননীয় অধ্যক্ষ মহোদয়, ভূমি ৰাজহ ভূমি সীমিতকৰণ দাবী মঞ্জুৰী ক্ষেত্ৰত যি প্ৰস্তাৱ দাঙি ধৰিছে তাক মই সমৰ্থন কৰি আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য দাঙি ধৰিছো। অসমৰ মাটিত কৃষক সকলৰ ধানেই একমাত্ৰ সম্বল। আমাৰ যি সকল দুখীয়া খেতিয়ক বাইজ ভূমিহীন সমস্যাত ভুগিছে সেই সকলৰ কাৰণে কেইটামান বলিষ্ঠ পদক্ষেপ চৰকাৰে হাতত লৈছে। তাৰে এটা হল চৰকাৰৰ তৰফৰ পৰা দিয়া পট্টা পাছবুক হিচাবে প্ৰবৰ্ত্তন কৰিছে। খাজনা আৰু অন্যান্য ক্ষেত্ৰত যি পট্টা প্ৰবৰ্ত্তন কৰা হৈছিল সেইবিলাক ৰিপোৰ্ট খাজনা দিয়াৰ ক্ষেত্ৰত আছিল। এতিয়া ২ অক্টোবৰৰ পৰা চৰকাৰে যি প্ৰবৰ্ত্তন কৰিছে সেই সম্পৰ্কত খেতিয়কৰ মাটি

* Speech not corrected.

খাজনা, ঋণ গ্ৰহণ আদি কামত সহায় হব। দুখীয়া ৰাইজৰ ঋণৰ পৰিমাণ খাজনা আদি দিয়াৰ ক্ষেত্ৰত ৰাইজৰ নিশ্চয় সুবিধা হৈছে। যিটো শোণিতপুৰ জিলাত প্ৰয়োগ কৰিছে আৰু চৰকাৰৰ তৰফৰ পৰা যি সুবিধা দিয়া হৈছে সেইবিলাকত ৰাইজ উপকৃত হব বুলি আশা ৰাখিছো। যোৱাকালি এজন বিধায়কে কৈছিল যে ৰাজহ বিভাগত মণ্ডল, কাননগু আৰু এচ, ডি, চিয়ে দৰ্মহা নহলেও চাকৰি কৰিব আছে। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰাহে কৈছো। মোৰ দেউতাই মোৰ নামত ২ বিঘা ডেৰ কঠা মাটি লিখি দিয়াত মাটিখিনি নামজাৰি কৰিবলৈ নগাওঁলৈ আহিছিলো। এবাৰ দুৱাৰ কৰি ৩০০ শ বাৰমান অহা-যোৱা কৰিছিলো।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ ঘৰ আমোলাপট্টিত নেকি ?

* শ্ৰীমুজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, মোৰ ঘৰ আমোলাপট্টিত নহয়। নগাওঁত হে।

(Mr. Speaker Vacated the Chair. Mr. Deputy Speaker occupied)

মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে আমাৰ ৰাজহ মন্ত্ৰী শ্ৰীশৰ্ম্মা দেৱৰ ঘৰৰ ওচৰতে সেই অফিচটো, সেই অফিচটোলৈ মই ৩০০ বাৰ মান অহা-যোৱা কৰিলো কিন্তু কামটো হৈ নুঠিল। পিছত তাৰে মানুহ এজনে কলে আপুনি এনেদৰে আহি থাকিলে একো লাভ নহব, টকা ৩০০ দি দিয়ক তেতিয়া কামটো হৈ যাব। সচাঁ, শেষত উপায় নাপাই মই ৩০০ টকা দি দিলো, অৱশ্যে কামটো এসপ্তাহৰ ভিতৰতে হৈ গল। আচলতে এই কথাবিলাক নীতি নহয়, এনে ধৰণৰ কথা অকল সেই ঠাইতেই নহয় অসমৰ বিভিন্ন ঠাইত এই ধৰণে চলি আছে। তাৰ পাচত চাব আমাৰ ডি, পি, আই অফিচত যিবিলাক উপদ্ৰব হৈ আছে সেইবিলাক দেখিলে ভয় লগা কথা। এখন দৰ্খাস্ত দিবৰ সময়ত দুটকা লাগে আৰু আনিবৰ সময়ত দুটকা লাগে। মই ১৯৮৩ চনতে যেতিয়া বিধান সভা চাব আহিছিলো তেতিয়া গেলাৰীত বহি মই শুনিছিলো ডি, পি, আই অফিচৰ এইবিলাক কাহিনী। এসময়ত শইকীয়া চৰকাৰ আছিল তাৰ পাচত এ জি পি আহিল আৰু এতিয়া আকৌ শইকীয়া চৰকাৰ আহিল কিন্তু সেই প্ৰক্ৰিয়া বিলাক এতিয়াও ডি, পি, আই অফিচত চলি আছে।

* Speech not corrected.

এইটো আগৰে পৰা চলি আছে আৰু চলি থাকিব।

(ভইচ : চলিছে চলিব)

মই ৰাজহ বিভাগলৈ আকৌ ঘুৰি আহিলো, গতিকে এতিয়া চৰকাৰৰ ফালৰ পৰা যিটো ৰাজহ আদালতৰ ব্যৱস্থা কৰা হৈছে তাৰ দ্বাৰা ৰাইজৰ অভাৱ-অভিযোগ আৰু বিভিন্ন সমস্যাৰ উপশম হোৱাটো আশা কৰিব পাৰো। এই ৰাজহ আদালতৰ জৰিয়তে দুৰ্নীতি নিবাৰণ কৰাত কিছু সহায়ক হব, চেটেলমেণ্ট অফিচাৰৰ দ্বাৰা যথা স্থানত নামজাৰি, ৰায়তি আৰু খাজনা ইত্যাদি আদায় দিয়াৰ কাৰণে দুখীয়া ৰাইজৰ সুবিধা হব। গতিকে এই ক্ষেত্ৰত চৰকাৰ ধন্যবাদৰ পাত্ৰ। আন এটা দৰকাৰী কথা হৈছে— অসমৰ বৃহৎ অঞ্চলত ব্ৰহ্মপুত্ৰৰ পৰা হোৱা বানপানী আৰু অন্যান্য নদী আৰু বৰষুণৰ পৰা হোৱা বানপানীয়ে ভয়ানক ৰূপ ধাৰণ কৰিছে এই বানপানী সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত এটা বিৰাট 'আপহিল টস্ক' হৈছে। মাননীয় সদস্য চন্দ্ৰমোহন পাটোৱাৰীয়ে কোৱাৰ দৰে এই বানপানী সমস্যাটো যদি চৰকাৰে সমাধান কৰিব পাৰে তেতিয়াহলে চৰকাৰক জিন্দাবাদ দিব। প্ৰতি বছৰে বানপানীত অসমৰ ৰাজহৰ মাটি ম্যাদী পট্টাৰ মাটি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। মাননীয় সদস্য নজ্ৰুল হক ডাঙৰীয়াই কোৱাৰ দৰে এই মাটি বিলাক ব্ৰহ্মপুত্ৰক দনেশ্যন দিয়া হৈছে, গড়াখহনীয়াত হাজাৰ হাজাৰ লাখ লাখ বিঘা মাটি আনকি ম্যাদি পট্টাৰ মাটিয়ো জাহ গৈছে কিন্তু ইয়াক ৰোধ কৰিব পৰা ব্যৱস্থা হোৱা নাই। এই বানপানীক ৰোধ কৰিব পৰা হোৱা নাই। যোৱা বছৰ নিৰ্ব্বাচনৰ সময়ত, নিৰ্ব্বাচনৰ আগে আগে যি অভুতপুৰ্ব্ব বানপানী হৈ গ'ল বিশেষকৈ নগাওঁ ধুবুৰী চাউথ-চালমাৰা ইত্যাদি বিভিন্ন ঠাইত ভয়াবহ বানপানীত যথেষ্ট সংখ্যক মানুহৰ ম্যাদী পট্টাৰ মাটি বানপানীত জাহ যায় ফলত সেই মানুহ বিলাক নিজৰ ঠাই এৰি কিছুমন শোনিতপুৰ আৰু অন্যান্য ঠাইত ভূমিহীন হৈ বিচৰণ কৰি ফুৰে। কিন্তু সেই যিবিলাক মাটি বানপানীত জাহ গৈছিল পিচত তাত চৰ পৰোতে চৰকাৰৰ বন বিভাগে অধিগ্ৰহণ কৰি পেলালে। কিন্তু সেই ম্যাদি পট্টাৰ মাটিত যিসকল মানুহে বসবাস কৰি আছিল সেই মানুহ বিলাকে ভূমিহীন হৈ অ'ত ত'ত ঘুৰি ফুৰিব লগীয়া হৈছে। শোনিতপুৰ আৰু নগাওঁত এই মাটি খিনিত চৰ পৰিছে গতিকে আগতে যিসকল মানুহে তাত বসবাস কৰিছিল আৰু সেইদৰে চাউথ চালমাৰতো

যি সকল মানুহে বসবাস কৰি আছিল সেইবিলাক ঠাইত অৰ্থাৎ যি সকল স্বত্বাধিকাৰী আছিল তেওঁলোকৰ নামত সেই মাটি বিলাক অনতিপলমে পট্টন দিব লাগে। কাৰণ সেই মাটিহীন সৰ্বহাৰা দুৰ্গত লোক সকলে মাটিখিনি ঘূৰাই পাম বুলি বুকুত আশাপালি বৈ আছে। বানপানীৰ সময়ত চৰকাৰৰ ফালৰপৰা মৰিগাওঁ অঞ্চলত, চিং অঞ্চলত মৈৰাবাৰী অঞ্চলত চৰকাৰ জৰিত হৈছিল। তাত ১ কোতি ১০ লাখ টকা চৰকাৰৰ ফালৰ পৰা দিয়া হৈছিল। ৭ মাহ ধৰি ২৯/১২/৯১ তাৰিখলৈকে প্ৰায় ১৪৩ টা পৰিয়ালক হাইস্কুলত দাইল, চাউল আৰু আন আন যাবতীয় বস্তু যোগান দি তেওঁলোকক, সেই দুৰ্গত মানুহ বিলাকক সহায় কৰি আছে।

এই বানপানীত দুৰ্গত হোৱা ভূমিহীন আৰু দুৰ্ভগীয়া মানুহ খিনিক নতুন ৰৰৰীত পুনৰ সংস্থাপন দিয়ে। চৰকাৰৰ ফালৰ পৰা কাম কৰা হৈছে যথেষ্ট মাজুলীত বানপানী হওতে চৰকাৰৰ ফালৰ পৰা হেলীকপ্তাৰেৰে সাহায্য বিতৰণ কৰা হৈছিল। সেয়ে মই চৰকাৰক ব্যক্তিগত ভাবে ধন্যবাদ দিব বিচাৰিছো। গড়াখহনীয়াত পৰা মানুহ খিনিক উদ্ধাৰ কৰাৰ অৰ্থে ৰাজহ মন্ত্ৰীৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ে চিং অঞ্চলত ৭ কোটি টকাৰ এটা প্ৰকল্প লৈছে আৰু ইতিমধ্যে তাত ১ কোটি টকা খৰচ কৰি কাম আৰম্ভ কৰা হৈছে। ইয়াৰ দ্বাৰা আমাৰ এই মানুহ খিনিৰ সমস্যা বহুখিনি সমাধান হব। তাৰ পিচত আন এটা অসুবিধাৰ কথা মই উন্নুকিয়াৰ বিচাৰিছো সেইটো হ'ল আমাৰ বিভিন্ন মৌজা যিবিলাক আছে সেই বিলাকৰ কিছুমানৰ আধা অংশ এখন জিলা বা মহকুমাত পৰিছে আৰু আধা আন এখন জিলা বা মহকুমাৰ সীমাৰ ভিতৰত পৰিছে। মৈৰাবাৰী, চিং কিছু অংশ নগাওঁ আৰু কিছু অংশ মৰিগাওঁত পৰিছে। সেই ক্ষেত্ৰত সাহায্য বিতৰণ কৰাৰ ক্ষেত্ৰত নানা ধৰণৰ অসুবিধা আহি পৰে কিয়নো যোগাযোগ কৰাত বহু সময়ত পলম হৈ যায় আৰু অসুবিধা হয়। গতিকে এই মৌজা বিলাকৰ যিটো সীমা সেইটো পুনৰ নিৰ্দ্ধাৰণ কৰিব লাগে। যেনেকৈ বাৰপুজীয়া মৌজাটো মৰিগাৱত আৰু মৈৰাবাৰীটো নগাওঁত ৰাখিলে যোগা-যোগৰ ক্ষেত্ৰত কিছু সুবিধা হব। এই অৱস্থা অকল নগাওঁ বা মৰিগাওঁতে হোৱা নাই অসমৰ বিভিন্ন ঠাইত এনেধৰণে মৌজাৰ সীমাবিলাক সঠিক ভাবে নিৰূপন কৰা হোৱা নাই। সেয়েহে মই ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰি কব বিচাৰিছো যাতে অসমৰ বিভিন্ন ঠাইত এই যিবিলাক মৌজাৰ সীমাৰ

ক্ষেত্ৰত গণ্ডগোল আছে সেইবিলাক পুনৰ নিৰ্দ্ধাৰণ কৰি সঠিক ভাবে নিৰূপন কৰিব লাগে। তাৰ পাচত বহু ক্ষেত্ৰত দেখা যায় বেদখলৰ ক্ষেত্ৰত প্ৰবনতা হৈছে, প্ৰকৃততে যি সকল ভূমিহীণ বা সৰ্বহাৰা যি সকলে মাটি পাব লাগে তেওঁলোকক মাটি দিব লাগে। কিন্তু এই ক্ষেত্ৰত দেখা যায় প্ৰবনতা বেচি হৈছে। চলে বলে কৌশলে কিছুমান মাটি থকা মানুহেই যেতিয়া মাটি ওলাই সেইবিলাক বেদখল কৰি ৰহি থাকে। গতিকে প্ৰকৃত ভূমিহীন মানুহ খিনিয়ে মাটি খিনি পোৱাৰ ব্যৱস্থা কৰিব লাগে। চৰকাৰে দুৰ্বল শ্ৰেণীৰ ভূমিহীন মানুহ খিনিক আধা বিঘা বা এক বিঘা মাটিৰ লগতে ২৫০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছে এই ক্ষেত্ৰত ২.৮ লাখ টকা দিয়া ধৰা হৈছে, এইটো আৰু বৃদ্ধি কৰিব লাগে। এই সুবিধাখিনি আগবঢ়াওতে চাব লাগে যাতে নিম্নতম চাহিদাৰ পৰা যিখিনি মানুহ বঞ্চিত হৈ আছে সেই সবলে পাব লাগে কোনো প্ৰবনতাক প্ৰশ্ৰয় দিব নালাগে। প্ৰকৃত পাব লগীয়া যিখিনি সৰ্বহাৰা দুৰ্গত মাটিহীন মানুহ আছে যাতে তেওঁলোকে পায় তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিব লাগে। মই আৰু বেচি দীঘলীয়া কৰিব নোখোজো, এই খিনিকে কৈ দাবী মঞ্জুৰীটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Deputy Speaker :** Now Honourable Member Shri Monsing Rangpi.

**শ্ৰীমনসিং ৰংপী :** উপাধ্যক্ষ মহোদয়, নামটো দিলো সঁচা এতিয়া আৰু দিগদাৰেই হৈ আছে। অসমীয়া ভালদৰে কব নোৱাৰো, ইংৰাজীৰ একেই অৱস্থা, কাৰ্বি কলে নুবুজে। কৰ্তন প্ৰস্তাৱৰ ওপৰত কবলৈ ওলাইছো যে ভূমি ৰাজহ হল এটা জাতিৰ এখন দেশৰ প্ৰাণস্বৰূপ। অসমৰ যি ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি আছে এওঁলোকক অসমীয়া ভাষী লোকসকলে উপজাতি বুলি কয়। কোনো জাতিৰ এটা উপজাতি কেতিয়াও হব নোৱাৰে। তথা কথিত উপজাতি বিলাকে অসমত এতিয়ালৈকে মাটিৰ পট্টন পোৱা দূৰৰ কথা, মধ্যে মধ্যে উচ্ছেদ কৰাৰ ফলত পুলিচৰ সন্মুখীন হব লগা হৈছে। আজি এইটো দৈনন্দিন অৱস্থা হৈ পৰিছে। মই কালাপানী গ্ৰাণ্টৰ কথা কওঁ। তাত দেখিছো মিজিকা চাহ বাগিছা বৃহৎ পুজিপতিৰ বাগিছা। প্ৰায় ৩৬৫ বিঘা মাটি দাগ নং ৬৪ পাৰ্ট গ্ৰাণ্ট নং ৮৬/৬, এই মাটিৰ পুজিপতি চাহবাগিছাৰ মালিক। অনিয়ম ভাৱে এই মাটি বেদখল কৰি আছে আৰু ই চিলিং মাটিৰ ওপৰৰ মাটি।

খেতিয়ক ৰাম টিমু, যোগেশ্বৰ টিমু, আৰু ৰঘু ওৰাং আদিয়ে যেতিয়া খেতি কৰিবলৈ যায় তেতিয়া ৰাকী পুলিচে গুলিয়াই হত্যা কৰে নৃশংসভাৱে। সেইটো ২৬ জানুৱাৰীৰ ভাৰতৰ গণতন্ত্ৰ দিৱসৰ দিনা। ইফালে আমি উলহ মালহেৰে গণতন্ত্ৰ দিৱস পালন কৰিছো। শশকমল সন্দিকৈয়ে খেতিয়ক সকলক ধুতি পিন্ধা বুলি কৈছে। ৰাম টিমু, যোগেশ্বৰ টিমু আৰু ৰঘু ওৰাঙে লেংটি পিন্ধি আছে। এইয়ে হল চৰকাৰৰ ভূমি ৰাজহৰ নীতি যত খেতিয়কে খেতি কৰিবলৈ গলে পুঁজিপতিৰ নিৰ্দেশত গুলী চালনা কৰে। গ্ৰাণ্টৰ ওপৰত কি কম। গ্ৰাণ্টটো নাকচ কৰিব লাগে। অসমৰ বেলেগ বেলেগ ঠাইত খবৰ কৰি পাইছো সঁচা মিচা নাজানো অসমত ৯ টামান গ্ৰাণ্ট আছে। সেই গ্ৰাণ্ট-বিলাক কোন সময়ত দিয়া হৈছিল তাক ৰাজহ বিভাগে কব। সেই গ্ৰাণ্টৰ পৰা চৰকাৰে কিমান ৰাজহ পাই আছে? বোকাজান সমষ্টিৰ গোটেই বোকা-জান টাউনখন যাদৱ ৰয়ৰ গ্ৰাণ্ট বুলি কয়। তেখেতৰ লৰা-ছোৱালী গুৱাহাটীত আছে। মই জনাত সেই গ্ৰাণ্টৰ পৰা জিলা পৰিষদে ৰাজহ নাপায় অসম চৰকাৰে পায় নে নাপায় নাজানো। যেতিয়া ভাৰতত স্বাধীনতা আন্দোলন চলি আছিল সেই সময়ত বৃটিছক সহায় কৰা সকলক বৃটিছে গ্ৰাণ্ট দিছিল। যাদৱ ৰায় কৰ মানুহ জনা নাজায়। তেওঁৰ সতি-সন্ততি সকলে আজি লাখ লাখ টকা বোকাজানৰ পৰা গুৱাহাটীলৈ আনি আছে। অসমৰ ভূমি ৰাজহ নীতি চমুকৈ কলো। অসমৰ ভূমি ৰাজহৰ নীতি পুঁজিপতিৰ নীতি হৈ আছে। সাধাৰণ খেতিয়কৰ কাৰণে নীতি নাই। ইয়াত অসমৰ ব্যাপক উন্নতি সাধনৰ কাৰণে কোনো ব্যৱস্থা নাই। সেয়ে এই গোটেই গ্ৰাণ্টটো নাকচ কৰা হওক। (ধন্যবাদ)।

মাননীয় উপাধ্যক্ষ: এতিয়া মাননীয় সদস্য শ্ৰীদিলীপ কুমাৰ শইকীয়াই কব।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া: মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যে ৰাজহ বিভাগৰ কৰ্তন প্ৰস্তাৱৰ ওপৰত বিভিন্ন সদস্যই পৰামৰ্শ আৰু অভিযোগ যোগে অৱগত কৰিছে। মই চমুকৈ কেইটামান পৰামৰ্শ দিব বিচাৰিছো। অসমৰ যি বিলাক মাটি এতিয়ালৈকে জৰীপ হোৱা নাই, চৰ অঞ্চলক ধৰি সকলো বিলাক জৰীপ কৰি পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। ধেমাজি, জোনাই,

---

* Speech not corrected.

শদিয়া, ঢকুৱাখানা আদি জনজাতি এলেকাত জৰীপ নোহোৱাত মাটিৰ পট্টন নাপায়। ফলত যুৱক সকলে উদ্যোগ আদি কৰিবৰ বাবে বেংকৰ পৰা ঋণ নাপায়। গতিকে ইয়াৰ তৎকালে ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। তাৰ পিছত আমি দেখিবলৈ পাইছো এছ ডি চি সকলৰ বহুত অসু-বিধা আছে। আইন শৃংখলাৰ নামত তেওঁলোকক নিয়োগ কৰা হয়। গতিকে এচ ডি চি সকলে আৰু বেচি কাম কৰিবৰ কাৰণে একোখন জীপ গাড়ী দিব লাগে। বিভিন্ন সময়ত ৰিকুইজিচন কৰিও গাড়ী নাপায় ফলত চাইকেলেৰে যাৰ লগা হয়। গতিকে অসমত যিমান ৰাজহ চাৰ্কোল আছে প্ৰত্যেকৰকে একোখন জীপ গাড়ী দিব লাগে। বিশেষকৈ আমাৰ অসম অৰুণাচল, অসম নাগালেণ্ড অসম মেঘালয় আন্তঃৰাজ্যিক সীমাৰ জৰীপৰ ব্যৱস্থা তৎকালে কৰিব লাগে। এই সীমাৰ বহু মাটি ইতিমধ্যে কাঢ়ি লৈ গৈছে। গতিকে তৎকালে জৰীপ কৰাৰ আঁচনি লব লাগে। আমাৰ অসমত জনসংখ্যা বৃদ্ধি হৈছে। আমাৰ তিনিজন ভাই ককাইৰ মাজত ৫০ বিঘা মাটি ভাগ হোৱাত মাটি কমি গৈছে। গতিকে চীনৰ দৰে নীতি লব লাগে এহাল দম্পতিৰ এটা সন্তান। কেন্দ্ৰ আৰু ইয়াত একেটা দলৰ চৰকাৰ আছে। গতিকে চৰকাৰক প্ৰস্তাৱ দিব লাগে যে এহাল দম্পতিৰ এটা সন্তান।

উপাধ্যক্ষ মহোদয়, তেতিয়া হলে মাটি যিটো কমি গৈছে সেইটোৰ ভাগ বেছি পাব। তাৰ বাহিৰেও আজি যিবিলাক চাবপ্লাচ চিলিংৰ মাটি আছে উদোগী যুৱক সকলক দিয়া হয় প্ৰকৃতাৰ্থত বাগান খুলিবলৈ বা ৰবৰৰ খেতি কৰিবলৈ কিন্তু পিচত দেখা যায় যে, সেই মাটি তেওঁলোকে ব্যৱহাৰ নকৰে। উদাহৰণ স্বৰূপে উত্তৰ লক্ষীমপুৰৰ চিৰাজুলি বাগানৰ ওচৰত ৪ শ বিঘা মাটি ১৫ জন যুৱকক দিয়া হৈছিল গতিকে যদি চৰকাৰে কঠোৰ নীতি অবলম্বন নকৰে তেনেহলে প্ৰকৃতাৰ্থত এই মাটি চাহ খেতিৰ কাৰণে বা ৰবৰ খেতিৰ কাৰণে সফল নহয়। আজি আমাৰ ৰাজহ মন্ত্ৰী মহোদয়ে ইয়াৰ নিশ্চয় এটা উত্তৰ দিব। এই বিধান সভাৰ এই মাটিখিনিও আজিলৈকে নামজাৰি হোৱা নাই আৰু কোনোবা পালৰ নামত আছে বুলি শুনিবলৈ পাইছো। আমি এই মাটি বেদখল কৰি আছো। এটা কথাই আছে নাঙল যাৰ মাটি তাৰ। আজি এই কথাটো নিশ্চয় আমাক জনাব। বিধান সভাও যদি নামজাৰি নোহোৱা মাটিত থাকিব লগা হয়— যদিও এইটো টেম্পৰৰি হলেও নামজাৰি

হলে ভাল হয়। তাৰ বাহিৰেও চাৰ্জে কৰাৰ বাবে এদিচনেল ষ্টাফ দিয়া ভাল। ৰিলিফ মেনুৱেলখন পৰিৱৰ্ত্তন কৰাৰে দৰকাৰ। আজি দেখা গৈছে যে ডি, চি এজনে পাৰ্চিয়েল দেমেজ হলে মাত্ৰ ৫০ টকাহে দিব পাৰে। গতিকে ৰিলিফ মেনুৱেলটো চেঞ্জ কৰা অতি প্ৰয়োজন। ৰুলিং পাৰ্টিৰ ফালৰ পৰা দনেচন দি হলেও ৰিলিফ মেনুৱেল পৰিবৰ্ত্তন কৰাৰ বাবে পৰামৰ্শ আগ বঢ়ালো। শ্ৰীমনমোহন সিঙো আছে। অতি দুখৰ কথা যে আমি যিসকলে আজি ভূমি-পুত্ৰ বুলি কওঁ, সেই সকলৰ এক কঠা মাটিও নাই। ১ কঠা মাটি নোহোৱা মানুহ বহুতো আছে। এই ভূমিহীন ভুমি পুত্ৰ সকলক মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। চৰ অঞ্চল বিলাকতো মাদি দি ৰাজহৰ ব্যৱস্থা কৰিব লাগে। বহুতো খেতি কৰা মানুহে ৰাজহ নিদিয়ে। ফলত ৰাজহ বিভাগে দিনে দিনে টকাৰ নাটনিত পৰিছে আৰু নন প্লেনৰ টকা খৰচ কৰিব লগীয়া হৈছে। সিদিনা মুখ্যমন্ত্ৰীয়ে উত্তৰ দিছে যে গহপুৰ, কাৰ্বি আংলং আদিৰ ফৰেষ্ট ৰিজাৰ্ভ-বিলাক যিবিলাক মানুহে বে-দখল কৰিছে সেইবিলাক দি ৰিজাৰ্ভ কৰিব লাগে। আৰু তৎকালীনভাৱে পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৰুনাচল চৰকাৰে অসমৰ সীমাত বিভিন্ন গাওঁ উন্নয়ন কৰিছে। সেইদৰে নগালেণ্ড আৰু মেঘালয়েও কৰিছে। মেঘালয়ে খানাপাৰাৰ পৰা জোৰাবাটলৈ উন্নয়ন কৰিছে। গতিকে আমাৰ আসিও দেভলপমেণ্টৰ কাম কৰিলে ভাল হব। ৰাজহ মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে ৰাজহ আদালত কৰাৰ কথা কৈছে। এই ৰাজহ আদালত তৎকালীন ভাৱে নকৰিলে সকলোবিলাক কেচ হাইকৰ্টলৈ আহিব লগা হয়। ধেমাজীৰ পৰা এজন লোকে হাইকৰ্টৰ কামৰ কাৰণে আহিব লগা হলে অহা যোৱা আৰু হোটেলত থকাকে ধৰি ৩/৪ শ টকা খৰচ কৰিবলগীয়া হয়। গতিকে সকলো জিলাতে ৰাজহ আদালত কৰে, তেনেহলে দুখীয়া জনসাধাৰণ উপকৃত হব। জোনাই ধেমাজী অঞ্চলতো মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইয়াকে কৈ মোৰ বক্তব্য সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now Honourable Member Shri Giasuddin Ahmed.

* শ্ৰীগিয়াছউদ্দিন আহমেদ : উপাধ্যক্ষ মহোদয়, মই মাত্ৰ ১/২ মিনিট দুটামান কথা কব বিচাৰিছো। বৰ্ত্তমান সামন্তবাদৰ অৱসান হৈছে। ৰজা,

* Speech not corrected.

মহাৰজা, জমিদাৰ, জোটদাৰ এইবিলাক সকলো গুচাই দিয়া হৈছে। এবিইজিচন অৱ জমিন্দাৰ এক্ট পাছ হোৱাৰ পিচৰে পৰা জমিদাৰ, জোটদাৰ নাই। এক কথাত কবলৈ হলে সামন্তবাস বুলি যিটো ব্যৱস্থা চলি আছে সেই ব্যৱস্থা আইনগত ভাবে নাই। এইটো সঁচা কথা। আইনগত ভাবে সামন্তবাদৰ অৱসান ঘটোৱা হৈছে এইটোৰ কাৰণে কর্তৃপক্ষ ধন্যবাদৰ পাত্র। পিচে কথা হল সামন্তবাদৰ অৱসান হৈছে। কিন্তু সামন্ত বাদী শোষনৰ অৱসান এতিয়ালৈকে হোৱা নাই। আগৰ দৰে সমানে চলি আছে। ওৱাজেদ আলিয়ে বেংগলিতে ভাৰতবর্ষ নামৰ এটা প্রবন্ধত লিখিছিলে যে "সেই ট্রেডিচন সমানে চলেছে, কোথাও তাৰ পৰিবর্ত্তন হয়নি"। সামন্তবাদী শোষণ আগতে যেনে ধৰণে চলিছিল এতিয়াও তেনেধৰণে চলি আছে। মানুহবিলাকহে পৰিবর্ত্তন হৈছে। আজি ৰজা, মহাৰজা জমিদাৰ, জোটদাৰ নাই সঁচা কিন্তু চৰকাৰী বেতনভোগী কিছুমান মানুহ অর্থাৎ এচ, দি, চি মণ্ডল, কাননগো আৰু লগতে চৰকাৰক সমর্থন কৰা কিছুমান দালাল শ্রেণীৰ মানুহে। সামন্তবাদী প্রথা যি উদ্দেশ্যত অৱসান কৰা হৈছিল আৰু তাৰ যি লক্ষ্য আৰু আদর্শ আছিল সেই উদ্দেশ্য আৰু লক্ষ্য আজি ব্যর্থ কৰাৰ কাৰণে উঠি পৰি লাগিছে। আজি ৰিলিফৰ কথা কোৱা হৈছে। উপাধ্যক্ষ মহোদয়, আজি কেইদিনমানৰ আগতে মোৰ এটা প্রশ্ন হৈছিল অৱশ্যে মই সেইদিনা উপস্থিত নাছিলো। প্রশ্নটো আছিল এচ, ডি. চিয়ে কেইবালাখো ৰিলিফৰ টকা আত্মসাৎ কৰিছে। এই ক্রিমিনেল কেচৰ এতিয়াও চার্জচিট দিয়া নাই। কাৰণ এই কেচৰ কাৰণে তলৰ পৰা ওপৰলৈকে চাৰিওফালৰ পৰা হেচা পৰিছে। এতিয়া থানাৰ ডাৰোগা বিমোৰত পৰিছে। এইটো এটা সঁচা কথা যে এই কেচটো ফৌজাদাৰী জালিয়াতি কেচ আৰু চাকৰিৰ কথা বাদেই তেওঁ জেললৈও যাব লাগিব পাৰে। এনেকুৱা ষ্ট্রং প্রাইমাফেচি কেচৰ চার্জচিট এতিয়াও দিব পৰা হোৱা নাই। কাৰণ চাৰিও ফালৰ পৰা ওপৰৰ পৰা, তলৰ পৰা বাওঁফালৰ পৰা, সোঁফালৰ পৰা হেচা পৰিছে। দাৰোগাই যাতে কিবা কৰি কর্মচাৰীজনক ৰক্ষা কৰিব পাৰে।

(ভইচ: দিচপুৰৰ পৰা হেচা পৰিছে নেকি?)

দিচপুৰত অদৃশ্য শক্তিৰ হাত আছে। এইটো কত কেনেকৈ ব্যাপি পৰে সেইটো অন্তর্জামিয়েহে কব পাৰে। যি কি নহওক চৰকাৰৰ কথাটো দৃষ্টি গোচৰ হৈছে অথচ আজিলৈকে বিভাগীয় ভাবে কোনো তদন্ত আজিলৈকে

নহল। বিভাগৰ পৰা কোনো ব্যৱস্থা কৰা হোৱা নাই। অথচ সামন্তবাদী শোষণ ব্যৱস্থা চলি আছে। মন্দল, কাননগোৰ কথা বাদেই, মই এবাৰ শুনিছিলো স্বয়ং ৰেভিনিউ চেক্ৰেটৰি কোনোবা দাস, জিতেন দাসনে কি তেখেতে নিজৰ মাটিৰ ৰেকৰ্ড সংশোধন কৰিবলৈ তেখেতে নিজে টকা দিব লগা হৈছিল। হয়তো মোৰ নামটো কোৱাত ভুল হব পাৰে কিন্তু ৰেভিনিউ চেক্ৰেটৰী হয় যে এইটো খাটাং কথা। এনে এটা ভয়ঙ্কৰ পৰিস্থিতি হৈছে যে টকা নিদিলে কাম নহয়।

* শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্তন ৰাজহ মন্ত্ৰী শ্ৰীসিদ্ধিনাথ শৰ্ম্মা ডাঙৰীয়াৰ দিনত এইটো কাম কৰা হৈছিল।

* শ্ৰীগিয়াছুদ্দিন আহমেদ: মাননীয় উপাধ্যক্ষ মহোদয়; এই সামান্তবাদী শোষণ ব্যৱস্থা চলি আছে। মই এতিয়া এটা কথা কব বিচাৰিছো, শাসক দলে কথাটোত বেয়া পাব পাৰে কিন্তু কথাটো অপ্ৰিয় হলেও সঁচা কথা। আজি গাওঁ অঞ্চলত যিসকল লোকে শাসক দলক সমৰ্থন কৰিছে তেওঁলোক হৈছে দেৱানী, মাতব্বৰ বা গাওঁ অঞ্চলৰ লীডাৰ টাইপ লোক, মই দালাল বুলি নকও, মই বেয়া কথা নকও। সেই সকল লোকে গাৱৰ দুখীয়া খেতিয়ক জনসাধাৰণক শোষণ কৰিছে। মাটি খাৰীৰ ক্ষেত্ৰত আজি জোৰ যাৰ মুলুক তাৰ অৱস্থা চলি আছে। আজি কালি বহুতে চৰ অঞ্চলৰ কথা কয়, চৰ অঞ্চলৰ পৰা আজি কালি বহুতো ডাঙৰ ডাঙৰ নেতা, মন্ত্ৰী হৈছে তেখেত সকলেও জানে আজি দেৱানী মাতব্বৰী সকলৰ শোষণত জৰ্জৰিত হৈছে চৰ অঞ্চলৰ দুখীয়া মানুহখিনি। তাত আজি লাঠিৰ ৰাজত্ব চলিছে, কংগ্ৰেছ দলৰ ৰাজত্ব চলা নাই। দেৱানী, মাতব্বৰী সকলৰ মতে দুখীয়া মানুহখিনিৰ মাটি-বাৰীৰ কোনো অধিকাৰ নাই। তাত আজি ভূমিদাহ প্ৰথা চলিছে।

* শ্ৰীজয় চন্দ্ৰ নাগবংশী: মাননীয় উপাধ্যক্ষ মহোদয়. মাননীয় সদস্যজনে কোৱা এই ব্যৱস্থাটো মানে সামন্তবাদী ৰাজত্বটো কংগ্ৰেছৰ দিনত হৈছে নে আগত হৈছে?

(ভইচ: এই ব্যৱস্থা যোৱা ৪৫ বছৰ ধৰি চলি আহিছে)

শ্ৰীগিয়াছুদ্দিন আহমেদ: মাননীয় উপাধ্যক্ষ মহোদয়, মই কাৰো চেন্টিমেন্টত আঘাট দিব বিচৰা নাছিলো। স্বাধীনতাৰ পিচৰ পৰাই আমি ৰাজ্যখনত

* Speech not corrected.

কংগ্ৰেছ চৰকাৰ দেখি আহিছো। মাত্ৰ মাজতে ৫ বছৰ এ জি, পি, আৰু তাৰ কেইবছৰমানৰ আগতে ২ বছৰমান জনতা দলৰ চৰকাৰ আছিল। বাকী গোটেইখিনি সময় কংগ্ৰেছে ৰাজত্ব কৰিছে। এই সংক্ৰান্তত মই এটা কথা কব খুজিছো যে যিখন আইন গ্ৰহণ কৰা হয়, সেই আইন কাৰ্য্যকৰী কৰাৰ দায়িত্ব সকলোৰে। বিশেষ ভাবে শাসক দলৰ বহি দায়িত্ব। বৰ্ত্তমান যিখন অসম টেন্যান্সি এক্ট চলি আছে তাৰ এক ইতিহাস আছে, মই এই প্ৰসঙ্গতে তাক কব খুজিছো। বৰ্ত্তমান যিখন আমাৰ টেনান্সি এক্ট আছে সেইখন পোনে পোনে বিধান সভাত পাছ কৰা হোৱা নাছিল চিলেক্ট কমিটিলৈ পঠোৱা হৈছিল। তেতিয়া ৰাজহ বিভাগৰ সচিব আছিল শ্ৰীচি, আৰ, কৃষ্ণ মুৰ্ত্তী আৰু ৰাজহ মন্ত্ৰী আছিল শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী। এই আইনখন যেতিয়া চিলেক্ট কমিটিলৈ পঠোৱা হৈছিল— উপাধ্যক্ষ মহোদয়, সৌভাগ্যই কবনে দুৰ্ভাগ্য বুলিয়েই কব, সেই চিলেক্ট কমিটিত ময়ো এজন সদস্য আছিলো আৰু আমাৰ শ্ৰীপ্ৰমোদ গগৈ দেবো তাৰ সদস্য আছিল। চিলেক্ট কমিটিত যেতিয়া আলোচনা চলিল তেতিয়া এই আইনখনৰ সপক্ষে মাত্ৰ শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী দেৱেহে আছিল, বাকী সকলো কংগ্ৰেছ দলৰ সদস্যই ইয়াৰ বিৰোধিতা কৰিছিল।

* শ্ৰীনকুল চন্দ্ৰ দাস ( মন্ত্ৰী পশুপালন ): মাননীয় উপাধ্যক্ষ মহোদয়, তেতিয়া এই আইনখনক শ্ৰীপৰমা গগৈ ডাঙৰীয়াইও সমৰ্থন জনাইছিল।

* শ্ৰীগিয়াছুদ্দিন আহমেদ: উপাধ্যক্ষ মহোদয়, তেতিয়া ডাঙৰ ডাঙৰ কংগ্ৰেছৰ নেতা সকলেও এই বিলখনৰ বিৰোধিতা কৰিছিল। শ্ৰীদেবেশ্বৰ শৰ্ম্মা ডাঙৰীয়াও আছিল। শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে মুৰত হাত দি ৰহি পৰিল। তেওঁলোকৰ বেছিভাগ সদস্য সমৰ্থনৰ বাহিৰত আছিল। চিলেক্ট কমিটিত এই বিলখন আমি জোৰ কৰি সমৰ্থন কৰিব লগা হৈছিল। আমি যদি সেই চিলেক্ট কমিটিত নাথাকিলোহেঁতেন তেনেহলে এনেকুৱা এখন ভাল আইনৰ পৰা আজি অসম বঞ্চিত নহলহেঁতেন। অৱশ্যে বিধান সভাত ইয়াৰ বিৰোধিতা কোনেও কৰা নাছিল। চিলেক্ট কমিটিত বিলখন খোলা খোলিকৈ আলোচনা কৰা হৈছিল। কংগ্ৰেছ দলৰ পৰাই ইয়াৰ বিৰোধিতা কৰা হৈছিল যদিও এই বিলখন কংগ্ৰেছ চৰকাৰেই আনিছিল। যি কি নহওক এই আইনখন পাছ হ'ল আৰু আমি এখন ভাল আইন পালো। অৱশ্যে ইয়াত ২-১ টা কথা

* Speech not corrected.

সংশোধন কৰাৰ ব্যৱস্থা কৰিব লাগে। কিন্তু এই ভাল আইনখন সম্পূৰ্ণৰূপে কাৰ্য্যকৰী আজিলৈকে হোৱা নাই। এইটো দুখৰ কথা। ই কিয় ভালদৰে প্ৰয়োগ হোৱা নাই ? গাওঁ অঞ্চলৰ সামন্তবাদী শোষক সকলে এই আইন কাৰ্য্যকৰী কৰাত আজি বাধাৰ সৃষ্টি কৰিছে। এই আইনে আধিয়াৰ সকলক টেনেণ্ট হিচাবে ব্যৱহাৰ কৰিছে বা গন্য কৰিছে। আধিয়াৰ সকলক এই আইনে মাটিৰ অধিকাৰ দিছে, অথচ তেওঁলোক আজি এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। আইনত ব্যৱস্থা আছে অথচ কামত অহা নাই। আজি আধিয়াৰ সকলক মাটিৰ স্বত্ব দিয়া হোৱা নাই। ইয়াত এটা কু-চক্ৰ জড়িত হৈ আছে। এই চক্ৰটোৱেই এই আইনখন কাৰ্য্যকৰী কৰাত বাধাৰ সৃষ্টি কৰিছে। চৰকাৰে কঠোৰ হাতে এই চক্ৰটো নিৰ্মুল কৰিব লাগে, ধ্বংস কৰিব লাগে। উপাধ্যক্ষ মহোদয়, চিলিং আইন আধিয়াৰ স্বত্ব এই বিষয়ে যথেষ্ট আলোচনা কৰা হৈছে। এই বস্তুটো ৰাজনৈতিক দলৰ দলীয় প্ৰশ্ন নহয়, ই সৰ্বসাধাৰণ মানুহৰ জীৱন মৰণৰ প্ৰশ্ন। আমি এটা কথা লক্ষ্য কৰিছো যে লাহে লাহে মাটিবাৰীবোৰ অনা খেতিয়কৰ হাতলৈ হস্তান্তৰিত হবলৈ ধৰিছে। খেতিয়ক সকল আজি মাটিহীন খেতিয়কত পৰিণত হবলৈ ধৰিছে। আজি হাজাৰ হাজাৰ মানুহ, লাখ লাখ মানুহ, বিশেষকৈ ধুবুৰী কামৰূপৰ, আৰু গোৱালপাৰা জিলাৰ পৰা, গুৱাহাটীলৈ বনুৱা কাম বিচাৰি আহিছে, বিভিন্ন সংস্থাপন বিচাৰি আহিছে, কেৱল গুৱাহাটীলৈকে নহয় অসমৰ অন্যান্য নগৰ চহৰলৈকো এনে লোকৰ সোত বৈছে। এওঁলোকৰ এচামক চহৰৰ লোকে বাংলাদেশী বুলিও কয়। এই মানুহখিনিৰ কিন্তু আগতে ঘৰ দুৱাৰ, খেতি পথাৰ, মাটি বাৰী সকলো আছিল কিন্তু এতিয়া তেওঁলোক সৰ্বহাৰালৈ ৰূপান্তৰিত হৈছে, তেওঁলোক আজি নিস্ব। এই লোকসকল এচাম লোকৰ শোষণৰ বলি হৈ জুৰুলা হৈ আজি গুৱাহাটীৰ ৰাজপথত কাম কৰি ফুৰিছে বনুৱা হৈ।

তেওঁলোকে লেতেৰা কাপোৰ কানি পিন্ধি অহা দেখিলে চহৰত তেওঁলোকক বাংলাদেশী বুলি ভাবে। তেওঁলোকক একেবাৰে বাংলাদেশী বুলিয়েই সাব্যস্ত কৰি পেলাই। কোনোৱেই বিবেচনা বা বিচাৰ কৰি নাচায়। চেহেৰা দেখিয়েই বিদেশী নাগৰিক বুলি গন্য কৰা হয়। এনেকুৱা দৃষ্টান্ত আছে। এই বিষয়টো মই মুখ্যমন্ত্ৰীক দৰ্খাস্ত আকাৰতো জনাব বিচাৰিলো। চন্দ্ৰপুৰত কাম কৰিবলৈ

ধুবুৰীৰ পৰা লেৱাৰ আনি আটক কৰি ৰাখিছে। পৰিশ্ৰমিকৰ নামত খোৱা পিন্ধা দিছে হয়, কিন্তু তেওঁলোকক আটক কৰি ৰখা হৈছে। তাৰ পৰা ওলাৰ সোমাব নিদিয়ে। ডাঙৰ এখন লোহাৰ গেট আছে তাৰ ভিতৰতেই থাকিব লাগে

(Mr. Speaker occupied the chair)

* শ্ৰীঅতুল বৰাঃ মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই এটা কথা কব খোজো। যিহেতুকে মাননীয় সদস্য গৰাকীয়ে চন্দ্ৰপুৰৰ কথা কৈছে মই দিচপুৰ সমষ্টিৰ বিধায়ক হিচাবে কব খোজো যে এই বিষয়ত মই একো নাজানো। কাৰণ বৈশ্য মণ্ডল কংগ্ৰেছ দলৰ মানুহ। এই খিনি জনাই খোৱা ভাল বুলিয়েই জনালো।

* শ্ৰীগিয়াছুদ্দিন আহমেদঃ মাননীয় অধ্যক্ষ মহোদয়, যিকি নহওঁক তেওঁ-লোক দলৰ কি মই জনা নাছিলো। গাৱৰ পৰা দুখীয়া হোজা শ্ৰমিক সকলক চহৰলৈ ধৰি আনি আটক কৰি ৰাখিছে। প্ৰাগঐতিহাসিক নিয়ম অনুসৰি তেওঁলোকক দাসত্ব প্ৰথাৰে কামত খটুৱাইছে। তাহানিৰ নিয়ম মতে আজিও চলি আছে। তেওঁলোকক ঘৰলৈ যাবলৈ নিদিয়ে। মই কথাটো জানিব পাৰি সেই দিনা গুৱাহাটীৰ এচ, পিক কৈছিলো যে অন্তুতঃ তেওঁলোকক কেইদিনমান কাৰণে হলেও যাতে ঘৰলৈ যোৱাৰ ব্যৱস্থাটো কৰি দিব। কিন্তু তেখেতে মোক কলে চন্দ্ৰপুৰ থানালৈ গৈ হেনো মই এখন এজেহাৰ দিব লাগে। মই ভাবিলো কি সৰ্বনাশ তেওঁলোকক ভাৰচুৱেলী আটক কৰি ৰখা হৈছে। এইটো এটা অপৰাধ। তেওঁলোকক আটক কৰি ৰখাটো এটা দোষ কেচ কৰিলেও এইটো এঠা কেচ খাটিব। এইটো এটা দোষ। মই কলো এচ, পি চাহাবক আপুনি নিজে গৈ হলেও তেওঁলোকক অন্ততঃ ইদৰ নামাজটো পঢ়িব পৰাকৈ ঘৰলৈ হাবলৈ সুবিধা এটা কৰি দিব লাগে। আমি হলো হোজা মানুহ ক'ত এজেহাৰ দিম ? কথাটো হৈছে এই গোটেই লোক সকলে হৈছে গাওঁ অঞ্চলৰ ভূমিহীন খেতিয়ক। এই দৰে হাজাৰ হাজাৰ কৃষক অশিক্ষিত নিবনুৱা হিচাবে তৈয়াৰ কৰা হৈছে। কেৱল শিক্ষিত নিবনুৱা খিনিৰ কথা ভাৱিলে নহব। এই যে ভূমিহীন কৃষক সকলক অশিক্ষিত নিবনুৱা হিচাবে সৃষ্টি কৰা হৈছে তেওঁলোকৰ কথাটো গভীৰভাৱে চিন্তা কৰিব লাগিব। চিলিং আইনত যিটো ৰখা হৈছে, তাৰ যুক্তি যুক্তা আকৌ এবাৰ ভাবি চাব লাগিব।

* Speech not corrected.

কোনোৱা এজনে মাহিলি বেলেগকৈ ১০/৫ হাজাৰ ইনকাম কৰে তেওঁৰ আকৌ গাওঁতো ৫০ বিঘা মাটি আছে। তেওঁৰ নিজৰ ইনকাম লগত আকৌ গাওঁত থকা ৫০ বিঘা মাটিৰ পৰা পোৱা জহা চাউলকে আদি কৰি গোটাই লৈ আহিব। কথাটো এনেকুৱা গছৰো খাব আৰু তলৰো লব। এই ব্যৱস্থা যিমান দিন চলি থাকিব সিমান দিন নিবনুৱা সমস্যাৰ সমাধান নহব। অৱশ্যে উত্তৰাধিকাৰী সুত্ৰে লৰা-ছোৱালী মাটিৰ ভাগ পাব। আমাৰ মুছলিম আইন মতে লৰা-ছোৱালী সমানে উত্তৰাধিকাৰী সূত্ৰে মাটি পায়। অৱশ্যে হিন্দু আইন মতেও পায়। এই ক্ষেত্ৰত প্ৰয়োজন হলে হস্তক্ষেপ কৰিব লাগিব। তেতিয়া হয়তো বহুতে বিৰোধিতা কৰিব।

* মৌলানা আব্দুল জেলিল ৰাগিবী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি মন্তব্য দিছে এইটো এটা সম্পূৰ্ণ সাম্প্ৰদায়িক ধৰ্ম্মীয় কথা। গতিকে এই বিষয়ে উংথাপন নকৰাই ভাল।

* শ্ৰীগিয়াছুদ্দিন আহমেদ : অধ্যক্ষ মহোদয়, মই যিটো আশংকা কৰিছিলো সেইটোৱে হল। এই কনট্ৰোভাৰচিটোৰ ওপৰত যদি মই কব নোৱাৰো তেনেহলে মোৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত কবলৈ কথাই নাথাকিব। এইটো এটা এনেকুৱা কথা যুগৰ পৰিবৰ্ত্তনৰ লগে লগে আমাৰ সমাজ ব্যৱস্থাৰো পৰিবৰ্ত্তন হব লাগিব। কাৰণ ব্যৱস্থাবিলাক বা সমাজখন ষ্টেটিক হৈ থাকিব নোৱাৰে। হাজাৰ হাজাৰ বছৰ পাৰ হৈ গ'ল। দুই হেজাৰ বছৰ পাছতো কোনো সলনি নহব পাৰে এনেকুৱা কথা নহয়। সময়ৰ গতিৰ লগে লগে সমাজ সলনি হৈ যায় এই গতিৰ লগে লগে সমাজৰ সুবিধাৰ অৰ্থে সঙ্গতি ৰাখি সমাজত সুব্যৱস্থাৰ সৃষ্টি কৰা ব্যৱস্থা থাকিব লাগে। লাখ লাখ ভূমিহীন কৃষকক মাটি দিব লাগিব। তাৰ কাৰণে এটা সুকীয়া ব্যৱস্থা কৰিব লাগিব। যাৰ একশ বিঘা মাটি আছে সেই একশ বিঘা মাটি বাপেকৰ পৰা পুতেকে উত্তৰাধিকাৰী সূত্ৰে পাব। কিন্তু যিজন মানুহৰ মাহিলী দুহেজাৰ বা তিনিহেজাৰকৈ ইনকাম হয় সেইজন মানুহে সেই মাটিত বেলেগৰ হতুৱাই খেতি কৰাই জহা চাউলৰ বস্তা ঘৰলৈ অনাৰ অধিকাৰ থাকিব নালাগিব। মানুহৰ ইনকাম লিমিটৰ ওপৰত ভূমি আইনৰ ব্যৱস্থা কৰিব লাগিব। আচলতে কথাটো এনেকুৱা নাঙল যাৰ

* Speech not corrected.

মাটি তাৰ। তেতিয়াহে কৃষক সকলৰ সুবিধা হব। পুতেকৰ বাপেকৰ মাটিৰ ওপৰত আইন মতে অধিকাৰ থাকিলেও অলপ যদি ভালকৈ চিন্তা কৰি চোৱা হয় দেখা যাব সেইজন মানুহে চহৰত থাকি মাহিলী তিনি হেজাৰকৈ ইনকাম কৰাৰ পিচতো গাওঁত থকা ৫০ বিঘা খেতিৰ মাতিৰ পৰা জহা চাউল খাইয়ে আছে। গতিকে যদি গাওঁ অঞ্চলৰ খেতিয়কৰ ভাগ্য পৰিবৰ্তন ঘটে তেতিয়াহলে নাঙল যাৰ মাটি তাৰ কথাটো গভীৰ ভাবে চিন্তা কৰি চাব লাগিব। এইখিনিতে মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ: মাননীয় সদস্য দেৱান জয়নাল আবেদিন।

*শ্ৰীদেৱান জয়নাল আবেদিন: মাননীয় অধ্যক্ষ মহোদয়, এই খিনিতে মই দুটামান কথা কব বিচাৰিছো। মন্ত্ৰী মহোদয়ে তেখেতৰ ভাষণত মই কব খোজা প্ৰশ্নৰ উত্তৰত কেইটা সামৰি লব বুলি আশা ৰাখিলো। মোৰ প্ৰথম কথাটো হ'ল ধুবুৰীৰ চৰ অঞ্চলৰ ৫৭ খন গাওঁৰ পট্টন কেনচেল কৰা হৈছে। বাংলাদেশৰ বোৰ্ডাৰৰ ওচৰত ৰেভিনিউ ভেলেজৰ আণ্ডাৰত থকা ধুবুৰী ডিচট্ৰিক্টৰ ৫৭ খনৰ পট্টা কেনচেল কৰা কথাটো সচাঁ নেকি? যদি সচাঁ হয় তেন্তে ইয়াৰ কি ব্যৱস্থা লৈছে? সেই ঠাইত বহুদিন ধৰি জৰিপ হোৱা নাই। বৰ্ত্তমান তাত জৰীপ চলি আছে জৰীপ চলি থকা অৱস্থাতো তেওঁলোকক কিয় মাটি পট্টন দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে? মোৰ দ্বিতীয় প্ৰশ্নটো হ'ল দক্ষিনশালমাৰাৰ ১০ হাজাৰ পৰিয়াল গৃহহীন হৈ মেঘালয়ত আশ্ৰয় লৈ আছিল বানপানীৰ সময়ত তেওঁলোক বালিচৰত আশ্ৰয় লৈ আছিল। তেওঁলোকৰ ২৪ টা পৰিয়ালক কিছু সাহায্য দিয়া হৈছিল। ২শ, ৫শ কে টকা দিয়া হৈছে কিন্তু তেওঁলোকক পুনৰ বসতিৰ কোনো ব্যৱস্থা লোৱা হোৱা নাই। তেওঁলোকৰ ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা অতি সোন-কালে পুনৰ বাসৰ ব্যৱস্থা লবনে?

মাননীয় অধ্যক্ষ: এতিয়া শ্ৰীউপেন সনাতন।

*শ্ৰীউপেন সনাতন: মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুষাৰ কব খুজিছো। উপাধ্যক্ষ মহোদয়, মাটি সম্পৰ্কে আমাৰ সদনত বহুত বন্ধুৱে আলোচনা কৰিছে। কোনোবাই মাটি পাইছে, কোনোবাই

* Speech not corrected.

গৃহহীন হৈছে, কোনোবাই জমিদাৰ হৈছে ইত্যাদি কথা সঁচা । কিন্তু এটা কথা কব খোজো যে আমাৰ চৰকাৰে চিলিং এক্টত বহুত দুখীয়া মানুহক মাটি দিছিল । আমাৰ বন্ধু সকলে কৈছে যে মাটি সম্পৰ্কে আমাৰ চৰকাৰে একো কৰা নাই । কিন্তু মই জনা মতে এই ৯ মাহৰ ভিতৰত বিধানসভা বহাৰ আগতে ছিলংত এখন মিটিং হৈছিল । তাত বহুত মানুহক মাটি দিয়া হ'ল । আৰু বাসস্থান বান্ধিবলৈ দুই হাজাৰ পাচশ টকাকৈ দিয়া হ,ল । এতিয়া এই বিলাকৰ কাম আৰম্ভ হৈছে আৰু হৈ থাকিব । এই দৰে এই চৰকাৰে বহুতো দুখীয়া মানুহক মাটি দিছে । তাৰ পিচত আহিল বানপানী । এই বানপানীয়ে বহুত বিধস্ত কৰিলে । এই বানপানীত বিধস্ত হোৱা মানুহ বিলাককো বাসস্থান বান্ধিবলৈ মাটি দিয়া হ'ল, টকাও দিয়া হ'ল আৰু ভৱিষ্যতেও দিয়া হ'ব । উপাধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খোজো যে চাহ বাগানৰ বন্ধু সকলে আজি বহুত দিনৰ আগতে চিলিং এক্টত মাটি পাইছিল । সেই চিলিং এক্টৰ মাটি বিলাক ক'ত থাকিল কব নোৱাৰো । কাগজে-পত্ৰে তেওঁলোকে মাটি পাইছিল । তেওঁলোকক সেই মাটিৰ পট্টাও দিয়া হ'ল । সেই মাটি বিলাকৰ কথা আজি আমাৰ বন্ধু সকলে কৈছে যে আমাৰ এনেকুৱা কিছুমান মানুহ আছে বিভাগীয় অফিচাৰ আছে যিসকলে এই দুখীয়া মানুহক দিয়া মাটি বিলাক কাঢ়ি নি ধনী মানুহক দিছে । ফলত দুখীয়া মানুহ বিলাক দুখীয়া হৈয়ে থাকিল । এই চিলিং এক্ট আইন যেতিয়া হৈছিল, চিলংত যেতিয়া এই সম্পৰ্কে আলোচনা হৈছিল তেতিয়া মই এটা কথা কৈছিলো । সেইটো অৱশ্যে বহুতে ভাল পাব বা বেয়া পাব । মই কৈছিলো যে এই আইনৰ দ্বাৰা দুখীয়া মানুহে মাটি বেছি পাব নেকি । তেতিয়া কিছুমান মানুহে কলে তেওঁলোক চব হৈ যাব । মাটি পাব, পট্টা পাব, ঘৰ বান্ধিব পাৰিব । কিন্তু আমি দেখিবলৈ পালো যে ইয়াৰ দ্বাৰা এই মাটি বিলাক ধনীৰ হাতলৈ যাব, দুখীয়া দুখীয়া হৈয়ে থাকিব । মই তেতিয়া এটা কথা কৈছিলো বে ছোৱাৰে নিমিত্তে আহাৰো আনিলো আহাৰ গিলিলো ছোৱাকে ।' তেতিয়া তেওঁলোকে মোক ইয়াৰ অৰ্থটো বুজাই দিবলৈ কলে । ইয়াৰ অৰ্থ হ'ল— এটা চিলনী আছিল । চিলনীজনীৰ দুটা পোৱালী আছিল । এদিন বাতি শুই থাকোতে হঠাৎ বানপানী আহিল । তেতিয়া চিলনীজনীয়ে পোৱালী দুটাক লৈ এখ ঠাই বিছাৰি বিছাৰি পাহাৰৰ টিলা এট পালে আৰু টিলাটোত আশ্ৰয় ললে ।

চিলনীজনীয়ে ওচৰতে সাপ এটা শুই থকা দেখি ভাবিলে এইটো মোৰ পোৱালী কেইটাই খাব পাৰিব। চিলনীজনীয়ে সাপটো লৈ আহি পোৱালী কেইটাক আহাৰ হিচাবে খাবলৈ দি চিলনীজনী পুনৰ আহাৰৰ সন্ধানত গুচি গ'ল। গধূলী ঘূৰি আহি দেখে যে সাপটোৱে চিলনীজনীৰ পোৱালী কেইটা খাই পেলাইছে। তেতিয়া চিলনীজনীয়ে মনৰ দুখতে কান্দি বহি আছিল আৰু এই সময়তে নাৰদে আহি সুধিলে কিহৰ বাবে কান্দিছে। তেতিয়া চিলনীজনীয়ে কলে— 'ছোৱাৰে নিমিত্তে আহাৰো আনিলো আহাৰে গিলিলে ছোৱাকে। ঠিক আমাৰ অৱস্থাও তেনেকুৱা হৈছে। আমাৰ চাহ বাগানৰ মজদুৰ সকলক চিলিং একত যিবোৰ মাটি দিলে সেইবোৰ আজিলৈকে পট্টন নহ'ল মই ইয়াৰ বাবে কাকো দোষ নিদিও। দেশৰ পৰিস্থিতিৰ কাৰণে হয়তো ইমানদিনে এই-বোৰ নোহোৱাকৈ পৰি আছিল। এতিয়া এইবোৰৰ কথা ওলাইছ যেতিয়া মই বৰ্ত্তমানৰ চৰকাৰক অনুৰোধ কৰিছো যে চিলিং একত দিয়া মাটি বিলাকৰ পট্টন দিয়াৰ ব্যৱস্থা কৰিব লাগে। যিহেতুকে চাহ বাগানৰ মজদুৰ বিলাকৰ সুনিৰ্দিষ্ট কোনো মাটি নাই সেয়েহে তেওঁলোকক পট্টন আদি দিয়াৰ ব্যৱস্থা অতি সোনকালে কৰিব লাগে। চৰকাৰে আজি এনেকুৱা আইন কৰিলে যে কোনো মানুহৰ ওপৰত যদি এই সম্পৰ্কে কোৰ্ট মোকৰ্দমা হয় তেন্তে তেওঁ বেল্টত বা জামিনত আহিব নোৱাৰে।

আপোনালোকে জানে নিশ্চয় যে তেওঁলোকে যদি দুমাহ নোযোৱাকৈ থাকে তেওঁলোকক নোটিশ দিব, চাৰ্জ চিট দিব' এবচেন্ট দিব আৰু তাৰ পিছত নামটো কাতি দিব। ফলত গোটেই পৰিয়ালটো হাহাকাৰত পৰিব পৰিয়ালটো গৰীব হৈ যাব। সেই কাৰণে মই ৰাজহ মন্ত্ৰীক অনুৰোধ জনাইছো যেন অতি সোনকালে এই বাগানৰ চিলিংৰ উৎবৃত্ত মাটি যি সকলক দিছিল তাৰ বহুতৰে নায়েই বেলেগে জোৰ জবৰদস্তি খাই বহি আছে তেওঁলোকক সোনকালে ম্যাদি পট্টা দিব লাগে। লগতে মই এটা কথা কব বিচাৰিছো আমাৰ সদনত মাননীয় সদস্য সকলে বাগানৰ বিষয়ে বহুত কথাই কয়, বহুতে নাজানিও কয় নাজানে মানে তেওঁলোকে বাগানৰ ভিতৰত সোমোৱা নাই যিসকলে বাগানৰ ভিতৰচৰা নেদেখে তেওঁলোকে বাগানৰ অৱস্থা নুবুজিব। তেওঁলোকে কয় যে বাগানত বহুত মাটি আছে। মই এটা কথা কব বিচাৰিছো এখন বাগানত যদি এহেজাৰ লেবাৰ থাকে তাৰ লগত ৩/৪ হাজাৰ ফাল্টু মানুহ থাকে।

এই মানুহবিলাকক চলাফুৰা কৰিবলৈতো মাটি লাগে। ১৯৫০ চনৰ আগতে বৃটিশ কোম্পানী বিলাকে যেতিয়া এই ৰাগানৰিলাক চলাইছিল তেওঁলোকে কৈছিল যে এখন বাগানত তিনিভাগত চাহবাগিচাৰ চাহপাত থাকিলে ৰাকী এভাগ মাটি খালি ৰাখিব লাগে। কাৰণ বাগানখনত কাম কৰা মানুহ বিলাকৰ লৰা-ছোৱালী, তেওঁলোকৰ গৰুবাচুৰ আছে, ৰাগান খন থাকিলে তাৰ চাৰিও-ফালে হাট ৰজাৰ গঢ়ি উঠে গতিকে তেওঁলোকৰ যাতে কোনো বেমাৰ আজাৰ নহয় তাৰ কাৰণে চলাফুৰা কৰা কাৰণে অলপ খালি মাটি লাগে। সেই মাটিকনো আজি নাই। স্কুল, কলেজ হাট বজাৰ ডাক্তৰখানা আদি পাতিবলৈ মাটি নাই। যিবিলাক ৰাগানৰ বেছি মাটি আছে তাক লোৱাত আমি আপত্তি নকৰো। এইটো কেতিয়াও নকওঁ যে এজন মানুহে ৰহুত মাটি লৈ ৰহি থাকিব আৰু আন এজনে অভাৱত পৰি থাকিব। বাগান বিলাকৰ ক্ষেত্ৰত আমি আৰু এটা কথা দেখিছো যে তেখেত সকলে ভাল ভাষণেৰে বাগান-ৰিলাকক ডুম্মন বুলি কয়। আচলতে ৰাগান বিলাক হৈছে অসমৰ এটা ডাঙৰ সম্পদ। যদি এখন বাগানত এহেজাৰ মানুহে কাম কৰি আছে তাৰ লগতে আৰু চাৰিহাজাৰ মানুহে পোহপাল হৈ আছে। কাৰণ এই চাৰি হাজাৰৰ ৰহুতে দোকান, ৰজাৰ, ৰেচন ইত্যাদি কামত লাগি আছে। গতিকে ৰাগান ৰিলাক কেতিয়াও ডুম্মন হব নোৱাৰে। আপোনালোকে জানে যে চাহবাগানৰ পৰাই আমি বেছি টেক্স পাওঁ। তদুপৰি ৰাগান ৰিলাক যদি উঠাই দিওঁ তেনেহলে এই ৪/৫ হাজাৰ হাজাৰ মানুহ যে এখন ৰাগানত খাটি আছে তেওঁলোক কলৈ যাব? গতিকে চাহ ৰাগানৰ ভিতৰত মাটি অতিৰিক্ত যদি আছে তেনেহলে বাগানৰ যিসকল মানুহ নিবনুৱা হৈ আছে যাৰ পাত তুলি খোৱাৰ শক্তি নাই তেনে মানুহক খেতি কৰিবৰ কাৰণে দিয়ক। তেওঁলোকে তাত বসবাস কৰক। মজদুৰ সকলক কি মাটি দিব নালাগে নেকি? চাহ ৰাগান ৰিলাকৰ পৰা আমি বহুত সম্পদেই পাইছো। তদুপৰি বাগিছা খনৰ চাৰিওফালে হাত বজাৰ, ৰেহা বেপাৰ, মছলা উদ্যোগ আদি নানান ধৰণৰ উদ্যোগ গঢ়ি উঠে তাতো নিশ্চয় ভালেমান মানুহে সংস্থাপন পাইছে। মাননীয় সদস্য সকলে কৈছে যে কংগ্ৰেছৰ দিনত ৰহুতে মাটিৰ খেলি মেলি কৰিছে। মোৰ ৰোধেৰে মাননীয় সদস্য সকলে মুখত কলেও অন্তৰেদি কেতিয়াও নকয়, কংগ্ৰেছে বেয়া কাম কৰিছে বুলি। কাৰণ কংগ্ৰেছ কিছুদিনৰ কাৰণে নেথাকিলে

ৰাইজে আকৌ জোৰ কৰি মাতি আনে। কংগ্ৰেছৰ কাৰণে অসমৰ জনসাধাৰণে আজিও হৈ চৈ কৰি আছে কংগ্ৰেছ ঘুৰি আহিব লাগে কাৰণ দেশত একমাত্ৰ এটাই অনুস্থান আছে যি জনসাধাৰণৰ মঙ্গল চিন্তা কৰে সেইটো হৈছে কংগ্ৰেছ পাৰ্টি। আমি দেখিছো দুবছৰ আগতে যেতিয়া আমাৰ দেশত এ. জি, পি চৰকাৰ আছিল মই সঁচা কথা কব খুজিছো আমাৰ মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্ম্মাই যদি চাব যাব খোজে দেখুৱাম আমাৰ তিনচুকীয়াত ৰড়ো বজাৰ বুলি এখন মটক বজাৰ দিনবে. বজাৰ আছে। এই বজাৰখনত ওচৰ পাজৰৰ প্ৰায় ৮খন মান বাগান আছে সেই বাগানৰ মানুহবিলাকে আহি মুৰ্গী, হাঁহ কুকুৰা, মছলা চাউল আদি বজাৰৰ দিনা বিক্ৰী কৰে। সাধাৰণতে সেইখন মজদুৰৰ বজাৰ বুলিয়ে জনা যায়। এ, জি, পি চৰকাৰৰ দিনত এই বজাৰখনকে বিক্ৰী কৰি দিলে।

Mr. Speaker : Honourable Member Shri Upen Sanatan will reasum his speech on Monday, the 30th March, 1992. The good will Team to Kokrajhar will leave Dispur on 29th March, 1992 at 6 a. m. and two Honourable Member have requested to include their names. One of them is Smt. Pramila Brahma and the other member is Shri Bhrigu Kumar Phukan. They will be included in the team. Honourable Minister for Irrigation has just informed me that card will be there in the Assembly Secretariat campus on next Sunday at 8 a. m. These who are interested they may intimate. Till now we have received 13 names and if any Minister wants to go he may go but exeluding the Speaker.

শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, আজি ৰাতিপুৱা আবছুব শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম আৰু আমি আলোচনা কৰিছো এই পিচ মিচনটো যেতিয়া এই শনিবাৰে কোকৰাঝাৰলৈ যাব গতিকে ধনশিৰীলৈ যোৱা ভ্ৰমণসূচী তাৰ পৰবৰ্ত্তী শনিবাৰলৈ ৰাখিব লাগে।

মাননীয় অধ্যক্ষ : বিভাগীয় মন্ত্ৰীৰ কিবা আপত্তি আছে নেকি ?

শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী) : মোৰ কোনো আপত্তি নাই।

Mr. Speaker : Next Saturday the Good will team will proceed to-wards Dhansiri. The House now stands adjourned till 9 a. m. on 30th March, 1992.

## ADJOURNMENT

The House then rose at 11-30 A. M. and stood adjourned till 9 a. m. on Monday the 30th March, 1992.

Dispur
The 27th March, 1992

S. N. Deka
Secretary
Assam Legislative Assembly

1991/May.

| Sl. No. | Regd. No. | Date of admission | Patient's name & address. |
|---|---|---|---|
| 1. | 5/91 | 21.5.91 | Shri Chandramala Chetri<br>C/O. Dharma Singh Chetri<br>Vill. Barua Ati<br>P.O. Begena Ati<br>Dist. Nagaon. |
| 2. | 6/91 | 23.5.91 | Smti Rajumani Basumatary<br>C/O. Kalia Basumatary<br>Vill. Begena Ati<br>P.O. Begena Ati<br>Dist. Nagaon. |
| 3. | 7/91 | 25.5.91 | Smti Prativa Devi<br>C/O. Khargabahadur Chetri<br>Vill. Barua Ati<br>P.O. Begena Ati<br>Dist. Nagaon. |
| | | | **June/91** |
| 4. | 8/91 | 8.6.91 | Smti Jutika Khaklary<br>C/O. Khagen Khaklary<br>Vill. Ouguri<br>P.O. Begena Ati<br>Dist. Nagaon. |
| 5. | 9/91 | 13.6.91 | Mangala Basumatary<br>C/O Ariram Basumatary<br>Vill. Ouguri<br>P.O. Begena Ati<br>Dist. Nagaon. |

| | | | |
|---|---|---|---|
| 6. | 10/91 | 13.6.91 | Budhiram Chetri<br>C/O. Ganesh Chetri<br>Vill. Barua Ati<br>P.O. Begena Ati<br>District- Nagaon. |
| 7. | 11/91 | 17-6-91 | Kalawati Biswakarma<br>C/O. Gon Singh Tumung<br>Vill. Rohdhala<br>P.O. Missa<br>Dist. Nagaon. |
| 8. | 12/91 | 17-6 91 | Sabita Devi<br>C/O. Jargabahadur Biswakarma<br>Vill. Beselimari<br>P.O. Sivastha<br>District- Nagaon. |
| 9. | 13/91 | 19-6-91 | Pratap Bahadur.<br>C/O. Jit Bahadur<br>Vill. Rohdhala<br>P. O. Missa<br>Dist. Nagaon. |
| 10. | 14/91 | 22.6.91 | Indira Devi<br>C/O. Kebal Upadhya<br>Vill. Ouguri<br>P.O. Begena Ati<br>Dist. Nagaon. |
| 11. | 15/91 | 25-6-91 | Sachindra Rabha<br>C/O. Bina Rabha<br>Vill. Samaguri<br>P.O. Samaguri<br>Dist. Nagaon. |

| | | | |
|---|---|---|---|
| 12. | 16/91 | 27.6.91 | Dimbeswar Upadhaya<br>C/o. Gopilal Upadhaya<br>Vill. Ouguri<br>P.O. Begena Ati<br>District- Nagaon. |
| 13. | 17/91 | 29-6-91 | Golap Bhuyan<br>C/O Atul Bhuyan<br>Vill. Kawaimari<br>P.O. Begena Ati<br>District- Nagaon. |

July/1991.

| | | | |
|---|---|---|---|
| 14. | 18/91 | 6-7-91 | Kuddus Ali<br>Vill. Sivastha<br>P.O. Sivastha<br>District- Nagaon. |
| 15. | 19/91 | 3-7-91 | Bhabiram Basumatary<br>C/O. Bishnu Basumatary<br>Village Ouguri<br>P.O. Begena Ati<br>District- Nagaon. |
| 16. | 20/91 | 7-7-91 | Dhanti Basumatary<br>C/O Jen Basumatary<br>Vill. Begena Ati<br>P.O. Begena Ati<br>District- Nagaon. |
| 17. | 21/91 | 13-7-91 | Ranjana Debi<br>C/O Jayendra Chetri<br>Vill. Ouguri<br>P.O. Begena Ati.<br>District- Nagaon. |

| | | | |
|---|---|---|---|
| 18. | 22/91 | 18-7-91 | Laini<br>C/O. J. Alsiary<br>Vill. Ouguri<br>P.O. Begena Ati<br>Dist. Nagaon |
| 19. | 23/91 | 20-7-91 | Khiramaya<br>C/O Damar Bahadur<br>Vill. Rahdhala<br>P.O. Missa<br>Dist. Nagaon |
| 20. | 24/91 | 23-7-91 | M. Upadhaya<br>C/O Kabul Upadhaya<br>Vill. Ouguri<br>P.O. Begena Ati<br>Dist. Nagaon |
| 21. | 25/91 | 23.7.91 | Mayarani Devi,<br>C/O. Pabitra Sarker,<br>Vill. Patali<br>P. O. Sivasthan<br>District- Nagaon. |
| 22. | 26/91 | 2.7.91 | Khudiram Basumatary<br>C/O Jiban Basumatary<br>Vill. Begena Ati<br>P.O. Begena Ati<br>Dist. Nagaon |
| 23. | 27/91 | 28.7.91 | Prem Kumari<br>C/O Chandra Bhandari<br>Vill. Begena Ati<br>P.O. Missa<br>Dist. Nagaon. |

August/1991.

| | | | |
|---|---|---|---|
| 24. | 28/91 | 2.8.91 | Punimai Khaklary<br>C/O Pratima Khaklary<br>Vill. Begena Ati<br>P.O. Begena Ati<br>Dist. Nagaon. |
| 25: | 29/91 | 5.8.91 | Janka Maya<br>C/O Liladhar Chetri<br>Vill. Begena Ati<br>P.O. Begena Ati<br>District- Nagaon. |
| 26. | 30/91 | 5.8.91 | Gnan Chandra<br>C/O Subodh Das<br>Vill. Lakhana Bandha<br>P.O. Bhoridhowa<br>District- Nagaon |
| 27. | 31/91 | 10.8.91 | Charu Boro<br>C/O Subharam<br>Vill. Ouguri<br>P.O. Begana Ati<br>District- Nagaon |
| 28. | 32/91 | 10.8.91 | Nitul Khaklary<br>C/O Akhil Khaklary<br>Vill. Begena Ati<br>P. O. Begena Ati<br>District- Nagaon |
| 29. | 33/91 | | Radhika Devi<br>C/O Jularam Nath<br>Vill. Barua Ati<br>P.O. Begena Ati<br>District- Nagaon |

| | | | |
|---|---|---|---|
| 30. | 34/91 | | Manomaya Karki<br>C/O Birbahadur Karki<br>Vill. Rahdhala<br>P. O. Missa<br>Dist. Nagaon. |
| 31. | 35/91 | | Rabi Singh<br>C/o Bisweswar Singh<br>Vill Kulidonga<br>P.O. Ambagan<br>Dist. Nagaon. |
| 32 | 36/91 | 15.8.91 | Abdul Rasid<br>C/O Podumi Begum<br>Vill. Kuwarital<br>P. O. Kuwarital<br>Dist. Nagaon. |
| 33. | 37/91 | — | Rama Borah<br>C/O Haren Borah<br>Vill Dighali<br>P.O. Sibasthan<br>Dist. Nagaon. |
| 34. | 38/91 | 18.8.91 | Bishnu Basumatary<br>C/O Kusobori Basumatary<br>Vill. Ouguri<br>P.O. Begena Ati<br>Dist. Nagaon. |
| 35. | 39/91 | 22.8.91 | Anjana Saikia<br>C/O Deuram Saikia<br>Vill. Kawaimari<br>P.O. Begena Ati<br>Dist. Nagaon. |

| | | | |
|---|---|---|---|
| 36. | 40/91 | 28.8.91 | Gangamaya<br>C/O Bir Bahadur<br>Vill. Rahdhala<br>P.O. Missa (Nagaon). |
| 37. | 41/91 | 28.8.91 | Kharga Bahadur<br>C/O. Dighala Bahadur<br>Vill. Rahdhala<br>P.O. Missa, (Nagaon). |
| 38. | 42/91 | 29.8.91 | Babu Basumatary<br>C/O. Ranjan Basumatary<br>Vill. Uluoni<br>P. O. Begena Ati (Nagaon). |
| 39. | 43/91 | — | Aser Ali<br>C/O Ibrahim Ali<br>Vill. Muwamari<br>P.O. Samaguri (Nagaon). |
| 40. | 44/91 | 30.8.91 | Kamala khatun<br>C/O Md. Hazarat Ali<br>Vill. Muwamari<br>P.O. Samaguri (Nagaon). |

September/1991.

| | | | |
|---|---|---|---|
| 41. | 45/91 | 4.9-91 | Ismail Ali<br>C/O Ibrahim Ali<br>Vill. Mowamari<br>P. O. Samaguri (Nagaon). |
| 42. | 46/91 | 4.9.91 | Raimon Mondal<br>C/O H. Mondal<br>Vill. Kholaiati<br>P. O. Missa (Nagaon). |

| | | | |
|---|---|---|---|
| 43. | 47/91 | | Pranab Kr. Khaklary<br>C/O Aducharan Khaklary<br>Vill. Ouguri<br>P.O. Begena Ati |
| 44. | 48/91 | 1.9.91 | Hazira Khatun<br>C/O Saha Ali<br>Vill, Mowamari<br>P.O. Mowamari (Nagaon) |
| 45. | 49/91 | 3.9.91 | Baga Bahadur Chetri<br>C/O Lal Bahadur Chetri<br>Vill. Ouguri<br>P.O. Begena Ati |
| 46. | 50/91 | 4.9.91 | Hazarat Ali<br>C/O Iman Ali<br>Vill. Mowamari<br>P. O. Sibasthan (Nagaon) |
| 47. | 51/91 | 4 9.91 | Basiram Basumatary<br>C/O Bagai Basumatary<br>Vill. Kawaimari<br>P. O. Begena Ati (Nagaon) |
| 48. | 52/91 | 6.9.91 | Akas Ali<br>C/O Saifur Islam<br>Vill. Bhatia Khali<br>P.O. Bhatia Khali |
| 49. | 53/91 | 7.9.91 | Rangai Mushahari<br>C/O Girindra Mushahari<br>Vill. Ouguri<br>P. O. Begena Ati |

| | | | |
|---|---|---|---|
| 50. | 54/91 | 7.9.91 | Hamid Ali<br>C/O. Samsuddin<br>Vill. Mowamari<br>P.O. Mowamari |
| 51. | 55/91 | 7-9-91 | Saparjan<br>C/O. Abdul Ali<br>Vill. Mowamari<br>P.O. Mowamari |
| 52. | 56/91 | 7-9-91 | Rasanara Begum<br>C/O. Abdul Kadir<br>Vill. Mowamari<br>P.O. Mowamari |
| 53. | 57/91 | 10-9-91 | Akub Ali<br>C/O. Suraj Ali<br>Vill. Bhatia Kholi<br>P. O. Katpura |
| 54. | 58/91 | 10.9.91 | Md. Sukur Ali<br>C/O. Md. Jalauddin Ali<br>Vill. Mowamari<br>P.O. Mowamari |
| 55. | 59/91 | 10-9-91 | Jiabul Islam<br>C/O. Aulmus Ali<br>Vill. Mowamari<br>P.O. Mowamari |
| 56. | 60/91 | 10.9.91 | Hafijul Islam<br>C/O Sahej Ali<br>Vill. Mowamari<br>P.O. Mowamari |

| | | | |
|---|---|---|---|
| 57: | 61/91 | 14.9.91 | Bumamai Bora<br>C/O Dhiren Bora<br>Vill. Barua Ati<br>P.O. Begena Ati |
| 58. | 62/91 | 15.9.91 | Ganga Chetri<br>C/O Rituraj Chetri<br>Vill. Barua Ati<br>P.O. Begena Ati |
| 59. | 63/91 | 16.9.91 | Anu Bhuyan<br>C/O Golap Bhuyan<br>Vill. Kawamari<br>P.O. Begana Ati |
| 60. | 64/91 | 18.9.91 | Asher Ali<br>C/O Rafikul Islam<br>Vill. Mowamari<br>P. O. Mowamari |
| 61. | 72/91 | 20.9.91 | Rabida Khatun<br>C/O Churha Ali<br>Vill. Mowamari<br>P.O. Mowamari |
| 62. | 73/91 | 24.9.91 | Rupjan Begum<br>C/O Naser Ali<br>Vill. Bhatiakhali<br>P.O. Mowamari |
| 63. | 74/91 | 24.9.91 | Firoja Khatun<br>C/O Harun Ali<br>Vill. Bhatiakhali<br>P.O. Mowamari |
| 64. | 75/91 | 24.9.91 | Malika Khatun<br>C/O Nabi Ali<br>Vill. Mowamari<br>P.O. Sibasthan |

| | | | |
|---|---|---|---|
| 65. | 76/91 | 28.9.91 | Hatem Ali<br>C/O M. Ali<br>Vill. Sibasthan<br>P.O. Mowamari |
| 66. | 77/91 | 29.9.91 | Taimun nissa<br>C/O Hatem Ali<br>Vill. Mowamari<br>P.O. Sibasthan. |
| 67. | 78/91 | 29.9.91 | Logbahadur<br>C/O. Ram Bahadur<br>Vill. Rahdhala<br>P.O. Begena Ati. |
| 68. | 65/91 | 18.9.91 | Rafikul Islam<br>C/O. Aser Ati<br>Vill. & P.O. Mowamari. |
| 69. | 66/91 | 18.9.91 | Ilaka Khatun,<br>C/O. Ayub Ali<br>Vill & P.O. Mowamari. |
| 70. | 67/91 | 19.9.91 | Suren Chetri<br>C/O. Iswar Bahadur<br>Vill Rahdhala<br>P.O. Begena Ati. |
| 71. | 68/91 | 19.9.91 | Julekha Khatun<br>C/O. Late A. Rahman.<br>Vill No. 1. Garumara,<br>P.O. Rahgagara. |
| 72. | 69/91 | 20.9.91 | Amina Khatun,<br>C/O. Rahmat Ali<br>Vill: Mowamari<br>P.O. Mowamari |

| | | | |
|---|---|---|---|
| 73. | 70/91 | 20.9.91 | Malekha Khatun<br>C/O. Hajarat Ali<br>Vill. & P.O. Mowamari |
| 74. | 71/91 | 20.9 91 | Biswajit Khaklari<br>C/O. Rajen Khaklary<br>Vill. Ouguri<br>P.O. Begena Ati |

OCTOBER/1991.

NIL

NOVEMBER/1991.

| | | | |
|---|---|---|---|
| 75. | 79/91 | 16.11.91 | Anu Bhuyan<br>C/O. Golap Bhuyan<br>Vill. Kaimari<br>P.O. Begena Ati |
| 76. | 80/91 | 16.11 91 | Putimai Daimari<br>C/O. Rupima<br>Vill. Begena Ati<br>P.O Begena Ati |
| 77. | 81/91 | 20-11-91 | Kumud Ojha<br>C/O Prafulla Kalita<br>Vill. Ulluani<br>P.O. Begena Ati |
| 78. | 82/91 | 22-11-91 | Ratan Khaklari<br>C/O Jadab Khaklari<br>Vill. & P. O. Begena Ati. |
| 79. | 83/91 | 22-11-91 | Lokeswari Devi<br>C/O Ritu Chetri<br>Vill, Barua Ati<br>P. O. Begena Ati. |

December/1991.

| | | | |
|---|---|---|---|
| 80. | 84/91 | 7-12-91 | Keri Gaglari<br>C/O. Birbal Gaglari<br>Vill. & P.O. Begena Ati. |
| 81. | 85/91 | 8-12-91 | Upen Basumatari<br>Vill. Ouguri<br>P.O. Begena Ati. |
| 82. | 86/91 | 9-12-91 | Tuk Ram Nath,<br>C/O. Lal bahadur Nath<br>Vill. Barua Ati<br>P.O. Begena Ati. |
| 83. | 87/91 | 24-12-91 | Amina Khatum<br>C/O. Mahar Ali<br>Vill. & P.O Mowamari |
| 84. | 88/91 | 29-12-91 | Dhiren Bora<br>C/O Sarkeswar Bora.<br>Vill. Kawaimari<br>P.O. Begena Ati |

January/1992.

| | | | |
|---|---|---|---|
| 85. | 1/92 | 2-1-92 | Pramode Basumatary.<br>C/O. Jatin Basumatary<br>Vill. Ouguri<br>P.O. Begena Ati. |
| 86. | 2/92 | 2-1-92 | Puleswari Basumatary<br>C/O P. Basumatary<br>Vill. Ouguri<br>P.O. Begena Ati. |

| | | | |
|---|---|---|---|
| 87. | 3/92 | 5-1-92 | Ajay Biswas<br>C/O Bhumi Deka<br>Vill. Ulluani<br>P. O. Begena Ati. |
| 88. | 4/92 | 7-1-92 | Majida Khatun<br>C/O Addul Jabban<br>Vill. No. I Gorubandha<br>P.O. Sibasthan |
| 89. | 5/92 | 17-1-92 | Gahasingh Chetri<br>Vill. Rahdhala<br>P. O. Missa |
| 90. | 6/92 | 17.1.92 | Ram Kr. Neopani<br>Vill. Rohdhala<br>P.O. Missa |
| 91. | 7/92 | 29.1,92 | Ganga Bahadur Chetri<br>C/O Rituraj Chetri<br>Vill. Barua Ati<br>P:O. Begena Ati |

February/1992

| | | | |
|---|---|---|---|
| 92. | 8/92 | 4.2.92 | Jagbahadur<br>C/O Tiken Bahadur<br>Vill. Barua Ati<br>P.O. Begena Ati |
| 93. | 9/92 | 5.2.92 | Anukul Biswas<br>C.O Sures Biswas<br>Vill. Mowamari<br>P.O. Mowamari |
| 94. | 10/92 | 13.2.92 | Bimola Mahalal<br>Vill. Bowamari<br>P.O. Sibasthan |

| | | | |
|---|---|---|---|
| 95. | 11/92 | 17.2.92 | Sitamai Tumung<br>C/O Girija Tumung<br>Vill. Rahdhala<br>P.O. Begena Ati. |
| 96. | 12/92 | 17.2.92 | Salimai Basumatary<br>C/O Praneswar Basumatary<br>Vill. Ouguri<br>P.O. Begena Ati. |
| 97. | 13/92 | 17.2.92 | Bhadri Devi<br>C/O Bolin Sharma<br>Vill. Gomotha Gaon<br>P.O. Kuwaritul |
| 98. | 14/92 | 25.2.92 | Malika Goswami<br>C/O Moti Goswami<br>Vill. Kawaimari<br>P.O. Begena Ati |
| 99. | 15/92 | 26.2.92 | Laheri Khaklary<br>C/O Tarun Khaklary<br>Vill. Ouguri<br>P.O. Begena Ati |
| 100. | 16/92 | 29.2.92 | Deobari Khaklary<br>C/O Panidhar Khaklary<br>Vill. Ouguri<br>P.O. Begena Ati |
| 101. | 17/92 | 29.2.92 | Phaguni Bora<br>C/O Lakhi Bora<br>Vill. Kawarital<br>P.O. Luwarital |

# ANNEXURE— II

| ক্ৰমিক নং | জিলাৰ নাম | ১ম কিস্তিত পোৱা টকা | ২য় কিস্তিত পোৱা টকা |
|---|---|---|---|
| ১। | ধুবুৰী | ৪৫,২৮ | ৮১,৭১ |
| ২। | কোকৰাঝাৰ | ১১২,১০ | ১৮৭,৪৩ |
| ৩। | গোৱালপাৰা | ৬৬,৭৯ | ৬৮,২৯ |
| ৪। | বৰপেটা | ৭৪,৭৬ | ৯৯,০৮ |
| ৫। | নলবাৰী | ৭৪,১০ | ৮৬,৮৬ |
| ৬। | কামৰূপ | ৯১,৭৯ | ১০১,৯০ |
| ৭। | দৰং | ৮৭,০০ | ৯৫,৪৫ |
| ৮। | শোণিতপুৰ | ৬১,৬৫ | ১৫,২৫ |
| ৯। | লক্ষীমপুৰ | ১১২,৭৭ | ২১৬,৬১ |
| ১০। | ডিব্ৰুগড় | ৭২;২৬ | ১৩৬.৯০ |
| ১১। | শি[illegible]সাগৰ | ২৯,৮৩ | ৪৬,৯৬ |
| ১২। | যোৰহাট | ৫১,৬৭ | ৯৯,৩১ |
| ১৩। | গোলাঘাট | ৩৪,৯৪ | ৬৬,৮৭ |
| ১৪। | নগাওঁ | ১৯৬,০০ | ৩৬৩,৩৯ |
| ১৫। | কাৰবি আংলং | ৮৪,০৩ | ১৬৮,০৬ |
| ১৬। | উত্তৰ কাছাৰ-পাহাৰ | ১৯,২৬ | ৩০,৫২ |
| ১৭। | কাছাৰ | ৯৯,৯৩ | ১১৭,৬৫ |
| ১৮। | কৰিমগঞ্জ | ৪৯,৮২ | [illegible]৬,৬১ |
| | মুঠ— | ১৩৬৩,৮৯ | ২০৭[illegible],৮৩ |